www.asombarta.in
PRGI REGD. NO. : ASASS/25/A2361

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

জীৱনটোও একপ্ৰকাৰৰ পৰ্বত আৰোহণ। অসীম দুখ-কষ্ট আৰু দুৰ্লংঘ বাধা আছে বাবেই সি ৰোমাঞ্চকৰ। - হোমেন বৰগোহাঞি

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

প্ৰথম বছৰ | সংখ্যা- ২৬৭ | বৃহস্পতিবাৰ | ৬ আগষ্ট, ২০২৬ চন | Volume/Year- I | Issue- 267 | Thursday | 6th August, 2026 | Asom Barta, Majuli | PRGI Reg. No.- ASASS/25/A2361 | Price- Rs. 10 | Total Page-8

## ৰাজ্যসভাত গৃহীত উচ্চতম ন্যায়ালয়ত ন্যায়াধীশৰ সংখ্যা বৃদ্ধিৰ বিধেয়ক

৩৪ৰ পৰা ৩৮লৈ বৃদ্ধি, ধ্বনি ভোটত অনুমোদন ঃ লোকসভালৈ প্ৰেৰণ



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৫ আগষ্ট ঃ** দেশৰ শীৰ্ষ আদালত উচ্চতম ন্যায়ালয়ত ন্যায়াধীশৰ সংখ্যা বৃদ্ধিৰ বাবে উত্থাপিত গুৰুত্বপূৰ্ণ বিধেয়কখন বুধবাৰে ৰাজ্যসভাত ধ্বনি ভোটত সৰ্বসন্মতিক্ৰমে গৃহীত হয়, যাৰ ফলত উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশৰ সংখ্যা বৰ্তমানৰ ৩৪ গৰাকীৰ পৰা বৃদ্ধি পাই ৩৮ গৰাকীলৈ উন্নীত কৰা হ'ব। ইতিপূৰ্বে এই বিষয়ত ৰাষ্ট্ৰপতিয়ে জাৰি কৰা অধ্যাদেশৰ স্থানত এই বিধেয়ক উত্থাপন কৰা হৈছিল, আৰু ৰাজ্যসভাত গৃহীত হোৱাৰ পাছত বিধেয়কখন ৫ পৃষ্ঠাত

বান বিধ্বস্ত এলেকাত এতিয়া কেৱল ধ্বংসাৱশেষ ঃ জীয়াই থকাৰ যুঁজ বানাক্ৰান্তৰ

# বান বিধ্বস্ত এলেকা পৰিদৰ্শন কেন্দ্ৰীয় মন্ত্ৰী জেপি নাড্ডাৰ

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ৫ আগষ্ট ঃ** উজনি অসমৰ বান পৰিস্থিতি প্ৰত্যক্ষভাৱে নিৰীক্ষণ কৰিবলৈ বুধবাৰে শিৱসাগৰ জিলাৰ নেপালীখুঁটিত উপস্থিত হয় কেন্দ্ৰীয় মন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা জেপি নাড্ডা। বিগত ১৯ জুলাইৰ প্ৰলয়ংকাৰী বানপানীয়ে শিৱসাগৰ, যোৰহাট আৰু চৰাইদেউ জিলাত যে কিদৰে চাৰিওফালে ধ্বংস যজ্ঞ চলাইছে, তাৰ প্ৰত্যক্ষ চিত্ৰ দেখা পায় নাড্ডাই। তেওঁ অহাৰ লগে লগে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই নিজে তেওঁক সংগ দিয়ে আৰু দুয়ো একেলগে বানপীড়িত অঞ্চলটোৰ বিভিন্ন শিবিৰ পৰিদৰ্শন কৰে। ইফালে ৰাজ্যৰ কেইবাগৰাকী মন্ত্ৰী আৰু স্থানীয় বিধায়ক-প্ৰতিনিধিয়েও এই পৰিদৰ্শনত অংশগ্ৰহণ কৰি বন্যাৰ্তসকলৰ সমস্যাৰ বিষয়ে মন্ত্ৰীগৰাকীক অৱগত কৰে। ৬ পৃষ্ঠাত



## ডুমডুমাত জনকল্যাণ আঁচনিৰ ভূমিপৰ্যায়ৰ ৰূপায়ণ পৰীক্ষা মন্ত্ৰী কৌশিক ৰায়ৰ

পৌৰসভা কাৰ্যালয়ত বিধায়ক-বিষয়াৰ সৈতে বৈঠক ঃ সুলভ মূল্যৰ দোকান, গাঁও পঞ্চায়ত সমবায় সমিতি, ধান ক্ৰয় কেন্দ্ৰ পৰিদৰ্শন



**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ৫ আগষ্ট ঃ** এদিনীয়া কাৰ্যসূচীৰে তিনিচুকীয়া জিলাত উপস্থিত হোৱা অসম চৰকাৰৰ খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা, সমবায় তথা গৃহ নিৰ্মাণ আৰু নগৰ উন্নয়ন বিভাগৰ মন্ত্ৰী কৌশিক ৰয়ে আজি ডুমডুমা পৌৰসভাৰ কাৰ্যালয়ত অনুষ্ঠিত এক গুৰুত্বপূৰ্ণ পৰ্যালোচনা সভাত অংশগ্ৰহণ কৰে। উক্ত পৰ্যালোচনা সভাত ডুমডুমা পৌৰসভাৰ অধীনত ৰূপায়ণ হৈ থকা বিভিন্ন আঁচনিৰ অগ্ৰগতি সন্দৰ্ভত বিভাগীয় বিষয়াৰ ৫ পৃষ্ঠাত

## প্ৰধানমন্ত্ৰী মোদীৰ ফেচবুক ভিডিঅ' আঁতৰোৱাৰ বাবে ক্ষমা বিচাৰিব লাগে মাৰ্ক জুকাৰবাৰ্গে ঃ নিশিকান্ত ডুবে

ছ'চিয়েল মিডিয়া প্লেটফৰ্মবোৰৰ বাবে চৰকাৰৰ কঠোৰ স্থিতি, ছেফ হাৰ্বাৰ সুৰক্ষা প্ৰত্যাহাৰৰ ভাবুকি

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৫ আগষ্ট ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে জড়িত এটা ভিডিঅ' ফেচবুক প্লেটফৰ্মৰ পৰা আঁতৰাই দিয়া ঘটনাই সাম্প্ৰতিক সময়ত সামাজিক যোগাযোগ মাধ্যমৰ পৰিচালনা আৰু চৰকাৰী স্পন্দনৰ মাজত এক গুৰুতৰ আলোচনাৰ সূত্ৰপাত ঘটাইছে। এই প্ৰসংগত সংসদৰ তথ্য প্ৰযুক্তি সম্পৰ্কীয় স্থায়ী সমিতিৰ অধ্যক্ষ নিশিকান্ত ডুবেই দুদিন পূৰ্বে স্পষ্টভাৱে উল্লেখ কৰে যে ফেচবুকৰ মূল কোম্পানী মেটাৰ মুৰব্বী মাৰ্ক ৬ পৃষ্ঠাত



## ডিচেম্বৰত বাংলাদেশলৈ উভতিব প্ৰাক্তন প্ৰধানমন্ত্ৰী শ্বেইখ হাছিনা

নতুন দিল্লীত FCC South Asiaত আবেগিক ভাৰ্চুৱেল সংবাদমেল; হিংসাক লৈ তীব্ৰ সমালোচনা



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৫ আগষ্ট ঃ** অশান্তিজৰ্জৰ পৰিস্থিতিৰ মাজত দেশ এৰিব লগা হোৱাৰ পাছত বাংলাদেশৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী শ্বেইখ হাছিনাই বুধবাৰে প্ৰথমবাৰৰ বাবে সংবাদ মাধ্যমৰ জৰিয়তে নিজৰ মনৰ কথা স্পষ্টভাৱে প্ৰকাশ কৰে, আৰু নতুন দিল্লীৰ Foreign Correspondents' Club of South Asia (FCC South Asia)-ত সন্ধিয়া ৬ বজাত অনুষ্ঠিত এই গুৰুত্বপূৰ্ণ ভাৰ্চুৱেল সংবাদমেলখনে সমগ্ৰ অঞ্চলতে ব্যাপক আলোড়ন সৃষ্টি কৰে। সংবাদমেলখন সম্বোধন কৰি নিজৰ প্ৰিয় দেশখনৰ বৰ্তমানৰ ৬ পৃষ্ঠাত

## লখিমপুৰত উদ্বোধন ৰাজ্যৰ প্ৰথম নাগৰিক সমিতি ভৱন

বিধায়ক মানৱ ডেকাৰ ৫ লাখ টকা সাহায্য
থানালৈ অহা ৰাইজৰ সুবিধাৰ বাবে বিশেষ উদ্যোগ



**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ৫ আগষ্ট ঃ** অসমৰ প্ৰতিখন আৰক্ষী থানাতে এখনকৈ নাগৰিক সমিতি থকা সত্ত্বেও এতিয়ালৈকে এই সমিতিসমূহৰ কোনো স্থায়ী ঠিকনা বা নিজা ভৱন নাছিল, কিন্তু সেই দীৰ্ঘদিনীয়া অভাৱৰ অন্ত পেলাই বুধবাৰে লখিমপুৰ সদৰ থানাৰ চৌহদত ৰাজ্যৰ ভিতৰতে প্ৰথমটো নাগৰিক সমিতিৰ ভৱন মুকলি কৰা হয়, যি অসমৰ সামাজিক আৰু প্ৰশাসনিক জীৱনত এক গুৰুত্বপূৰ্ণ মাইলৰ খুঁটি হিচাপে বিবেচিত হৈছে। ৬ পৃষ্ঠাত

## দুৰ্বল শিক্ষা ব্যৱস্থাৰ অভিযোগ উত্থাপন কৰাটো অপৰাধ নহয় ঃ ৰাহুল গান্ধী

যন্তৰ-মন্তৰত প্ৰতিবাদকাৰী যুৱক-যুৱতীৰ প্ৰতিনিধি দলক সাক্ষাৎ কংগ্ৰেছ উপ দলপতিৰ



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৫ আগষ্ট ঃ** লোকসভাত বিৰোধী দলৰ নেতা ৰাহুল গান্ধীয়ে বুধবাৰে এক স্পষ্ট বক্তব্য প্ৰদান কৰি কয় যে দুৰ্বল শিক্ষা ব্যৱস্থাৰ অভিযোগ উত্থাপন কৰাটো কোনো ধৰণৰ ৬ পৃষ্ঠাত

## নাগালেণ্ডৰ দৈয়াং জলবিদ্যুৎ প্ৰকল্পই পুনৰ এৰিলে পানী ঃ বানৰ আশংকা

৪খন স্পিলৱে গেটেৰে খুলি দিয়া হৈছে ২১৩ কিউমেকছ পানী

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ৫ আগষ্ট ঃ** নাগালেণ্ডৰ দৈয়াং জলবিদ্যুৎ প্ৰকল্পই পুনৰবাৰ জলাধাৰৰ পৰা বিপুল পৰিমাণৰ পানী এৰি দিয়াৰ ফলত ধনশিৰি আৰু দৈয়াং নদীৰ নিম্নাঞ্চলবোৰত পানীৰ স্তৰ বৃদ্ধি পোৱাৰ আশংকা সৃষ্টি হৈছে, যাৰ বাবে নদীপাৰৰ অঞ্চলসমূহৰ ৰাইজক সতৰ্ক হৈ থাকিবলৈ জিলা প্ৰশাসনে আহ্বান জনাইছে। প্ৰকল্পটোৰ মুঠ ৪খনকৈ স্পিলৱে' গে'ট বুধবাৰে বিয়লি ৪ বজাত খুলি দিয়া হয়, ৬ পৃষ্ঠাত



## বানপীড়িত শিক্ষাৰ্থীৰ শ্ৰেণীকোঠাত ৭৫ শতাংশ উপস্থিতিৰ নিয়ম ৰেহাইৰ দাবী আছুৰ

শিক্ষামন্ত্ৰীলৈ পত্ৰ; আবাসিক নামভৰ্তিৰ সময় বৃদ্ধিৰো দাবী

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ৫ আগষ্ট ঃ** বানবিধ্বস্ত উজনি অসমৰ শোচনীয় অৱস্থা এতিয়াও সম্পূৰ্ণৰূপে উত্তৰণ নোহোৱাকৈ থাকোঁতেই বিদ্যালয়সমূহ গৰম বন্ধৰ পাছত নিয়মীয়া পাঠদান আৰম্ভ কৰিছে, যাৰ ফলত বানপীড়িত অঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকল শৈক্ষিক অনিশ্চয়তাৰ সন্মুখীন হৈছে। এই পৰিস্থিতিত সদৌ অসম ছাত্ৰ সন্থা (আছু)য়ে বুধবাৰে শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ ওচৰত এখন দাবীপত্ৰ


সদৌ অসম ছাত্ৰ সন্থা
ALL ASSAM STUDENTS' UNION
H. O. : GAUHATI UNIVERSITY, GUWAHATI - 781014
শিক্ষামন্ত্ৰীলৈ ছাত্ৰ সন্থাৰ চিঠি
বান-পীড়িত ছাত্ৰ-ছাত্ৰীৰ বাবে বিশেষ পদক্ষেপৰ দাবী

প্ৰেৰণ কৰি বানপীড়িত ছাত্ৰ-ছাত্ৰীসকলৰ বাবে বিশেষ পদক্ষেপ গ্ৰহণৰ দাবী জনায়। ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মা আৰু সাধাৰণ সম্পাদক সমীৰণ ফুকনে প্ৰেৰণ কৰা এই দাবীপত্ৰখনত তেওঁলোকে কয় যে শিৱসাগৰ, চৰাইদেউ আৰু যোৰহাট জিলাৰ বানাক্ৰান্ত লোকসকলে বৰ্ণনাতীত কষ্টেৰে দিন কটাই থকাৰ সময়তে শিক্ষানুষ্ঠানসমূহত নিয়মীয়া পাঠদান আৰম্ভ হোৱাই ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক জীৱনত চৰম অনিশ্চয়তা কঢ়িয়াই ৬ পৃষ্ঠাত

## ডিব্ৰুগড়ত বান পৰিস্থিতিৰ পৰ্যালোচনা বৈঠক কেন্দ্ৰীয় মন্ত্ৰী জেপি নাড্ডাৰ

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ সৈতে বিশেষ সভা; বিভিন্ন বিভাগৰ জ্যেষ্ঠ বিষয়াৰ অংশগ্ৰহণ

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ৫ আগষ্ট ঃ** বুধবাৰে চৰাইদেউ আৰু শিৱসাগৰ জিলাৰ বানৰ ভয়াবহ পৰিস্থিতি প্ৰত্যক্ষভাৱে পৰিদৰ্শন কৰি শেষ কৰি সন্ধিয়াৰ ভাগত কেন্দ্ৰীয় মন্ত্ৰী জেপি নাড্ডা ডিব্ৰুগড়ত উপস্থিত হয়, আৰু অসমৰ বৰ্তমানৰ বান পৰিস্থিতি মোকাবিলা, বন্যাৰ্তসকলক সাহায্য প্ৰদান আৰু উদ্ধাৰ অভিযান সম্পৰ্কীয় গুৰুত্বপূৰ্ণ ৬ পৃষ্ঠাত



## যোৰহাটৰ বানপীড়িত বিদ্যালয়সমূহ পৰিদৰ্শন শিক্ষামন্ত্ৰীৰ


৩৭৬খন বিদ্যালয়, এখন মহাবিদ্যালয় বানত ক্ষতিগ্ৰস্ত; মেৰামতিৰ বাবে অনুদান প্ৰদানৰ সিদ্ধান্ত

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ৫ আগষ্ট ঃ** উজনি অসমৰ বিগত প্ৰলয়ংকাৰী বানপানীয়ে কেৱল ঘৰ-বাৰী আৰু খেতি-পথাৰেই নহয়, শিক্ষা জগতখনকো গভীৰভাৱে আক্ৰান্ত কৰিছে। বিশেষকৈ যোৰহাট, শিৱসাগৰ, চৰাইদেউ আৰু যোৰহাটকে ধৰি চাৰিখন জিলাত বহু শিক্ষানুষ্ঠান এই বানৰ বলি হৈছে, যাৰ ফলত শিক্ষাৰ্থীসকলৰ শৈক্ষিক জীৱনৰ বহু মূল্যৱান নথি-পত্ৰ, কিতাপ-বহী আৰু প্ৰয়োজনীয় সামগ্ৰী নষ্ট হৈ যোৱাত তেওঁলোক চৰম সমস্যাত পৰিছে। এই সংকটময় পৰিস্থিতিৰ মাজতে ৰাজ্য চৰকাৰে শিক্ষাৰ্থীসকলক স্বস্তি ৬ পৃষ্ঠাত

ভূমি অধিগ্ৰহণ বিধেয়কক লৈ তীব্ৰ বিৰোধিতা ভূমি অধিকাৰ যৌথ সংগ্ৰাম সমিতিৰ

## গুৱাহাটী প্ৰেছ ক্লাবত সংবাদমেল ঃ চৰকাৰৰ বিৰুদ্ধে কৰ্প'ৰেটৰ হাতলৈ মাটি যোৱাৰ ষড়যন্ত্ৰৰ অভিযোগ

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ৫ আগষ্ট ঃ** অসম চৰকাৰে শেহতীয়াকৈ বিধানসভাত গৃহীত কৰা ভূমি অধিগ্ৰহণ (সংশোধনী) বিধেয়ক ২০২৬ আৰু গুৱাহাটী উপগ্ৰহীয় চহৰ উন্নয়ন প্ৰাধিকৰণ বিধেয়ক ২০২৬ৰ তীব্ৰ বিৰোধিতা কৰি ভূমি অধিকাৰ যৌথ সংগ্ৰাম সমিতিয়ে বুধবাৰে গুৱাহাটী প্ৰেছক্লাবত এক সংবাদমেলৰ আয়োজন কৰে আৰু এই বিধেয়ক দুখন খিলঞ্জীয়া অসমীয়া মানুহৰ বাবে অত্যন্ত ভয়ংকৰ বুলি অভিযোগ উত্থাপন কৰে। সংবাদমেলত সমিতিৰ উপদেষ্টা শান্তনু বৰঠাকুৰে কয় যে এই বিধেয়ক দুখনৰ জৰিয়তে অসমৰ মানুহৰ হাতত থকা অৱশিষ্ট মাটিখিনি সুকৌশলে কৰ্প'ৰেটৰ হাতলৈ লৈ যোৱাৰ বাবে এখন ভয়ংকৰ ষড়যন্ত্ৰ ৰচনা কৰা হৈছে, আৰু যদিও বিধেয়ক দুখনত ওপৰে ওপৰে আলংকাৰিকভাৱে ধুনীয়া কথাবোৰ কোৱা হৈছে, তথাপি ৬ পৃষ্ঠাত



## অসমৰ ঐতিহ্যবাহী চাহ উদ্যোগৰ বাবে ভয়ংকৰ বিপদ কঢ়িয়াই আনিলে বানে, আটছা সভাপতিৰ দাবী সংবাদমেলত

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ৫ আগষ্ট ঃ** প্ৰলয়ংকাৰী বানপানীয়ে অসমৰ অন্যতম ঐতিহ্যবাহী চাহ উদ্যোগক ভীষণভাৱে বিপন্ন কৰি তুলিছে, যাৰ ফলত ৰাজ্যখনৰ চাহ বাগানসমূহৰ শ্ৰমিক পৰিয়ালবোৰ চৰম দুৰৱস্থাৰ সন্মুখীন হৈছে। এই পৰিস্থিতিত বুধবাৰে অসম চাহ জনজাতি সন্মিলন (আটছা)ৰ কেন্দ্ৰীয় সভাপতি জগদীশ বৰাইকৰ নেতৃত্বত এটা সঁজাতী দল টীয়ক চাহ বাগিচা অঞ্চলত উপস্থিত হয় আৰু বানপীড়িত শ্ৰমিকসকলৰ ক্ষয়-ক্ষতি প্ৰত্যক্ষভাৱে পৰ্যবেক্ষণ কৰে, লগতে চৰকাৰ আৰু বাগান কৰ্তৃপক্ষৰ ওচৰত ৬ পৃষ্ঠাত



টীয়ক চাহ বাগিচা পৰিদৰ্শন আটছা প্ৰতিনিধি দলৰ, শ্ৰমিকৰ মজুৰি, চিকিৎসা আৰু স্থায়ী সমাধানৰ দাবী

## ভূটানে এৰিলে কুৰিশ্বু বান্ধৰ পানী, নামনি অসমত বানৰ আশংকা

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ৫ আগষ্ট ঃ** উজনি অসমৰ তিনিখন জিলাত প্ৰলয়ংকাৰী বানে ধ্বংসলীলা চলোৱাৰ পিছত এতিয়া সেই একেই ভাবুকি নামি আহিছে নামনি অসমৰ বঙাইগাঁও জিলালৈ। ভূটানে নিজৰ কুৰিশ্বু জলবিদ্যুৎ প্ৰকল্পৰ পৰা বিপুল পৰিমাণৰ পানী এৰি দিয়াৰ ফলত নামনি অসমৰ বঙাইগাঁও জিলাত হঠাৎ ভয়ংকৰ বানপানীৰ সৃষ্টি হোৱাৰ আশংকা দেখা দিছে। এই পৰিস্থিতিৰ মোকাবিলা কৰিবলৈ বঙাইগাঁও জিলা প্ৰশাসন আৰু জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে সতৰ্কবাণী জাৰি ৬ পৃষ্ঠাত

বঙাইগাঁও জিলা প্ৰশাসনৰ সতৰ্কবাণী মানস, আই-মানস নদীৰ জলস্তৰ বিপদসীমা অতিক্ৰম

## ই-২০ পেট্ৰ'ল সম্পৰ্কীয় পোষ্টাৰৰ পৰা আঁতৰাব লাগিব নীতিন গাডকাৰীৰ ফটো

উচ্চ ন্যায়ালয়ৰ নিৰ্দেশ ঃ সামাজিক মাধ্যমৰ পৰা বদনামজনক সকলো কনটেণ্ট আঁতৰাবলৈ আদেশ

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৫ আগষ্ট ঃ** ইথানল মিহলি পেট্ৰ'ল (ই-২০ পেট্ৰ'ল) সম্পৰ্কে সামাজিক মাধ্যমত চলি থকা ট্ৰ'ল আৰু বদনামজনক পোষ্টৰ সন্মুখীন হৈ থকা কেন্দ্ৰীয় পৰিবহণ মন্ত্ৰী নীতিন গাডকাৰীক বোম্বে উচ্চন্যায়ালয়ে এক ডাঙৰ সকাহ প্ৰদান কৰিছে, য'ত বুধবাৰে আদালতে সামাজিক মাধ্যম আৰু ইণ্টাৰনেটৰ পৰা গাডকাৰীৰ সৈতে জড়িত আৰু তেওঁক বদনাম কৰিব পৰা সকলো ধৰণৰ কনটেণ্ট শীঘ্ৰে আঁতৰাবলৈ নিৰ্দেশ দিয়ে। এই প্ৰসংগত গাডকাৰীয়ে মেটা, এক্স, গুগল, ইউটিউব আৰু বৈদ্যুতিন আৰু তথ্য-প্ৰযুক্তি মন্ত্ৰণালয়কে ধৰি কেইবাটাও পক্ষৰ বিৰুদ্ধে ১১ কোটি টকাৰ মানহানিৰ গোচৰ ৰুজু কৰিছিল, আৰু কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ আবেদনৰ ওপৰত ন্যায়াধীশ আৰিফ এছ ডাক্তৰৰ একক বিচাৰপীঠত বুধবাৰে শুনানি অনুষ্ঠিত হয়। সকলো পক্ষৰ ৬ পৃষ্ঠাত



# কৃষি বিজ্ঞান কেন্দ্ৰ, দৰঙৰ উদ্যোগত শতাধিক কৃষকলৈ উন্নত মানৰ বীজ আৰু ৰোপণ সামগ্ৰী বিতৰণ



**অসম বাৰ্তা, মঙলদৈ, ৪ আগষ্ট ঃ** দৰং জিলাৰ কৃষি খণ্ডক অধিক শক্তিশালী কৰাৰ লক্ষ্যৰে কৃষি বিজ্ঞান কেন্দ্ৰ, দৰঙে আয়োজন কৰিলে বীজ আৰু ৰোপণ সামগ্ৰী বিতৰণ অনুষ্ঠান। এই কাৰ্যসূচীত উপস্থিত থাকে ৰাজ্যৰ পশুপালন, পশুচিকিৎসা আৰু মীন মন্ত্ৰী নীলিমা দেৱীকে ধৰি জিলা প্ৰশাসন, অসম কৃষি বিশ্ববিদ্যালয়ৰ বিজ্ঞানী আৰু বিভিন্ন বিভাগৰ শীৰ্ষ বিষয়া-বৰ্গ। কৃষি বিজ্ঞান কেন্দ্ৰ, দৰঙৰ উদ্যোগত আজি মঙলদৈ জিলা পুথিভঁৰালত বীজ আৰু ৰোপণ সামগ্ৰীৰ আনুষ্ঠানিক বিতৰণ অনুষ্ঠান সফলতাৰে অনুষ্ঠিত হয়। অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে অসম চৰকাৰৰ পশুপালন, পশুচিকিৎসা তথা মীন মন্ত্ৰী মাননিয়া নীলিমা দেৱী। ইয়াৰ উপৰিও জিলা আয়ুক্ত আয়ুসী জৈন, অসম কৃষি বিশ্ববিদ্যালয়ৰ মুক্ত আৰু দূৰ শিক্ষা সঞ্চালকালয়ৰ সঞ্চালক ড° ৰমনী কান্ত ঠাকুৰীয়া, অতিৰিক্ত জিলা আয়ুক্ত (কৃষি) উদয় শংকৰ দত্ত, জিলা কৃষি বিষয়া দ্বিজেন চৌধুৰী, জিলা মীন বিষয়া হিমাংশু প্ৰকাশ দাস, জিলা পশুখাদ্য বিষয়া ড° মহম্মদ চাহজাহান, লিড বেংক প্ৰবন্ধক চায়ন দাস, অসম কৃষি বিশ্ববিদ্যালয়ৰ জ্যেষ্ঠ সম্প্ৰসাৰণ বিশেষজ্ঞ ড° ভৃগু কুমাৰ নেওগ, কৃষি বিজ্ঞান কেন্দ্ৰ, দৰঙৰ মুৰব্বী ড° আব্দুল হাফিজকে ধৰি বিজ্ঞানী, বিভিন্ন বিভাগৰ বিষয়া-বৰ্গ আৰু দৰং জিলাৰ বিভিন্ন উন্নয়ন খণ্ডৰ শতাধিক কৃষক উপস্থিত থাকে। কাৰ্যসূচীৰ জৰিয়তে কৃষকসকলৰ মাজত উন্নত জাতৰ মাটিমাহ, মগুমাহ, তামোলৰ পুলি, লগতে পশুখাদ্যৰ বাবে নেপিয়াৰ, ৰেড নেপিয়াৰ, পাৰা, গিনি আৰু কংগ' চিগনেল আদি উন্নত জাতৰ ঘাঁহ বিতৰণ কৰা হয়। অনুষ্ঠানত ভাষণ প্ৰদান কৰি মন্ত্ৰী নীলিমা দেৱী, জিলা আয়ুক্ত, বিজ্ঞানী আৰু বিষয়াসকলে বিজ্ঞানসন্মত কৃষি পদ্ধতি, বৰ্ষাকালীন মাহ শস্য আৰু উদ্যান শস্যৰ গুৰুত্ব, উন্নত উৎপাদন কৌশল, শস্য পৰিচালনা আৰু আধুনিক কৃষি প্ৰযুক্তি গ্ৰহণৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰে। ড° আব্দুল হাফিজে উদ্দেশ্য ব্যাখ্যাৰে আৰম্ভ কৰা অনুষ্ঠানটি সঞ্চালনা কৰে কৃষি বিজ্ঞান কেন্দ্ৰ, দৰঙৰ সামুহিক বিজ্ঞান বিভাগৰ বিষয়বস্তু বিশেষজ্ঞা ড° সুৰভি নেওগে। অনুষ্ঠানত উপস্থিত অতিথিসকলে মত প্ৰকাশ কৰে যে, অসম কৃষি বিশ্ববিদ্যালয়ৰ উদ্যোগত কৃষি বিজ্ঞান কেন্দ্ৰ, দৰঙে আয়োজন কৰা এই পদক্ষেপে বিজ্ঞানভিত্তিক কৃষি পদ্ধতিৰ প্ৰচাৰ-প্ৰসাৰ আৰু কৃষকৰ উৎপাদনশীলতা বৃদ্ধিত বিশেষ ভূমিকা পালন কৰিব।

# বানাক্ৰান্তৰ বাবে সহায়ৰ হাত; ৰাজনীতি পৰিহাৰ কৰি মানৱতাৰ সেৱাত ব্ৰতী হ'বলৈ আহ্বান মৌলান ববদৰুদ্দিন আজমলৰ

**অসম বাৰ্তা, বৰপেটাৰোড, ৪ আগষ্ট ঃ** ৰাজ্যৰ বৰ্তমানৰ ভয়াৱহ বান পৰিস্থিতিক লৈ গভীৰ উদ্বেগ প্ৰকাশ কৰিছে মৌলান। বদৰুদ্দিন আজমলে বৰপেটাৰোডত উপস্থিত হৈ সংবাদ মাধ্যমৰ আগত তেওঁ কয় যে বৰ্তমান সমগ্ৰ মানৱ জাতি এক ভয়াবহ সংকটৰ মুখত থিয় দিছে। এনে সময়ত বানপানীৰ দৰে স্পৰ্শকাতৰ বিষয়টোক লৈ কোনেও যাতে ৰাজনীতি নকৰে, তাৰ বাবে তেওঁ বিনম্ৰ আহ্বান জনায়। উজনি অসমৰ পৰিস্থিতি সন্দৰ্ভত মন্তব্য কৰি তেওঁ কয়, "উজনীত আমি একো কৰা নাই, যি হৈছে ওপৰৰ আল্লাহৰ সহায়ত হৈ আছে। আমি কেৱল মানুহক সহায় কৰিবহে বিচাৰিছোঁ।" তেওঁ উল্লেখ কৰে যে বানপানীত ৰাইজ সৰ্বস্বান্ত হৈছে। বহু মানুহৰ মৃত্যু হোৱাৰ লগতে পশুধনৰো ব্যাপক ক্ষতি হৈছে। এই দুৰ্যোগৰ সময়ত দোষাৰোপৰ ৰাজনীতি কৰাতকৈ বানবিধ্বস্ত ৰাইজৰ কাষত থিয় দি তেওঁলোকক সহায় কৰাটোৱেই আমাৰ একমাত্ৰ লক্ষ্য হোৱা উচিত। বানাক্ৰান্ত ৰাইজৰ পুনৰ সংস্থাপনৰ বাবে তেওঁ এক বিশাল সাহায্য আঁচনিৰ কথা ঘোষণা কৰে। তেওঁৰ মতে, বানত ক্ষতিগ্ৰস্ত লোকসকলক সহায় কৰিবলৈ ৫ লাখ বাঁহ, ৫ লাখ টিন পাত আগবঢ়োৱাৰ লগতে মহিলাসকলৰ বাবে ৫ লাখ মেখেলা আৰু ছাত্ৰ-ছাত্ৰীসকলৰ সুবিধাৰ্থে ৫ লাখ বেগ আৰু বস্ত্ৰ যোগান ধৰাৰ বাবে তেওঁ মত প্ৰকাশ কৰে। স্বাস্থ্য সেৱাৰ দিশতো তেওঁ বিশেষ গুৰুত্ব আৰোপ কৰিছে। তেওঁ কয় যে বানাক্ৰান্ত অঞ্চলসমূহত ইতিমধ্যে মেডিকেল টিম নিয়োগ কৰা হৈছে আৰু অহা ৩ মাহলৈকে এই চিকিৎসকৰ দলসমূহ তাতে নিয়োজিত হৈ থাকিব। আমাৰ চিকিৎসকৰ কোনো অভাৱ নাই, ৰাইজে যাতে উপযুক্ত চিকিৎসা পায় তাক আমি নিশ্চিত কৰি" বুলিও তেওঁ মন্তব্য কৰে। সম্পূৰ্ণ অৰাজনৈতিকভাৱে কেৱল মানৱতাৰ খাতিৰত দুৰ্দশাগ্ৰস্ত ৰাইজক সহায়ৰ হাত আগবঢ়াবলৈ তেওঁ সমাজৰ সচেতন মহলক আহ্বান জনাইছে।

# গহপুৰৰ বাকৰিদলনী অৰুণাচলী সুৰাৰ ৰমৰমীয়া বেহা

**অসম বাৰ্তা, গহপুৰ, ৪ আগষ্ট ঃ** গহপুৰ সমজিলাৰ অন্তৰ্গত বাকৰী দলনী অঞ্চলত অবৈধ অৰুনাচলী সুৰাৰ ৰমৰমীয়া ব্যৱসায় আজিও চলাই আছে মুষ্টিমেয় দুই-এজন অবৈধ সুৰা ব্যৱসায়ীয়ে। এইক্ষেত্ৰত ৰাইজে অভিযোগ কৰি কয় যে এই অবৈধ সুৰা ব্যৱসায় বন্ধ কৰিবলৈ আজিলৈকে সফল নহ'ল গহপুৰ আবকাৰী বিভাগ। নিয়ম মাফিক মাজে মাজে আবকাৰীৰ দল আহে যদিও ৰহস্যজনক কাৰণত সুৰা সমূহ উদ্ধাৰ কৰিব নোৱাৰে। আবকাৰী দল ওভতাৰ পিছতে আকৌ ৰমৰমীয়া ব্যৱসায় আৰম্ভ হৈ যায় অৰুণাচলী সুৰাৰ। এনেদৰে অৰুনাচলী সুৰাৰ অবাধ প্ৰচলন বন্ধ কৰিব নোৱাৰিলে একাংশ যুৱক ধ্বংসৰ দিশে গতি কৰিব বুলি মন্তব্য কৰিছে স্থানীয় সচেতন ৰাইজে। ইমান এটা বিয়াগোম আবকাৰী বিভাগ থাকোঁতে কেনেকৈ অবৈধ অৰুনাচলী সুৰা বিক্ৰীবলৈ সাহ কৰে ইও এক আশ্চৰ্যজনক বিষয় হিচাপে পৰিগণিত হৈছে। উল্লেখযোগ্য যে এইবিষয়ে সংবাদ মাধ্যমত প্ৰকাশ পোৱা এটা তথ্য সমৃদ্ধ বাতৰিৰ ভিত্তিত কেইদিনমান পূৰ্বে উক্ত বাকৰী দলনী অঞ্চলত অৰুণাচলী সুৰাৰ বিৰুদ্ধে গহপুৰ আবকাৰীয়ে এক অভিযান ( ? ) চলাইছিল যদিও পৰৱৰ্তী সময়ত উক্ত অভিযান গালো বালো খোলাকটিৰ তালত পৰিণত হয়।

# নেপালীখুঁটিত পূৱ মাজুলী মহাবিদ্যালয়ৰ বান সাহায্য বিতৰণ

**অসম বাৰ্তা, উজনী মাজুলী, ৪ আগষ্ট ঃ** পূব মাজুলী মহাবিদ্যালয়ৰ কৰ্তৃপক্ষৰ উদ্যোগত, মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি গোট, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় অধ্যয়ন কেন্দ্ৰ, ছাত্ৰ একতা সভা আৰু আঞ্চলিক ৰাইজৰ সহযোগত কালি বিগত বানপানীয়ে উচন কৰা শিবসাগৰ জিলাৰ নেপালীখুটী আৰু কাষৰীয়া ক্ষতিগ্ৰস্ত অঞ্চলৰ ২০০টা পৰিয়ালৰ মাজত খাদ্য-সামগ্ৰী, বস্ত্ৰ, কলম- বহী, ফেনাইল, ব্লিচিং পাউদাৰ আৰু খোৱা পানীৰ একোটাকৈ টোপোলা প্ৰদান কৰে। দলটোত যোৱা ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ সদস্যসকলে বিধবস্ত নেপালীখুঁটিৰ বাট-পথ আৰু ঘৰ-বাৰীত ব্লিচিং পাউদাৰ আৰু ফেনাইল চটিয়াই পৰিবেশটো প্ৰদূষণ মুক্ত কৰাৰ চেষ্টা কৰে। মহাবিদ্যালয় খনৰ অধ্যক্ষ দিপক বৰাৰ নেতৃত্বত যোৱা দলটোত, জ্যেষ্ঠ সহকাৰী অধ্যাপক গিৰিশ চন্দ্ৰ ওজা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় অধ্যয়ন কেন্দ্ৰৰ সমন্বয়ক দিজেন কুমাৰ শইকীয়া, ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ কাৰ্যক্ৰম বিষয়া উত্তম শইকীয়া, সহকাৰী অধ্যাপক মানস জ্যোতি বৰা, সহকাৰী গ্ৰন্থাগাৰিক গৌতম শইকীয়া, জ্যেষ্ঠ কাৰ্যালয় সহায়ক কৃষ্ণ বৰা, কনিষ্ঠ কাৰ্যালয় সহায়ক অৰূপ দত্ত, ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক দিপাংকৰ প্ৰদীপ বৰা, প্ৰাক্তন সাধাৰণ সম্পাদক গৌতম বৰাৰ লগতে সাতজনীয়া এটি ছাত্ৰৰ দলে সহযোগিতা আগবঢ়ায়।

# গোসাঁইগাঁও জিলা ক্ৰীড়া সন্থাৰ অধীনত কাশিয়াবাৰী জ'ন-বি ডিভিজন আন্তঃক্লাব ফুটবল লীগৰ ফাইনেল সম্পন্ন



**অসম বাৰ্তা, শ্ৰীৰামপুৰ, ৪ আগষ্ট ঃ** গোসাঁইগাঁও জিলা ক্ৰীড়া সন্থাৰ অধীনত আয়োজিত কাশিয়াবাৰী জ'ন-বি ডিভিজন আন্তঃক্লাব ফুটবল লীগৰ বহু প্ৰতীক্ষিত ফাইনেল খেল কাশিয়াবাৰী আৰোনাই খেলপথাৰত উৎসাহ-উদ্দীপনাৰ মাজেৰে অনুষ্ঠিত হয়। ফাইনেল খেলত তুফান এফ চিয়ে গোলাপ এফ চিক ৮-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰি শিৰোনাম দখল কৰে। খেলৰ আৰম্ভণিৰে পৰাই তুফান এফ চিয়ে ভাল খেল প্ৰদৰ্শন কৰি একৰ পিছত আন এক গ'ল আদায় কৰে। আনফালে, গোলাপ এফ চিয়ে এখন গ'ল পৰিশোধ কৰিলেও খেলখনত ঘূৰি আহিব নোৱাৰিলে। সমগ্ৰ খেলখনত দুয়োটা দলেই ক্ৰীড়াসুলভ মনোভাৱেৰে প্ৰতিদ্বন্দ্বিতা আগবঢ়ায়। খেলপথাৰত উপস্থিত শতাধিক ফুটবলপ্ৰেমীয়ে দুয়োটা দলক উৎসাহিত কৰাৰ লগতে খেলখনৰ প্ৰতিটো মুহূৰ্ত উপভোগ কৰে। লীগখনৰ আৰম্ভণিৰে পৰা বিভিন্ন ক্লাবে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰি অঞ্চলটোৰ ফুটবল সংস্কৃতিক অধিক শক্তিশালী কৰি তুলিছে। ফাইনেল খেলৰ অন্তত অনুষ্ঠিত বঁটা বিতৰণী অনুষ্ঠানত বিজয়ী তুফান এফ চি আৰু ৰানাৰ্ছ-আপ গোলাপ এফ চিক ট্ৰফী আৰু পুৰস্কাৰ প্ৰদান কৰা হয়। অনুষ্ঠানত গোসাঁইগাঁও জিলা ক্ৰীড়া সন্থাৰ সাধাৰণ সম্পাদক ধ্ৰুৱ কুমাৰ নাৰ্জাৰী, ৪নং যোমদুৱাৰ পৰিষদীয় সমষ্টিৰ পাৰিষদ উইলিয়াম নাৰ্জাৰী, কোকৰাঝাৰ জিলা বিজেপিৰ সম্পাদক ৰাহুল নাৰ্জাৰী, গোসাঁইগাঁও পৌৰসভাৰ সভাপতি নৰপতি ব্ৰহ্ম, সমাজৰ বিশিষ্ট ব্যক্তি তথা বহু ক্ৰীড়াপ্ৰেমী উপস্থিত থাকে। আয়োজকসকলে জানিবলৈ দিয়ে যে, এনে প্ৰতিযোগিতাই গ্ৰাম্যাঞ্চলৰ প্ৰতিভাৱান খেলুৱৈসকলক নিজৰ প্ৰতিভা বিকাশৰ এক সুন্দৰ মঞ্চ প্ৰদান কৰাৰ লগতে অঞ্চলটোৰ ফুটবলৰ সামগ্ৰিক বিকাশত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে।

# গৰেমাৰী আয়ুস্মান আৰোগ্য মন্দিৰত ১২ দিনে বিদ্যুৎ বিছিন্ন, স্বাস্থ্যসেৱা ব্যাহত, প্ৰচণ্ড গৰমত ৰোগীৰ হাহাকাৰ

**অসম বাৰ্তা, জনীয়া, ৪ আগষ্ট ঃ** বৰপেটা জিলাৰ মন্দিয়া সমষ্টিৰ গৰেমাৰীস্থিত আয়ুস্মান আৰোগ্য মন্দিৰত বিগত ১২ দিন ধৰি ট্ৰেন্সফৰ্মাৰ বিকল হৈ বিদ্যুৎ সংযোগ বিচ্ছিন্ন হৈ থকাৰ ফলত স্বাস্থ্যসেৱা ব্যৱস্থা ভয়ংকৰভাৱে ব্যাহত হৈছে। উল্লেখযোগ্য যে ২৪ জুলাইৰ পৰা আজিলৈকে প্ৰায় ১২ দিনে বন্ধ হৈ আছে বিদ্যুত সেৱা। বিদ্যুতৰ অভাৱত লেবৰটৰীত ৰোগ নিৰ্ণয়ৰ বাবে প্ৰয়োজনীয় বিভিন্ন পৰীক্ষা-নিৰীক্ষা বন্ধ হৈ পৰিছে। প্ৰতিদিনে স্বাস্থ্য কেন্দ্ৰটোলৈ চিকিৎসা গ্ৰহণ কৰিবলৈ অহা শতাধিক ৰোগী প্ৰচণ্ড গৰম আৰু নানা সমস্যাৰ সন্মুখীন হ'বলগীয়া হৈছে। জানিব পৰা মতে, বিদ্যুৎ নাথকাৰ ফলত লেবৰেটৰীত বিভিন্ন ৰোগ নিৰ্ণয়ক পৰীক্ষা সম্পন্ন কৰিব পৰা নাই। লগতে কম্পিউটাৰত চিকিৎসা তথ্য, ভেকচিন সংৰক্ষণ আদি কামো ব্যাহত হৈছে। গৰমৰ মাজত বৈদ্যুতিক পাংখা আৰু অন্যান্য সা-সুবিধা নথকাত ৰোগী, গৰ্ভৱতী মহিলা, শিশু আৰু জ্যেষ্ঠ নাগৰিকসকলে অধিক কষ্ট ভুগিবলগীয়া হৈছে। স্থানীয় ৰাইজে অভিযোগ কৰে যে, বৰপেটা যুটীয়া স্বাস্থ সঞ্চালকক কথাটো অৱগত কৰাৰ পিছতো প্ৰায় ১২ দিনে কোনো ব্যৱস্থা নকৰাৰ অভিযোগ। ইপিনে ট্ৰেন্সফৰ্মাটো চিকিৎসালয়ৰ নামত ব্যক্তিগত ভাৱে থকাত বৰপেটা ৰোড বিদ্যুৎ সংমণ্ডলেও বিষয়টোত কোনো ধৰণৰ গুৰুত্ব নিদিয়াৰ অভিযোগ। ফলত প্ৰতিদিনে চিকিৎসাৰ বাবে অহা সাধাৰণ ৰোগীসকলে মৌলিক স্বাস্থ্যসেৱাৰ পৰা বঞ্চিত হ'ব লগা হৈছে। ৰাইজে অতি শীঘ্ৰে বিদ্যুৎ সংযোগ পুনৰ স্থাপন কৰি আয়ুস্মান আৰোগ্য মন্দিৰত স্বাভাৱিক স্বাস্থ্যসেৱা সুনিশ্চিত কৰিবলৈ জিলা যুটীয়া স্বাস্থ্য সঞ্চালক আৰু স্বাস্থ্য বিভাগৰ উৰ্ধ্বতন কৰ্তৃপক্ষ, স্থানীয় বিধায়ক শ্বেৰমান আলী আহম্মেদৰ ওচৰত জোৰ দাবী জনাইছে। স্বাস্থ্য কেন্দ্ৰৰ দৰে অতি গুৰুত্বপূৰ্ণ প্ৰতিষ্ঠানত ইমান দিন ধৰি বিদ্যুৎ নথকাটো অত্যন্ত দুৰ্ভাগ্যজনক আৰু স্বাস্থ্য বিভাগৰ দায়িত্বহীনতা বুলি আখ্যা দিয়ে স্থানীয় ৰাইজে।

**বানপীড়িত অঞ্চলত প্লাষ্টিক জাতীয় সামগ্ৰীৰ চাফাই অভিযান**

# সমাজকৰ্মী জগন্নাথ অগ্নি বৰাৰ ব্যতিক্ৰমি পদক্ষেপ

**অসম বাৰ্তা, নকছাৰি, ৪ আগষ্ট ঃ** যোৰহাটৰ এগৰাকী সমাজকৰ্মী জগন্নাথ অগ্নি বৰাৰ এক ব্যতিক্ৰমী কাৰ্যই ৰাইজৰ সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে। উল্লেখযোগ্য যে সমাজকৰ্মী গৰাকীয়ে নিজা প্ৰচেষ্টাৰে বানপীড়িত অঞ্চল সমূহৰ পদ পথৰ কাষত আৰু আশ্ৰয় শিবিৰৰ বানাক্ৰান্ত ৰাইজে বিশুদ্ধ খোৱা পানী সেৱনৰ পাছত পেলাই দিয়া প্লাষ্টিকৰ পানী বটল, অন্যান্য প্লাষ্টিক জাতীয় সামগ্ৰী চাফাই কৰি গাড়ীত স্বচ্ছভাৰত অভিযান গ্ৰামীণৰ আৱৰ্জনা মজুত কেন্দ্ৰ লৈ কহিয়াই নিয়ে। সমাজকৰ্মী গৰাকীয়ে ২ আগষ্টত যুৱ কৰ্মী ভাস্কৰ দত্তৰ সহযোগত উত্তৰ পশ্চিম অঞ্চলৰ এলেংমৰা বান অধ্যুষিত বৰ আহোম চুক, সন্দিকৈ চুক, নলিনী খাট শ'লমৰা আদি এলেকাত য'ত তত সিঁচৰতি হৈ থকা প্লাষ্টিক জাতীয় সামগ্ৰী চাফাই কাৰ্যসূচী ৰূপায়ণ কৰে। বৰ্তমান সেই অঞ্চল সমূহত বানপানী বিভিষিকাময় এলেকাত বিশুদ্ধ খোৱা পানী অভাৱ হোৱাৰ প্ৰতি লক্ষ্য ৰাখি বিভিন্ন দল, সংগঠন, স্বেচ্ছাসেৱী সংগঠনে হাজাৰ হাজাৰ খোৱা পানী বটল সহ ৰাইজক যোগান ধৰিছে। এই প্লাষ্টিক জাতীয় পানী বটল সমূহ ব্যৱহাৰৰ পাছত বানাক্ৰান্ত ৰাইজে য'ত তত পেলাব লগীয়া হোৱাত স্বচ্ছভাৰত অভিযান গ্ৰামীণৰ যোগেদি পৰিৱেশৰ কোনো ক্ষতি নোহোৱাকৈ সংৰক্ষিত কৰি ৰাখিবলৈও সমাজ কৰ্মী গৰাকীয়ে ৰাইজক আহ্বান জনায়। এই চাফাই কাৰ্যসূচীত প্ৰায় পঞ্চাশ কিলোগ্ৰামৰো অধিক প্লাষ্টিক জাতীয় সামগ্ৰী সংগ্ৰহ কৰি নিৰ্দিষ্ট আৱৰ্জনা মজুত কেন্দ্ৰ লৈ নিজা প্ৰচেষ্টাৰে কহিয়াই আনে।

# শিৱসাগৰ খনামুখত বানাক্ৰান্তলৈ ১০ হেজাৰ টকাৰ ফেনাইল বিতঁৰণ

**অসম বাৰ্তা, বেবেজীয়া, ৪ আগষ্ট ঃ** নগাঁৱৰ সামাজিক আৰু সাংস্কৃতিক অনুষ্ঠান মধ্য অসম ৰেডিঅ' শ্ৰোতা সংঘই উজনি অসমৰ শিৱসাগৰ জিলাৰ খনামুখৰ বানাক্ৰান্তৰ মাজত ১০ হেজাৰ টকাৰ ফেনাইলৰ বটল বিতঁৰণ কৰে। প্ৰলয়ংকাৰী বানত সৰ্বশ্ৰান্ত হোৱা বানাক্ৰান্ত ৰাইজলৈ শ্ৰোতা সংঘৰ তৰফৰ পৰা আগবঢ়োৱা হয় মুঠ ১০ হেজাৰ টকাৰ ফেনাইলৰ বটল। ডিজিটেল মাধ্যম যোগে মধ্য অসম ৰেডিঅ' শ্ৰোতা সংঘৰ তৰফৰ পৰা ধনৰাশি শিৱসাগৰৰ এখন বিপনীলৈ প্ৰেৰণ কৰাৰ পিছত, সেই ধনৰে ফেনাইল বটলসমূহ দিখৌমুখৰ বানাক্ৰান্তক বিলাই দিয়ে সেই অঞ্চলৰ অধ্যক্ষ বিপ্লৱ মহন্ত, বিজন গগৈ, মণিষা বৰুৱা, জিতু বৰুৱাই। উল্লেখ্য যে শ্ৰোতা সংঘই বিভিন্নজন ব্যক্তিৰ পৰা এই ধনৰাশি সংগ্ৰহ কৰি দুটা পৰ্যায়ত বানাক্ৰান্ত সকলক সহায়ৰ হাত আগবঢ়ায়। নগাঁৱৰ বিভিন্নজন ব্যক্তিৰ পৰা ধনৰাশি সংগ্ৰহত আগভাগ লৈছিল মধ্য অসম শ্ৰোতা সংঘৰ মুখ্য সঞ্চালক কিৰণ চন্দ্ৰ নাথ, সঞ্চালক ৰাহুল দেৱ বৰদলৈ, উপদেষ্টা মিলেশ্বৰ ডেকা আৰু সদস্য বিমান মজুমদাৰে। শ্ৰোতা সংঘৰ তৰফৰ পৰা এই কথাও জনোৱা হয় যে পৰৱৰ্তী সময়ত বানাক্ৰান্ত অঞ্চলৰ ছাত্ৰ-ছাত্ৰী সকলৰ বিদ্যায়তনিক সজুঁলি বিতঁৰনৰ ব্যৱস্থা কৰা হ'ব।

# বগীবিল দলঙৰ পৰা মথাউৰি হৈ মাজুলীলৈ অহা পথত সুৰক্ষাৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী আছুৰ

**মাজুলী জিলা আয়ুক্তলৈ স্মাৰক পত্ৰ**

**অসম বাৰ্তা, উজনী মাজুলী, ৪ আগষ্ট ঃ** সদৌ মাজুলী জিলা ছাত্ৰ সন্থাৰ এটি সঁজাতি দলে মাজুলী জিলা আয়ুক্ত আৰু জ্যেষ্ঠ আৰক্ষী অধীক্ষক লৈ পৃথকে পৃথকে স্মাৰক পত্ৰ প্ৰদান কৰিছে। বিশেষকৈ ২ আগষ্ট ২০২৬ তাৰিখে ডিব্ৰুগড়, শিৱসাগৰ, যোৰহাট তিনিচুকীয়া আদিৰ পৰা বগীবিল দলং হৈ বগীবিলৰ পৰা মাজুলী অহা মাথাউৰি পথচোৱাত বিশেষকৈ নিশাৰ ভাগত গাড়ীলৈ শিলগুটি দলিওৱা, গাড়ী আগভেটি ধৰা, ৰাস্তাৰ মাজত ৰৈ থকা গাড়ী ৰখাবলৈ চেষ্টা কৰা কোনো অচিনাকি লোকে ঘটনা সংঘটিত কৰাৰ সন্দেহ প্ৰকাশ কৰি স্মাৰক পত্ৰ প্ৰদান কৰা হয়। জিলা ছাত্ৰ সন্থাৰ সভাপতি প্ৰাঞ্জল শইকীয়া আৰু সাধাৰণ সম্পাদক দিপাংকৰ ৰাজখোৱা নেতৃত্বত যোৱা দল টি উপস্থিত থাকে সদৌ অসম ছাত্ৰ সন্থাৰ সাংস্কৃতিক সম্পাদক বিতোপন শৰ্মা, কেন্দ্ৰীয় কাযনিৰ্বাহক সদস্য ৰংগৰস মহন্ত, জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা সূৰ্যকুমাৰ ভূএগ আৰু পবিত্ৰ গোস্বামী। ছাত্ৰ সন্থাৰ দাবী সমূহ হল, বগীবিলৰ পৰা মাজুলীলৈ অহা মাথাউৰি পথচোৱাত মাজুলী, ধেমাজি আৰু লখিমপুৰ জিলা প্ৰশাসনৰ যৌথ উদ্যোগত নিয়মীয়াকৈ আৰক্ষীৰ তহলদাৰী দলৰ দ্বাৰা নিৰীক্ষণৰ ব্যৱস্থা কৰা, উক্ত পথচোৱাত পথৰ দুইকাষে থকা ঘন হাবি বোৰ সংশ্লিষ্ট বিভাগৰ দ্বাৰা চাফা ৰখাৰ ব্যৱস্থা গ্ৰহণ কৰক। যাতে সেই হাবি আশ্ৰয় লৈ কোনো দুৰ্বৃত্তই পথচাৰীক আক্ৰমণ কৰিব নোৱাৰে। উক্ত পথচোৱাত বিভাগীয় কৰ্তৃপক্ষৰ জৰিয়তে প্ৰয়োজনীয় স্থানত ষ্ট্ৰিক লাইটৰ ব্যৱস্থা কৰা সমান্তৰাল ভাবে উক্ত পথচোৱাত বিশেষকৈ নিশাৰ ভাগত পোহনীয়া জীৱ জন্তু বোৰ মুকলিকৈ এৰি নাৰাখিব বাবে বিভাগত নিৰ্দেশনা জাৰি কৰা ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনোৱা হয়।

# গোসাঁইগাঁৱত দুৰ্ঘটনা-প্ৰৱণ স্থান চিনাক্ত; প্ৰতিৰোধমূলক ব্যৱস্থাত কোকৰাঝাৰ জিলা প্ৰশাসন

**অসম বাৰ্তা, গোসাঁইগাঁও,** কোকৰাঝাৰ জিলাৰ মাজেৰে অতিক্ৰম কৰা ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত সঘনাই সংঘটিত হৈ থকা পথ দুৰ্ঘটনা ৰোধৰ লক্ষ্যৰে দুৰ্ঘটনা-প্ৰৱণ স্থানসমূহ পৰিদৰ্শন কৰি বাস্তৱ পৰিস্থিতিৰ বুজ লয় কোকৰাঝাৰ জিলা প্ৰশাসনে। জিলাখনৰ বিষমুৰীৰ পৰা গোসাঁইগাঁও মহকুমাৰ অসম-বংগ সীমান্তৱৰ্তী শ্ৰীৰামপুৰলৈকে বিস্তৃত কেইবাটাও স্থানত দীৰ্ঘদিন ধৰি সঘনাই পথ দুৰ্ঘটনা সংঘটিত হৈ আহিছে। এই দুৰ্ঘটনাসমূহত বহু নিৰীহ লোকে প্ৰাণ হেৰুৱোৱাৰ লগতে বহু লোক আহত হোৱাৰ ঘটনাও সংঘটিত হৈছে। এই পৰিপ্ৰেক্ষিতত কোকৰাঝাৰ জিলাৰ জিলা আয়ুক্ত পংকজ চক্ৰৱৰ্তীৰ নেতৃত্বত আৰক্ষী অধীক্ষক, জিলা পৰিবহণ বিভাগ, গড়কাপ্তানী বিভাগ আৰু ৰাষ্ট্ৰীয় ঘাই পথ প্ৰাধিকৰণৰ বিষয় ববীয়াসকলৰ এটা উচ্চপৰ্যায়ৰ দলে দুৰ্ঘটনা-প্ৰৱণ অঞ্চলসমূহ পৰিদৰ্শন কৰে। পৰিদৰ্শনকালত দলটোৱে দুৰ্ঘটনাৰ মূল কাৰণসমূহ বাস্তৱভাৱে পৰ্যালোচনা কৰাৰ লগতে স্থানীয় বাসিন্দাসকলৰ সৈতে মত-বিনিময় কৰি প্ৰয়োজনীয় তথ্য সংগ্ৰহ কৰে। ইয়াৰ উপৰিও পথ সুৰক্ষা সম্পৰ্কে জনসাধাৰণৰ মাজত সজাগতা বৃদ্ধি কৰাৰ ওপৰতো বিশেষ গুৰুত্ব আৰোপ কৰা হয়। জিলা আয়ুক্ত পংকজ চক্ৰৱৰ্তীয়ে কয় যে দুৰ্ঘটনা-প্ৰৱণ স্থানসমূহত প্ৰয়োজনীয় সুৰক্ষা ব্যৱস্থা গ্ৰহণ কৰি পথ ব্যৱহাৰকাৰীৰ জীৱন আৰু সম্পত্তিৰ সুৰক্ষা নিশ্চিত কৰাৰ বাবে প্ৰশাসনে সংশ্লিষ্ট বিভাগসমূহৰ সৈতে সমন্বয় ৰক্ষা কৰি শীঘ্ৰেই কাৰ্যকৰী পদক্ষেপ গ্ৰহণ কৰিব। আনহাতে ৰাষ্ট্ৰীয় ঘাই পথ প্ৰাধিকৰণৰ বিষয় ববীয়াসকলেও চিনাক্ত কৰা দুৰ্ঘটনা-প্ৰৱণ স্থানসমূহত প্ৰয়োজনীয় আন্তঃগাঁথনি উন্নয়ন, সতৰ্কীকৰণ চিহ্ন, গতিনিয়ন্ত্ৰণ ব্যৱস্থা আৰু অন্যান্য সুৰক্ষামূলক পদক্ষেপ গ্ৰহণ কৰাৰ আশ্বাস প্ৰদান কৰে।

# যোৰহাট আৰ্ৱত ভৱন সভাকক্ষত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ বান-প্ৰভাৱিত বিদ্যালয়সমূহৰ ক্ষয়-ক্ষতিৰ পৰ্যালোচনা

**অসম বাৰ্তা, নকছাৰি, ৪ আগষ্ট ঃ** আজি যোৰহাট আৰ্ৱত ভৱনৰ সভা কক্ষত অসম চৰকাৰৰ শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু ডাঙৰীয়াৰ পৌৰোহিত্যত এক গুৰুত্বপূৰ্ণ পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। শেহতীয়া বানপানীৰ ফলত জিলাখনৰ বিদ্যালয়সমূহত পৰা প্ৰভাৱৰ মূল্যায়ন কৰাৰ উদ্দেশ্যে শিক্ষা বিভাগৰ বিষয়াসকলৰ সৈতে এই বৈঠকখন অনুষ্ঠিত কৰা হয়। বৈঠকত মাননিয় মন্ত্ৰীগৰাকীয়ে জিলাখনৰ বান-ক্ষতিগ্ৰস্ত বিদ্যালয় আৰু মহাবিদ্যালয়সমূহৰ এক সঠিক তথ্যভিত্তিক প্ৰতিবেদন উপস্থাপন কৰিবলৈ নিৰ্দেশ দিয়ে, যাতে পুনৰুদ্ধাৰৰ কাম-কাজ ক্ষিপ্ৰতাৰে আৰম্ভ কৰিব পৰা যায় আৰু কোনো বিদ্যালয় যাতে বাদ পৰি ৰৈ নাযায়। ইয়াৰ উপৰিও, বিদ্যালয়সমূহৰ পুনৰুদ্ধাৰ কৰাৰ লগতে শিক্ষাৰ পৰিৱেশ ক্ষিপ্ৰতাৰে স্বাভাৱিক অৱস্থালৈ ঘূৰাই অনাৰ বাবে এক সঠিক কৰ্মপন্থা হাতত ল'বলৈ তেওঁ সংশ্লিষ্ট বিষয়াসকলক পৰামৰ্শ দিয়ে। বৈঠকত তেওঁ বিদ্যালয সমূহৰ শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত সঠিক পদ যুক্তিসংগতকৰণ (Rationalisation) সুনিশ্চিত কৰিবলৈ শিক্ষা বিভাগক নিৰ্দেশ প্ৰদান কৰে। উক্ত বৈঠকত যোৰহাট সমষ্টিৰ মাননিয় বিধায়ক হিতেন্দ্ৰ নাথ গোস্বামী, মৰিয়নি সমষ্টিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মী, তিতাবৰ সমষ্টিৰ বিধায়ক ধীৰাজ গোৱালা, টীয়ক সমষ্টিৰ বিধায়ক বিকাশ শইকীয়া, যোৰহাটৰ জিলা আয়ুক্ত জয় শিৱানী, টীয়কৰ সম-জিলা আয়ুক্ত তথা অতিৰিক্ত জিলা আয়ুক্ত (শিক্ষা), মৰিয়নিৰ সম-জিলা আয়ুক্ত, তিতাবৰৰ সম-জিলা আয়ুক্ত তথা জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ মুখ্য কাৰ্যবাহী বিষয়া, জিলা বিদ্যালয়সমূহৰ পৰিদৰ্শক, অসম উদ্যোগিক আন্তঃগাঁথনি উন্নয়ন নিগমৰ সভাপতি, যোৰহাট উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ, যোৰহাট জিলা পৰিষদৰ সভাপতি, চক্ৰ বিষয়াসকল, সহকাৰী জিলা আয়ুক্তসকলৰ লগতে অন্যান্য সংশ্লিষ্ট বিষয়াসকল উপস্থিত থাকে।

# কোকৰাঝাৰত "মোৰ ৰেচম, মোৰ অভিমান ২.০" চেৰিকালচাৰ প্ৰযুক্তি হস্তান্তৰ অভিযানত উপস্থিত ই.এম. কৰ্মেশ্বৰ ৰায়

**অসম বাৰ্তা, কোকৰাঝাৰ, ৪ আগষ্ট ঃ** ভাৰত চৰকাৰৰ বস্ত্ৰ মন্ত্ৰালয়ৰ অধীনস্থ কেন্দ্ৰীয় ৰেচম ব'ৰ্ডৰ উদ্যোগত, চেৰিকালচাৰ সঞ্চালকালয়, আদাবাৰী, কোকৰাঝাৰ আৰু মুগা-এৰি ৰেচম পলু বীজ সংস্থা (P3 ইউনিট), কোৱাবিল, কোকৰাঝাৰৰ সহযোগত "মোৰ ৰেচম, মোৰ গৌৰৱ ২.০ -চেৰিকালচাৰ প্ৰযুক্তি হস্তান্তৰ অভিযান" শীৰ্ষক কাৰ্যসূচী ৭ম অসম আৰক্ষী বেটেলিয়ন (APBN)ৰ মুখ্য কাৰ্যালয়, চৰাইখোলাত অনুষ্ঠিত হয়। অনুষ্ঠানত বিটিচিৰ ৰেচম বিভাগৰ কাৰ্যবাহী সদস্য (ই এম) কৰ্মেশ্বৰ ৰায়, কোকৰাঝাৰ জিলাৰ উপায়ুক্ত শ্ৰী পংকজ চক্ৰৱৰ্তী, ৭ম অসম আৰক্ষী বেটেলিয়নৰ কমাণ্ডেণ্ট শ্ৰীমতী সুপ্ৰিয়া দাস, কেন্দ্ৰীয় ৰেচম ব'ৰ্ড, গুৱাহাটীৰ সঞ্চালক ড° মহেশ্বৰী, কেন্দ্ৰীয় ৰেচম ব'ৰ্ডৰ বিজ্ঞানী-'বি' শ্ৰীমতী সুৰক্ষা চানোত্ৰা, চেৰিকালচাৰ সঞ্চালকালয়ৰ সঞ্চালিকা শ্ৰীমতী ভানুলতা মুছাহাৰী, ৭ম APBNৰ বিষয়াবৰ্গৰ লগতে চেৰিকালচাৰ বিভাগৰ আন বহু বিষয়া-কৰ্মচাৰী উপস্থিত থাকে। অনুষ্ঠানত চেৰিকালচাৰ খণ্ডত আধুনিক প্ৰযুক্তিৰ প্ৰয়োগ, প্ৰযুক্তি হস্তান্তৰ আৰু ৰেচম খেতিয়কসকলক অধিক সবল কৰাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হয়। বক্তাসকলে বহনক্ষম জীৱিকাৰ বিকাশ, ৰেচম উৎপাদনৰ মান উন্নয়ন, উদ্ভাৱনীমূলক প্ৰযুক্তিৰ ব্যৱহাৰ আৰু ভাৰতৰ সমৃদ্ধ ৰেচম ঐতিহ্য সংৰক্ষণৰ প্ৰয়োজনীয়তাৰ ওপৰত আলোকপাত কৰে। লগতে কৃষক সমাজৰ আৰ্থ-সামাজিক উন্নয়নৰ স্বাৰ্থত চেৰিকালচাৰ খণ্ডৰ বহনক্ষম বিকাশ নিশ্চিত কৰাৰ ক্ষেত্ৰত সমূহীয়া অংগীকাৰ পুনৰ ব্যক্ত কৰা হয়।

# বৰপেটা জিলাৰ ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক ঘাইপথত ই-ৰিস্কা চলাচলৰ নিষেধাজ্ঞা প্ৰত্যাহাৰৰ দাবীত নিত্যানন্দ বজাৰত উত্তাল প্ৰতিবাদ

**অসম বাৰ্তা, কুমুল্লী পৰা, ৪ আগষ্ট ঃ** বৰপেটা জিলাৰ ৰাষ্ট্ৰীয় ঘাইপথ আৰু ৰাজ্যিক ঘাইপথসমূহত ই-ৰিস্কা চলাচলৰ ওপৰত আৰোপ কৰা নিষেধাজ্ঞা প্ৰত্যাহাৰৰ দাবীত দেওবাৰে নিত্যানন্দ বজাৰ অঞ্চলত এক উত্তাল প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰা হয়। প্ৰতিবাদকাৰীসকলে নিষেধাজ্ঞাৰ ফলত শতাধিক ই-ৰিস্কা চালক আৰু তেওঁলোকৰ পৰিয়ালৰ জীৱিকা গভীৰ সংকটৰ সন্মুখীন হোৱা বুলি অভিযোগ উত্থাপন কৰে। প্ৰতিবাদকাৰীসকলে বিভিন্ন শ্লোগানেৰে পৰিৱেশ উত্তাল কৰি তোলে আৰু চৰকাৰ তথা জিলা প্ৰশাসনক এই সিদ্ধান্ত পুনৰ বিবেচনা কৰাৰ আহ্বান জনায়। তেওঁলোকৰ বক্তব্য অনুসৰি, ই-ৰিস্কা চলাচল বন্ধ হোৱাৰ ফলত বহু পৰিয়ালৰ নিয়মীয়া উপাৰ্জনৰ পথ বন্ধ হৈ পৰিছে। সেয়ে চালকসকলৰ জীৱিকা সুৰক্ষিত ৰাখিবলৈ বিকল্প ব্যৱস্থা গ্ৰহণ অথবা নিষেধাজ্ঞা প্ৰত্যাহাৰ কৰাৰ দাবী জনোৱা হয়। প্ৰতিবাদকাৰীসকলে লগতে কয় যে, পথ-সুৰক্ষা নিশ্চিত কৰাৰ লক্ষ্য থাকিলেও, জীৱিকাৰ সৈতে জড়িত বিষয়সমূহৰ প্ৰতিও চৰকাৰৰ সংবেদনশীল দৃষ্টিভংগী থকাটো প্ৰয়োজন। তেওঁলোকে আলোচনাৰ জৰিয়তে সকলো পক্ষৰ বাবে গ্ৰহণযোগ্য সমাধান উলিয়াবলৈ আহ্বান জনায়। উল্লেখ্য যে, বৰপেটা জিলাৰ ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক ঘাইপথত ই-ৰিস্কা চলাচলৰ ক্ষেত্ৰত নিষেধাজ্ঞা জাৰি কৰাৰ পিছৰে পৰা বিভিন্ন অঞ্চলত চালকসকলৰ মাজত অসন্তুষ্টি বৃদ্ধি পাইছে। নিত্যানন্দ বজাৰৰ এই প্ৰতিবাদে সেই অসন্তুষ্টিৰেই এক স্পষ্ট বহিৰ্প্ৰকাশ বুলি স্থানীয় মহলে মত প্ৰকাশ কৰিছে।

### মৈৰামাৰা গাঁৱৰ যুৱক-যুৱতীৰ মানৱীয় পদক্ষেপক ব্যাপক সঁহাৰি

# উজনি অসমৰ বানাক্ৰান্ত লোকসকলৰ সহায়ত হাউলীত দান-বৰঙণি সংগ্ৰহ অভিযান

**অসম বাৰ্তা, কুমুল্লী পাৰা, হাউলী, ৪ আগষ্ট ঃ** উজনি অসমৰ শেহতীয়া ভয়াবহ বানপানীত ক্ষতিগ্ৰস্ত লোকসকলৰ সহায়ৰ উদ্দেশ্যে আজি সন্ধিয়া বৰপেটা জিলাৰ হাউলী চহৰত এক দান-বৰঙনি সংগ্ৰহ অভিযান চলোৱা হয়। মৈৰামাৰা গাঁৱৰ একদল যুৱক-যুৱতীৰ উদ্যোগত আয়োজন কৰা এই মানৱীয় কাৰ্যসূচীয়ে স্থানীয় ৰাইজৰ মাজত ব্যাপক সঁহাৰি লাভ কৰে। অভিযানৰ সময়ত যুৱক-যুৱতীসকলে হাউলীৰ বিভিন্ন ব্যৱসায়িক প্ৰতিষ্ঠান, বজাৰ এলেকা আৰু সাধাৰণ লোকৰ কাষ চাপি বানাক্ৰান্ত লোকসকলৰ বাবে স্বেচ্ছাই আৰ্থিক সহায় আগবঢ়াবলৈ আহ্বান জনায়। বহু দানশীল ব্যক্তি, ব্যৱসায়ী আৰু সচেতন নাগৰিকে আন্তৰিকতাৰে এই উদ্যোগত অংশগ্ৰহণ কৰি সামৰ্থ্য অনুসৰি সহায় আগবঢ়ায়। আয়োজকসকলে জানিবলৈ দিয়ে যে, সংগৃহীত ধন-সামগ্ৰী স্বচ্ছ আৰু জবাবদিহিমূলক পদ্ধতিৰে উজনি অসমৰ বানপীড়িত লোকসকলৰ হাতত উপনীত কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব। তেওঁলোকে লগতে সমাজৰ সকলো শ্ৰেণীৰ লোকক এই মানৱীয় প্ৰয়াসত সহযোগিতা আগবঢ়োৱাৰ আহ্বান জনায়। সংকটৰ সময়ত সমাজৰ যুৱ প্ৰজন্মই আগবঢ়োৱা এনে মানৱীয় পদক্ষেপে কেৱল আৰ্থিক সহায়েই নহয়, দুৰ্যোগত জৰ্জৰিত লোকসকলৰ মাজত আশা, সাহস আৰু সামাজিক একতাৰ বাৰ্তাও কঢ়িয়াই আনে বুলি সচেতন মহলে মত প্ৰকাশ কৰিছে।

# শিৱসাগৰ, চৰাইদেউৰ বান পিড়িতক কঠীয়া যোগান অসামৰিক প্ৰতিৰক্ষা বিভাগ, তিনিচুকীয়াৰ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ৪ আগষ্ট ঃ** অসামৰিক প্ৰতিৰক্ষা বিভাগ, তিনিচুকীয়া জিলাৰ উদ্যোগত তিনিচুকীয়া জিলাৰ কৃষকসকলৰ পৰা সংগ্ৰহ কৰি বানপিড়িত ৰাইজলৈ কঠীয়া যোগান ধৰে। তিনিচুকীয়া জিলাৰ শদিয়া, দৈ পাতি নগাঁও, টেলিকলা, অম্বিকাপুৰ, কুকুৰামৰা, ঔফলিয়া, কাকপথাৰ, বৰালি, ৰঙাজান, ৰজাগড় আদি একাধিক অঞ্চলৰ পৰা অসামৰিক প্ৰতিৰক্ষা বিভাগ, তিনিচুকীয়াৰ উদ্যোগত কঠীয়া সংগ্ৰহ অভিযান চলায়। কঠীয়াসমূহ একত্ৰিত কৰাৰ ক্ষেত্ৰত ৱাৰ্ডেন বিদ্যুৎ মহন্ত, ৰাতুল নেওঁগ, ডেমনষ্ট্ৰেটৰ নয়নদ্বীপ নিৰ্মলিয়া আদিয়ে সহযোগিতা কৰে। তিনিচুকীয়া জিলা আয়ুক্ত কাৰ্যালয়ৰ সহযোগত এখন ট্ৰাকত এই কঠীয়াসমূহ একত্ৰিত কৰি আজি যোগান ধৰাৰ ব্যৱস্থা কৰে। অসামৰিক প্ৰতিৰক্ষা বিভাগ, তিনিচুকীয়া জিলাৰ মুখ্য প্ৰতিপালক, শিক্ষাবিদ ড° ৰাজীৱ বৰদলৈ আৰু ভাৰপ্ৰাপ্ত উপ নিয়ন্ত্ৰক ৰূপান্ত সোণোৱালে এই কঠীয়া যোগান ধৰাৰ ব্যৱস্থাপনাৰ নেতৃত্ব দিয়ে। কঠীয়াসমূহ লুৰিনজ্যোতি গগৈৰ যোগেদি শিৱসাগৰ আৰু চৰাইদেউ জিলালৈ প্ৰেৰণ কৰা হয়। অসামৰিক প্ৰতিৰক্ষা বিভাগ, তিনিচুকীয়া জিলাৰ এনে পদক্ষেপক ৰাইজে শলাগ লৈছে। উল্লেখ্যযোগ্য যে, অসামৰিক প্ৰতিৰক্ষা বিভাগ, তিনিচুকীয়াই কিছুদিনৰ পূৰ্বে বান সাহায্য প্ৰদান কৰিছিল।

# গাম্ভীৰ্যপূৰ্ণ কাৰ্যসূচীৰে শতবৰ্ষ গৰকা ঐতিহ্যমণ্ডিত গোলাঘাট জিলা মহিলা সমিতিৰ নৱ-নিৰ্মিত ভৱন শুভ উদ্বোধন



**অসম বাৰ্তা ষ্টাফ ৰিপ'ৰ্টাৰ গোলাঘাট, ৪ আগষ্ট ঃ** শতবৰ্ষ গৰকা গোলাঘাট জিলা মহিলা সমিতিৰ নৱ-নিৰ্মিত ভৱনৰ শুভ উদ্বোধনী অনুষ্ঠান আজি গাম্ভীৰ্যপূৰ্ণ কাৰ্যসূচীৰে অনুষ্ঠিত হৈ যায়। বিধায়ক উন্নয়ন পুঁজিৰ দ্বাৰা অনুষ্ঠানটোৰ দীৰ্ঘদিনীয়া সমস্যা সমাধান কৰি আজি উক্ত ভৱনটো শুভ উদ্বোধন কৰে গোলাঘাট সমষ্টিৰ বিধায়িকা তথা মন্ত্ৰী অজন্তা নেওগে। এই উপলক্ষে গোলাঘাট জিলা মহিলা সমিতিৰ সভানেত্ৰী জুৰি দাস ৰাজখোৱাৰ সভাপতিত্বত আৰু সম্পাদিকা ৰূপা শইকীয়াই আঁত ধৰা উদ্বোধনী অনুষ্ঠানত মন্ত্ৰী অজন্তা নেওগে ভাষণ প্ৰদান কৰি মহিলা সমাজক দক্ষতাৰে বলিষ্ঠ ভূমিকা পালন কৰি সমাজখন শক্তিশালী কৰিবলৈ আহ্বান জনায়। গোলাঘাট জিলা মহিলা সমিতিয়ে গোলাঘাটৰ সমাজ জীৱনত অগ্ৰনী ভূমিকা গ্ৰহণ কৰি অহা বুলি উল্লেখ কৰি আগন্তুক দিন সমূহত অনুষ্ঠানটোৰ প্ৰতি সকলো ধৰণৰ সহায়-সহযোগিতা আগবঢ়াই যাব বুলি প্ৰকাশ কৰে। মন্ত্ৰী অজন্তা নেওগ জিলা মহিলা সমিতি আৰু জিলাখনৰ শাখা সমিতি সমূহে বিপুল সম্বৰ্ধনা জনায়। অনুষ্ঠানত জ্যেষ্ঠ সাংবাদিক, অসম সাহিত্য সভাৰ কেন্দ্ৰীয় বিষয়ববীয়া দিগন্ত কুমাৰ ভূঞা বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি শুভেচ্ছামূলক বক্তব্য আগবঢ়ায়। গোলাঘাট জিলা লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী ড° দীপালী বৰা, লেখিকা অনু তামুলী, সমাজকৰ্মী অজয় আগৰৱালা, ৰাজু আহমেদ, বিবেকা ৰাজখোৱা, জিলা মহিলা সমিতিৰ কাৰ্যকৰী সভাপতি চোহানা আলি আহমেদ, তুল্য কোঁৱৰ, অন্যতম সম্পাদিকা বিভা শইকীয়া আদি অনুষ্ঠানত উপস্থিত থাকে। আৰম্ভণিতে মামণি শইকীয়াৰ নেতৃত্বত আইসকলে পৰিৱেশন কৰা দিহা নামে পৰিৱেশি মুখৰিত কৰি তোলে।

# ৰাজসাহায্যযুক্ত ইউৰীয়া সাৰ মুদ্ৰিত মূল্যতকৈ অধিক মূল্যত বিক্ৰীৰ অভিযোগ

### একাংশ ডীলাৰ-ৰিটেইলাৰৰ বিৰুদ্ধে নিয়ম উলংঘাৰ অভিযোগ

**অসম বাৰ্তা, বৰপেটাৰোড, ৪ আগষ্ট ঃ** বৰপেটা জিলাৰ বিভিন্ন প্ৰান্তত একাংশ সাৰ ডীলাৰ আৰু ৰিটেইলাৰে চৰকাৰী নিয়ম উলংঘা কৰি ৰাজসাহায্যযুক্ত ইউৰীয়া সাৰ নিৰ্ধাৰিত সৰ্বোচ্চ খুচুৰা মূল্য (MRP)তকৈ অধিক দামত বিক্ৰী কৰি থকাৰ অভিযোগ উত্থাপন হৈছে। অভিযোগ অনুসৰি সবিতা বীজ ভাণ্ডাৰ, লুইত এগ্ৰো ছ'চায়িটি, সোণালী কৃষি কেয়াৰ, গ্ৰীণ নাৰ্চ্ছাৰী, কৃষি ছীড চেণ্টাৰ, মাছুদ এগ্ৰো চাৰ্ভিছ আদি সাৰৰ ৰেটেইলাৰে কৃষকৰ বাবে চৰকাৰে ৰাজসাহায্য প্ৰদান কৰা ইউৰীয়া সাৰৰ নিৰ্ধাৰিত মূল্য থকাৰ পিছতো কিছু বিক্ৰেতাই অধিক মূল্য আদায় কৰাৰ লগতে কেতবোৰ ক্ষেত্ৰত আন সাৰ বা কৃষি সামগ্ৰী ক্ৰয় কৰিবলৈও কৃষকক হেঁচা প্ৰয়োগ কৰা বুলিও অভিযোগ উঠিছে। উল্লেখ্য যে, চৰকাৰী নিয়ম অনুসৰি সাহায্যযুক্ত ইউৰীয়া সাৰ কেৱল নিৰ্ধাৰিত MRPতহে বিক্ৰী কৰিব পাৰি। ইয়াতকৈ অধিক মূল্য আদায় কৰা বা বিক্ৰীৰ ক্ষেত্ৰত চৰকাৰী নীতি-নিয়ম উলংঘা কৰাটো আইনবিৰোধী। ইফালে, কৃষকসকলে বিষয়টোৰ ওপৰত জিলা কৃষি বিভাগে তদন্ত চলাই দোষীসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰাৰ দাবী জনাইছে। লগতে, সাহায্যযুক্ত সাৰৰ সঠিক মূল্যত যোগান নিশ্চিত কৰাৰ বাবেও সংশ্লিষ্ট বিভাগৰ হস্তক্ষেপ বিচাৰিছে।

### ফ'গিঙৰ ব্যৱস্থা মেলেৰিয়া বিভাগৰ

# গহপুৰত ডেংগু ৰোগত আক্ৰান্ত তিনিজন

**অসম বাৰ্তা, গহপুৰ, ৪ আগষ্ট ঃ** গহপুৰ সমজিলাৰ বিভিন্ন প্ৰান্তত ডেংগু ৰোগত আক্ৰান্ত হৈছে তিনিজন লোক। ইয়াৰ দুগৰাকী চিকিৎসালয়ৰ পৰা চিকিৎসা গ্ৰহণ কৰি ঘৰলৈ উভতি গৈছে যদিও এগৰাকী লোক তেজপুৰ মেডিকেল কলেজত এতিয়াও চিকিৎসাধীন হৈ আছে। জানিব পৰা মতে-ডুবিয়া বড়িগাঁৱৰ হৰি বৰুৱা (৩৫) আৰু টেটোনবাৰীৰ চন্দন মজুমদাৰ (৪২) ডেংগু ৰোগত আক্ৰান্ত হৈ চিকিৎসাধীন হোৱাৰ পিছত ইতিমধ্যে ঘৰলৈ উভতি গৈছে যদিও তেওঁলোকে চিকিৎসকৰ পৰামৰ্শমতে ঘৰতে চিকিৎসা বিধান মানি আছে। আনহাতে ডেংগুত আক্ৰান্ত হোৱা ৰজাবাৰীৰ এক নং চকলাৰ পদ্ম হাজৰিকা (৫৯) নামৰ লোকজন যোৱা কেইবাদিনো ধৰি তেজপুৰ মেডিকেল কলেজ এণ্ড হাস্পাতালত চিকিৎসাধীন হৈ আছে বুলি জানিব পৰা গৈছে। গহপুৰ মেলেৰিয়া বিভাগে ডেংগুত আক্ৰান্ত লোকসকলৰ এলেকাসমূহত ফ'গিঙৰ ব্যৱস্থা কৰিছে।

### সুখ্যাতিৰে উত্তীৰ্ণ সৈনিকসকলৰ ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা

# গোলাঘাটত প্ৰাক্তন সৈনিক সন্থাৰ বাৰ্ষিক সাধাৰণ সভা আৰু সতীৰ্থ সন্মিলন সম্পন্ন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ৪ আগষ্ট ঃ** মাতৃভূমিৰ বাবে নিজৰ সৰ্বস্ব ত্যাগ কৰা প্ৰাক্তন সৈনিকসকলৰ সৰ্বাংগীণ বিকাশৰ বাবে গঠন কৰা সৈনিক সন্থাৰ বাৰ্ষিক সাধাৰণ সভা, সতীৰ্থ সন্মিলন আৰু হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ সৈনিকসকলৰ ছাত্ৰ-ছাত্ৰীৰ সম্বৰ্ধনা অনুষ্ঠান যোৱা ২ আগষ্টত গোলাঘাটৰ পাচআলিৰ শিৱ মন্দিৰৰ সমীপত অনুষ্ঠিত হৈ যায়। এই উপলক্ষে পুৱা সন্থাৰ পতাকা উত্তোলন কৰে গোলাঘাট নগৰ প্ৰাক্তন সৈনিক সন্থাৰ সভাপতি বেণুধৰ বৰাই স্মৃতি তৰ্পণ কৰে সম্পাদক দুলাল শৰ্মাই। ইয়াৰ পাছতেই অনুষ্ঠিত কৰা হয় মুকলি সভা। প্ৰাক্তন সৈনিক সন্থাৰ গোলাঘাট নগৰ সমিতিৰ সভাপতি বেণুধৰ বৰাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা মুকলি সভা উদ্বোধন কৰে শ্বহীদ জিণ্টু গগৈৰ পিতৃ ঠগিৰাম গগৈয়ে। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক দুলাল শৰ্মাই। প্ৰাক্তন সৈনিক গিৰিধৰ বৰুৱাই আঁত ধৰা সভাত মুখ্য অতিথি হিচাপে গোলাঘাট জিলা সৈনিক কল্যাণ বিষয়া প্ৰশান্ত লেফটেনেণ্ট কৰ্ণেল ৰাজিবন কেটি উপস্থিত থাকি সৈনিকসকলে নিজৰ পৰিয়াল আৰু সমাজৰ প্ৰতি তেওঁলোকৰ দায়বদ্ধতাৰ বিষয়ে বিতংভাৱে আলোকপাত কৰে। ইয়াৰ উপৰিও সভাত আগন্তুক দিনবোৰত সন্থাই গছপুলি ৰোপণ, প্ৰাক্তন সৈনিক সকলৰ যিকোনো সমস্যাৰ সময়ত কাষত থিয় দিয়া আদি এলানি কাৰ্যসূচী গ্ৰহণ কৰাৰ লগতে ভালেকেইটা গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়।

### বানাক্ৰান্ত ছাত্ৰ-ছাত্ৰীৰ বাবে এদিনৰ দৰমহা দান

# আমগুৰিত ছাত্ৰ-ছাত্ৰীৰ দুৰ্যোগৰ সময়ত দায়বদ্ধতাৰ অনন্য দৃষ্টান্ত শিক্ষক-কৰ্মচাৰীৰ

**অসম বাৰ্তা, চেলেংহাট, ৪ আগষ্ট ঃ** শিৱসাগৰ জিলাৰ আমগুৰিৰ ঐতিহ্যমণ্ডিত আউনীআটীয় হেমচন্দ্ৰ দেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সমূহ শিক্ষক-কৰ্মচাৰীয়ে এদিনৰ দৰমহা নিজৰ বিদ্যালয়ৰ বানাক্ৰান্ত ছাত্ৰ-ছাত্ৰীৰ পৰিয়ালৰ বাবে দান কৰিছে। বানপানী হোৱাৰে পৰা অঞ্চলটোৰ বিভিন্ন বানপীড়িত ৰাইজক ব্যক্তিগতভাৱে সহায়-সহযোগ আগবঢ়োৱাৰ লগতে নিজৰ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতি দায়বদ্ধতা পালন কৰি শিক্ষক-কৰ্মচাৰীয়ে প্ৰদৰ্শন কৰা মহানুভৱতাত অভিভাৱকসকলে সন্তুষ্টি প্ৰকাশ কৰিছে। শিক্ষক-শিক্ষয়িত্ৰী-কৰ্মচাৰীসকলৰ এই মহানুভৱতাক উৎসাহিত কৰি বিদ্যালয়ৰ দুগৰাকী প্ৰাক্তন ছাত্ৰ দিগন্ত কোঁৱৰ আৰু ডা. কৈলাস গৈইৰ'লে ক্ৰমে ২০, ০০০ টকা আৰু ১৫, ০০০ টকা দান কৰে। তেজপুৰৰ অৱসৰপ্ৰাপ্ত শিক্ষক ঘনকান্ত কলিতায়ো ৭, ৫০০ টকাৰে এই কাৰ্যসূচীত সহভাগী হয়। প্ৰায় ১, ৫০, ০০০ টকাৰ এই আৰ্থিক অনুদানৰ যোগেদি বেছিকৈ ক্ষতিগ্ৰস্ত হোৱা বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীৰ ৬০টা পৰিয়ালক সহায় কৰা হয়। বিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰীসকলে ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক উত্তৰণৰ সহায়ক হোৱাকৈ ভৱিষ্যতেও অন্যান্য যাৱতীয় সাহায্য আগবঢ়োই যোৱাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে।

### বামুণপুখুৰীত পোৱা নাই পৰ্যাপ্ত সাহায্য; সকলোকে আগবাঢ়ি আহিবলৈ আহ্বান

# শিৱসাগৰৰ বানপীড়িত ৰাইজলৈ সমবেদনা; সহায়ৰ হাত দীঘলটৰং চাহ বাগিচাবাসীৰ



**অসম বাৰ্তা, তিনিচুকীয়া বিশেষ, ৪ আগষ্ট ঃ** শিৱসাগৰ জিলাৰ বামুণ পুখুৰীত বানপানীত বিধ্বস্ত হোৱা বানপীড়িত ৰাইজক সাহাৰ্য্যৰ্থে দীঘলটৰং চাহ বাগিচাৰ ৰাইজে দেওবাৰে প্ৰয়োজনীয় তথা নিত্য ব্যৱহাৰ্য সামগ্ৰী আগবঢ়ায়। লগতে বানপানীত ক্ষতিগ্ৰস্ত হোৱা পৰিয়াল বৰ্গলৈ সমবেদনা জ্ঞাপন কৰি নিহত হোৱা তেওঁলোকৰ পৰিয়ালৰ সদস্যৰ বিদেহ আত্মাৰ চিৰশান্তি আৰু সদগতিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনায়। দীঘলটৰং চাহ বাগিচাৰ জ্যেষ্ঠ পৰিচালকৰ ফালৰ পৰা সতীশ ৰায় ঘাটোৱাৰে বানপানীত বিধ্বস্ত হোৱা ৰাইজৰ ক্ষেত্ৰত এনেদৰে ওলাই আহি সহায়-সহযোগ কৰাৰ বাবে সকলোকে ধন্যবাদ জ্ঞাপন কৰে। দীঘলটৰং চাহ বাগিচাৰ ৰাইজৰ হৈ বাগিছা গোটৰ অসম চাহ মজদুৰ সংঘৰ সভাপতি, সম্পাদক, উপ-সভাপতিসহ সদস্য আৰু অসম চাহ কৰ্মচাৰী সংঘৰ সম্পাদকসহ সদস্যসকলৰ প্ৰচেষ্টাত তিনিদিনৰ ভিতৰত যাৱতীয় বয়-বস্তু তথা সামগ্ৰী সাজু কৰি আজি শিৱসাগৰ জিলাৰ বামুণ পুখুৰী গাঁৱত সাহাৰ্য্য বিতৰণ কৰে। উল্লেখ্য, বামুণ পুখুৰী গাঁওখন ভিতৰুৱা, বাট-পথ সুচল নহয় যাৰ বাবে অহা যোৱা কৰাত অসুবিধাৰ সন্মুখীন হোৱাৰ হেতুকে সাহাৰ্য্য তথা সামগ্ৰী একেবাৰে নূন্যতম লাভ কৰিছে বুলি জানিবলৈ দিয়ে।

### জাঁজী-দিখৌৰ ভয়ংকৰ ৰূপে বিধ্বস্ত শিৱসাগৰ, যোৰহাট আৰু চৰাইদেউ

# ১৯ জুলাইৰ প্ৰলয়ংকৰ বানঃ প্ৰকৃতিৰ প্ৰকোপ নে মানৱসৃষ্ট বিপৰ্যয় ?

## মৃত্যুৰ বিভীষিকা, কৃষকৰ হাহাকাৰ, স্থায়ী সমাধানৰ দাবী

**অসম বাৰ্তা, জাঁজী, ৫ আগষ্ট ঃ** ২০২৬ চনৰ ১৯ জুলাই উজনি অসমৰ ইতিহাসত এক বিভীষিকাময় দিন হিচাপে চিহ্নিত হৈ ৰ'ল। অবিৰত বৰষুণ আৰু উজনিৰ পৰা নামি অহা প্ৰচণ্ড বাঢ়নি পানীয়ে জাঁজী, দিখৌ, ভোগদৈ আৰু আন উপনদীসমূহক মুহূৰ্ততে উফন্দাই তোলে। ফলত শিৱসাগৰ, যোৰহাট আৰু চৰাইদেও জিলাৰ বিস্তীৰ্ণ অঞ্চলত নামি আহে এক নজিৰবিহীন দুৰ্যোগ। এই দুৰ্যোগত বহু লোকে প্ৰাণ হেৰুৱায়, বহু লোক আহত হয় আৰু হাজাৰ হাজাৰ পৰিয়ালে নিজৰ ঘৰ-বাৰী এৰি আশ্ৰয় শিবিৰত আশ্ৰয় ল'বলৈ বাধ্য হয়। বহু অঞ্চলত ঘৰ সম্পূৰ্ণ ভাঙি যায়, পথ-দলং ছিঙি যোগাযোগ বিচ্ছিন্ন হয়, বিদ্যুৎ আৰু খোৱাপানীৰ যোগান ব্যাহত হয়। বানৰ পানী নামি যোৱাৰ পিছতো বোকা, বালি আৰু ধবংসস্তূপৰ মাজতেই বহু পৰিয়ালে নতুনকৈ জীৱন আৰম্ভ কৰাৰ সংগ্ৰাম অব্যাহত ৰাখিছে। বানৰ আটাইতকৈ ভয়ংকৰ প্ৰভাৱ পৰে কৃষি খণ্ডত। শ শ হেক্টৰ ধানখেতি, শাক-পাচলিৰ খেতি আৰু মাছপুখুৰী সম্পূৰ্ণ নষ্ট হয়। বহু কৃষকে কৃষিঋণ লৈ কৰা খেতি মুহূৰ্ততে ধ্বংস হোৱা দেখি হতাশাত ভুগিছে। বহু পশুধনৰ মৃত্যুৰ ফলতো গ্ৰাম্য অৰ্থনীতি জোৰদাৰ আঘাতপ্ৰাপ্ত হৈছে। বানৰ মূল কাৰণ কি ? বিশেষজ্ঞসকলৰ মতে, এই বানৰ আঁৰত একাধিক কাৰণ একেলগে কাম কৰে। অতি কম সময়ৰ ভিতৰত হোৱা অস্বাভাৱিক ধাৰাসাৰ বৰষুণ, উজনি পাহাৰীয়া অঞ্চলৰ পৰা একেলগে নামি অহা বাঢ়নি পানী, নদীৰ বুকুত পলিমাটি জমা হৈ পানী বহন ক্ষমতা হ্ৰাস পোৱা, নদীভাঙন আৰু দুৰ্বল জলনিকাশ ব্যৱস্থা বানৰ অন্যতম কাৰণ বুলি ধৰা হয়। একেসময়ে, পাহাৰীয়া অঞ্চলত বন উজাৰ, অবৈজ্ঞানিক খনন, শিল আৰু বালি উত্তোলনৰ দৰে কাৰ্যকলাপে বানৰ তীব্ৰতা বৃদ্ধি কৰিছে নেকি, সেই বিষয়েও বিভিন্ন মহলত প্ৰশ্ন উত্থাপিত হৈছে। যদিও এই সম্পৰ্কে বৈজ্ঞানিক অনুসন্ধান আৰু চৰকাৰী মূল্যায়ন অবিহনে কোনো এটা কাৰণক একমাত্ৰ দায়ী বুলি কোৱা সমীচীন নহয়। জলবায়ু পৰিৱৰ্তনৰ প্ৰভাৱো উদ্বেগজনক পৰিৱেশবিদসকলে কয় যে, জলবায়ু পৰিৱৰ্তনৰ ফলত বৰষুণৰ ধৰণ সলনি হৈছে। পূৰ্বৰ দৰে দীৰ্ঘদিন ধৰি মৃদু বৰষুণ নহৈ কম সময়ৰ ভিতৰতে অতিমাত্ৰাৰ বৰষুণ হোৱাত নদীবোৰে একেলগে বিপুল পৰিমাণৰ পানী বহন কৰিব নোৱাৰে। ফলত নিম্নাঞ্চলসমূহ আকস্মিকভাৱে প্লাৱিত হয়। ভৱিষ্যতেও আছে নেকি বিপদৰ আশংকা ? বিশেষজ্ঞসকলৰ মতে, যদি নদীসমূহৰ বিজ্ঞানসম্মত ব্যৱস্থাপনা, মথাউৰিৰ উন্নয়ন, নদীৰ পলসমাটি অপসাৰণ, বন সংৰক্ষণ, জলনিকাশ ব্যৱস্থাৰ আধুনিকীকৰণ আৰু আগতীয়া বান সতৰ্কীকৰণ ব্যৱস্থা শক্তিশালী কৰা নহয়, তেন্তে ভৱিষ্যতেও এনে ভয়ংকৰ বানৰ পুনৰাবৃত্তিৰ আশংকা যথেষ্ট আছে। ৰাইজৰ দাবী বানাক্ৰান্ত অঞ্চলৰ ৰাইজে চৰকাৰৰ ওচৰত কেইবাটাও দাবী উত্থাপন কৰিছে। ইয়াৰ ভিতৰত- জাঁজী আৰু দিখৌ নদীৰ বিজ্ঞানসম্মত খনন আৰু পুনৰসংস্কাৰ। দুৰ্বল মথাউৰিসমূহ স্থায়ীভাৱে শক্তিশালীকৰণ। নদীৰ বুকুত জমা হোৱা পলিমাটি অপসাৰণ। পাহাৰীয়া অঞ্চলত অবৈধ বন উজাৰ আৰু অবৈজ্ঞানিক খননৰ ওপৰত কঠোৰ নিয়ন্ত্ৰণ। বানপূৰ্ব আগতীয়া সতৰ্কীকৰণ ব্যৱস্থা অধিক ফলপ্ৰসূ কৰা। ক্ষতিগ্ৰস্ত কৃষক আৰু বানপীড়িত পৰিয়ালক সময়মতে পৰ্যাপ্ত ক্ষতিপূৰণ আৰু পুনৰসংস্থাপনৰ ব্যৱস্থা। এতিয়া সময় দীৰ্ঘম্যাদী পৰিকল্পনাৰ প্ৰতি বছৰে বানৰ পিছত সাহায্য বিতৰণ কৰাই যথেষ্ট নহয়। নদী, বন, পাহাৰ আৰু পৰিৱেশক সামগ্ৰিকভাৱে সুৰক্ষিত ৰাখি বিজ্ঞানভিত্তিক নদী ব্যৱস্থাপনা, পৰিৱেশ সংৰক্ষণ, উন্নত দুৰ্যোগ ব্যৱস্থাপনা আৰু জনসচেতনতা বৃদ্ধি কৰিলেহে এই সমস্যাৰ স্থায়ী সমাধান সম্ভৱ। অন্যথা, উজনি অসমৰ লাখ লাখ মানুহে প্ৰতি বছৰে একেই দুৰ্ভোগৰ সন্মুখীন হ'ব লাগিব। ১৯ জুলাইৰ এই বান কেৱল এখন দুৰ্যোগৰ কাহিনী নহয়- ই প্ৰকৃতি, উন্নয়ন আৰু পৰিৱেশৰ মাজত ভাৰসাম্য ৰক্ষাৰ এক কঠিন সতৰ্কবাণী।

# পুনৰ কৃত্ৰিম বানৰ কবলত দেৰগাঁও; জলমগ্ন পৌৰসভাৰ একাধিক অঞ্চল

**অসম বাৰ্তা, দেৰগাঁও, ৫ আগষ্ট ঃ** যোৱা কালি পৰা হোৱা নেৰানেপেৰা বৰষুণৰ ফলত পুনৰ কৃত্ৰিম বানৰ কবলত পৰিছে দেৰগাঁও। পৌৰসভা অঞ্চলৰ পৰা আৰম্ভ কৰি ব্ৰহ্মপুত্ৰ অঞ্চললৈকে বানপানীয়ে ব্যাপক ক্ষতি সাধন কৰিছে। গেলাবিল নদীৰ বাঢ়নী পানীয়ে দাতিকাষৰীয়া অঞ্চলসমূহত যথেষ্ট ক্ষতি কৰাৰ লগতে এই বান ব্ৰহ্মপুত্ৰ অঞ্চললৈও বিয়পি পৰিছে। ফলত সমগ্ৰ অঞ্চলটোত এক শোকাকুল পৰিৱেশৰ সৃষ্টি হৈছে। কেইদিনমান পূৰ্বেও নেৰানেপেৰা বৰষুণৰ ফলত সৃষ্টি হোৱা কৃত্ৰিম বান শুকাই আহিছিল কিন্তু পুনৰ হোৱা ধাৰাসাৰ বৰষুণে দেৰগাঁৱৰ বিভিন্ন স্থানত জলাবদ্ধতা বৃদ্ধি কৰি পৰিস্থিতি অধিক জটিল কৰি তুলিছে। বহু পৰিয়ালৰ ঘৰ-বাৰী, গৃহস্থালীৰ সামগ্ৰী আৰু দৈনন্দিন জীৱন-জীৱিকা ক্ষতিগ্ৰস্ত হৈছে। দেৰগাঁও পৌৰসভাৰ পেঞ্চন কলনী, নাথগাঁও, ফুকন নগৰ, জ্যোতি নগৰ আদি একাধিক ৱাৰ্ড বৰ্তমান সম্পূৰ্ণ আংশিকভাৱে জলমগ্ন। বাসিন্দাসকলে ঘৰৰ পৰা ওলাই যাবলৈও অসুবিধাৰ সন্মুখীন হৈছে। দেৰগাঁও সমষ্টিৰ বিধায়ক ড° মৃদুল কুমাৰ দত্তই বৰ্তমান সময়টো একক প্ৰচেষ্টাত ড্ৰেইন পৰিষ্কাৰ কৰি পানী নিষ্কাশনৰ ব্যৱস্থা গ্ৰহণ কৰিছিল যদিও সমস্যাটোৰ স্থায়ী সমাধান এতিয়াও হোৱা নাইবুলি বহু বাসিন্দাই অভিযোগ উত্থাপন কৰিছে। আনহাতে, পৌৰনেত্ৰী মধুমিতা বৰাৰ নেতৃত্বত পৌৰসভাৰ কাৰ্যব্যৱস্থাক লৈও বিভিন্ন মহলত অসন্তুষ্টি প্ৰকাশ পাইছে। ৰাইজৰ অভিযোগ অনুসৰি, বৈজ্ঞানিক পৰিকল্পনাৰ অভাৱ, ৰাষ্ট্ৰীয় ঘাইপথ আৰু উপ-পথৰ ড্ৰেইনসমূহৰ অপৰ্যাপ্ত ব্যৱস্থা, লগতে বিভিন্ন ঠাইত ড্ৰেইন বন্ধ কৰি ঘৰ-দুৱাৰ নিৰ্মাণ কৰাৰ ফলতেই জলাবদ্ধতাৰ সমস্যা অধিক ভয়াৱহ ৰূপ লৈছে। ইয়াৰ ফলত বহু পৰিয়াল জলবন্দী হৈ পৰিছে। বহু শিক্ষাৰ্থীয়েও পঢ়া-শুনাৰ ক্ষেত্ৰত ব্যাপক অসুবিধাৰ সন্মুখীন হৈছে। ইফালে, পশ্চিম ব্ৰহ্মপুত্ৰ গাঁও পঞ্চায়তৰ অন্তৰ্গত বালিদোৱা অঞ্চলত এক শিক্ষাৰ্থীৰ পৰিয়ালৰ বাসগৃহ বানৰ সোঁতে উটুৱাই নিয়াৰ ঘটনাই সকলোকে মৰ্মাহত কৰিছে। ঘৰটোৰ লগে লগে বিছনা, টেবুল, চকী, কিতাপ-পত্ৰ আৰু আন বহু মূল্যৱান সামগ্ৰী বানে উটুৱাই নিয়ে। ফলত পৰিয়ালটোৰ ভৱিষ্যৎক লৈ গভীৰ অনিশ্চয়তাৰ সৃষ্টি হৈছে। আন এক হৃদয়বিদাৰক ঘটনাত খকন্দগুৰি অঞ্চলত নিজৰ খেতিৰ বাবে প্ৰয়োজনীয় সামগ্ৰী আনিবলৈ পানীত নামি এজন শ্ৰমিক সোঁতৰ কবলত পৰি মৃত্যুবৰণ কৰে। স্থানীয় ৰাইজে অভিযোগ কৰে যে, বছৰে বছৰে একেই সমস্যাৰ সন্মুখীন হ'লেও স্থায়ী সমাধানৰ ক্ষেত্ৰত কোনো ফলপ্ৰসূ পদক্ষেপ দেখা নাযায়। নিৰ্বাচনৰ সময়ত বিভিন্ন জনে প্ৰতিশ্ৰুতি দিয়ে যদিও বাস্তৱ ক্ষেত্ৰত সমস্যাৰ সমাধান নোহোৱাত ৰাইজৰ মাজত ক্ষোভ বৃদ্ধি পাইছে। বৰ্তমান দেৰগাঁৱৰ ৰাইজে চৰকাৰ, জনপ্ৰতিনিধি আৰু সংশ্লিষ্ট বিভাগক কৃত্ৰিম বান সমস্যাৰ স্থায়ী সমাধানৰ বাবে দ্ৰুত আৰু ফলপ্ৰসূ ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে।

## ৮ আগষ্টত সৰুপথাৰ বাছ ষ্টেণ্ড চৌহদত অনুষ্ঠিত হ'ব বৃহৎ স্বেচ্ছাসেৱী ৰক্তদান শিবিৰ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, সৰুপথাৰ, ৫ আগষ্ট ঃ** সমাজসেৱা আৰু মানৱতাৰ এক উজ্জ্বল নিদৰ্শন স্থাপন কৰাৰ লক্ষ্যৰে সৰুপথাৰৰ লায়ন্স ক্লাব আৰু ধনশিৰি ট্ৰাক মালিক সন্থাৰ যৌথ উদ্যোগত অহা ৮আগষ্ট তাৰিখ শনিবাৰে এক বৃহৎ স্বেচ্ছাসেৱী ৰক্তদান শিবিৰৰ আয়োজন কৰা হৈছে। শ্বহীদ কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়ৰ ব্লাড বেংকৰ তত্ত্বাৱধানত অনুষ্ঠিত হ'বলগীয়া এই শিবিৰ পুৱা ১১বজাৰ পৰা বিয়লি ৪বজালৈ সৰুপথাৰ বাছ ষ্টেণ্ডৰ ওচৰত অৱস্থিত লায়ন্স ক্লাব ভৱনত অনুষ্ঠিত হ'ব। এই জনহিতকৰ কাৰ্যসূচীৰ শুভ উদ্বোধন কৰিব সৰুপথাৰ সমষ্টিৰ বিধায়ক বিশ্বজিৎ ফুকনে। অনুষ্ঠানত সমাজৰ বিশিষ্ট ব্যক্তি, বিভিন্ন সামাজিক সংগঠনৰ প্ৰতিনিধি, চিকিৎসক, স্বেচ্ছাসেৱক আৰু বহু সংখ্যক সচেতন নাগৰিকৰ উপস্থিতি আশা কৰা হৈছে। আয়োজকসকলে জনোৱা মতে, ৰাজ্যজুৰি সময়ে সময়ে দেখা দিয়া ৰক্তৰ অভাৱ দূৰ কৰাৰ লগতে জনসাধাৰণৰ মাজত স্বেচ্ছাসেৱী ৰক্তদানৰ প্ৰতি সজাগতা আৰু ইতিবাচক মানসিকতা গঢ়ি তোলাৰ উদ্দেশ্যেই এই বৃহৎ ৰক্তদান শিবিৰৰ আয়োজন কৰা হৈছে। চিকিৎসা বিজ্ঞানৰ দৃষ্টিত ৰক্তৰ কোনো কৃত্ৰিম বিকল্প নথকাৰ বাবে দুৰ্ঘটনা, জটিল অস্ত্ৰোপচাৰ, প্ৰসূতি, থেলাছেমিয়া, কেঞ্চাৰ আদি বিভিন্ন ৰোগত আক্ৰান্ত বহু ৰোগীৰ জীৱন ৰক্ষা কৰিবলৈ স্বেচ্ছাসেৱী ৰক্তদাতাৰ অৱদান অমূল্য। সৰুপথাৰ লায়ন্স ক্লাবৰ সভাপতি দিনেশ ভিলৱাৰীয়াই অঞ্চলটোৰ সকলো সুস্থ আৰু যোগ্য নাগৰিকক এই মানৱসেৱামূলক কাৰ্যসূচীত অংশগ্ৰহণ কৰিবলৈ আন্তৰিক আহ্বান জনাই কয়- ৰক্তদান হৈছে সৰ্বশ্ৰেষ্ঠ জীৱনদান। এজন ৰক্তদাতাই দান কৰা এক ইউনিট ৰক্তই এজন বা ততোধিক প্ৰয়োজনীয় ৰোগীৰ জীৱন ৰক্ষা কৰিব পাৰে। সেয়েহে সমাজৰ প্ৰতিজন সুস্থ ব্যক্তি এই মহৎ অভিযানত আগবাঢ়ি অহাটো অতি প্ৰয়োজনীয়। তেওঁ লগতে জনায় যে, শিবিৰত ৰক্তদান কৰা প্ৰতিজন স্বেচ্ছাসেৱী ৰক্তদাতাক প্ৰশংসাপত্ৰৰ লগতে আকৰ্ষণীয় উপহাৰ প্ৰদান কৰা হ'ব। শিবিৰত অংশগ্ৰহণ কৰা আয়োজকসকলৰ বিশ্বাস, এই ব্যতিক্ৰমী পদক্ষেপৰ জৰিয়তে অঞ্চলটোৰ বহু সংখ্যক যুৱক-যুৱতী, স্বেচ্ছাসেৱী সংগঠন, ব্যৱসায়ী, ছাত্ৰ-ছাত্ৰী আৰু সচেতন নাগৰিকে স্বতঃস্ফূৰ্তভাৱে অংশগ্ৰহণ কৰিব। ইয়াৰ ফলত কেৱল প্ৰয়োজনীয় ৰক্ত সংগ্ৰহ হোৱাই নহয়, সমাজত স্বেচ্ছাসেৱী ৰক্তদানৰ প্ৰতি এক শক্তিশালী ইতিবাচক বাৰ্তাও প্ৰচাৰিত হ'ব। ৰক্তদান কৰিবলৈ ইচ্ছুক ব্যক্তিসকলে পূৰ্ব পঞ্জীয়ন অথবা অধিক তথ্যৰ বাবে লায়ন্স ক্লাবৰ সভাপতি দিনেশ ভিলৱাৰীয়া ৯১৮১২৪০৩৬৫ অথবা ৰক্তদান শিবিৰৰ আহ্বায়ক মাধৱ লহকৰ ৯৪৩৫১৯৬৮৭৫ৰ সৈতে মোবাইল ফোনযোগে যোগাযোগ কৰিব পাৰিব। সৰুপথাৰ লায়ন্স ক্লাব আৰু ধনশিৰি ট্ৰাক মালিক সন্থাই অঞ্চলটোৰ সকলো নাগৰিক, বিভিন্ন সামাজিক, সাংস্কৃতিক, ছাত্ৰ আৰু যুৱ সংগঠনক এই জনকল্যাণমূলক অভিযানত অংশগ্ৰহণ কৰি শিবিৰখন সফল কৰাৰ বাবে আন্তৰিক আহ্বান জনাইছে। ৰক্তদান কৰি কাৰোবাৰ অন্ধকাৰময় জীৱনক পুনৰ পোহৰাই তোলাৰ আহ্বানকে সন্মুখত ৰাখি আয়োজকসকলে সকলোৰে সহযোগিতা কামনা কৰিছে।

## যোৰহাট জিলাৰ বান পৰিস্থিতি সন্দৰ্ভত সকলো বিভাগৰ সৈতে মন্ত্ৰী অজন্তা নেওগৰ পৰ্যালোচনা সভা

**অসম বাৰ্তা, যোৰহাট, ৫ আগষ্ট ঃ** জিলাখনৰ শেহতীয়া বান পৰিস্থিতিক লৈ আজি যোৰহাট আৰ্ত ভৱনৰ সভা কক্ষত ৰাজ্যৰ পৰ্যটন, মহিলা আৰু শিশু বিকাশ বিভাগৰ মন্ত্ৰী অজন্তা নেওগ মহোদয়াৰ সভাপতিত্বত সকলো বিভাগৰ মুৰব্বী বিষয়াৰ সৈতে এক গুৰুত্বপূৰ্ণ পৰ্যালোচনা সভা অনুষ্ঠিত হয়। সভাত তেখেতে বানপানীৰ ফলত হোৱা বিভিন্ন বিভাগৰ ক্ষয়-ক্ষতিৰ খতিয়ান লোৱাৰ লগতে বৰ্তমান চলাই থকা কাৰ্যসূচীৰ সবিশেষ বুজ লয়। মন্ত্ৰী মহোদয়াই জিলাখনৰ বানাক্ৰান্ত পৰিয়ালসমূহৰ উপযুক্ত পুনৰসংস্থাপনৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰে। চৰকাৰৰ ফালৰ পৰা আগবঢ়োৱা বান সাহায্য আৰু অন্তৰ্বৰ্তীকালীন বিত্তীয় সাহায্যৰ পৰা যাতে কোনো এজনো বানপীড়িত প্ৰকৃত হিতাধিকাৰী বঞ্চিত নহয়, সেয়া নিশ্চিত কৰিবলৈ তেখেতে সকলো বিভাগীয় মুৰব্বীক নিৰ্দেশ দিয়া হয়। এই প্ৰক্ৰিয়াত সকলো বিভাগক সম্পূৰ্ণ স্বচ্ছতা বজাই ৰাখিবলৈ তেওঁ দৃঢ়ভাৱে আহ্বান জনায়। ইয়াৰ উপৰি, বানৰ ফলত ক্ষতিগ্ৰস্ত হোৱা ধানখেতিসমূহৰ পুনৰুদ্ধাৰৰ বাবে এক তাৎক্ষণিক কাৰ্যপন্থা প্ৰস্তুত কৰিবলৈ কৃষি বিভাগক আৰু বিদ্যালয়সমূহ চাফ-চিকুণ তথা মেৰামতি কৰি শিক্ষা ব্যৱস্থা পুনৰ স্বাভাৱিক কৰি তুলিবলৈ শিক্ষা বিভাগক নিৰ্দেশ প্ৰদান কৰে। তদুপৰি তেখেতে আগন্তুক পবিত্ৰ ভাদ মাহৰ প্ৰতি লক্ষ্য ৰাখি ক্ষতিগ্ৰস্ত নামঘৰসমূহ অতি সোনকালে চাফ-চিকুণ কৰি পুনৰ সংস্থাপন কৰাৰ লগতে অংগনবাড়ী কেন্দ্ৰসমূহো পুনৰ সংস্থাপন কৰি শীঘ্ৰেই পুনৰ মুকলি কৰিবলৈ সংশ্লিষ্ট মুৰব্বী বিষয়াসকলক পৰামৰ্শ প্ৰদান কৰে। শেষত, যোৰহাট জিলাত শেহতীয়াকৈ সৃষ্টি হোৱা কৃত্ৰিম বানপানীৰ সমস্যা সমাধানৰ বাবে এক উপযুক্ত পৰিকল্পনাৰ প্ৰয়োজনীয়তাৰ বিষয়ে উল্লেখ কৰি বিশেষকৈ তৰাজানৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ক্ষিপ্ৰ পদক্ষেপ গ্ৰহণ কৰিবলৈ পৌৰসভাক কঠোৰ নিৰ্দেশ প্ৰদান কৰে। আজিৰ সভাত যোৰহাট সমষ্টিৰ মাননিয় বিধায়ক হিতেন্দ্ৰ নাথ গোস্বামী, মৰিয়নি সমষ্টিৰ মাননিয় বিধায়ক ৰূপজ্যোতি কুৰ্মী, তিতাবৰ সমষ্টিৰ মাননিয় বিধায়ক ধীৰাজ গোৱালা, টীয়ক সমষ্টিৰ বিধায়ক বিকাশ শইকীয়া, যোৰহাটৰ জিলাৰ জিলা আয়ুক্ত জয় শিৱানী, জিলা আৰক্ষী অধীক্ষক শুভ্ৰজ্যোতি বৰা, এ.আই.আই. ডি.চি.ৰ অধ্যক্ষ শান্তনু পূজাৰী, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া মনোজ কুমাৰ বৰুৱা, যোৰহাট জিলা পৰিষদৰ সভাপতি সুৰজিত শইকীয়া, যোৰহাট উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ, সকলো পৌৰসভাৰ পৌৰপতি সকল, তিতাবৰৰ সম-জিলা আয়ুক্ত তথা জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ মুখ্য কাৰ্যবাহী বিষয়া, টীয়ক আৰু মৰিয়নিৰ সহ-জিলা আয়ুক্তদ্বয়, অতিৰিক্ত জিলা আয়ুক্ত সকল, সহকাৰী আয়ুক্তসকল আৰু সকলো বিভাগীয় মুৰব্বী বিষয়াসকল উপস্থিত থাকে।

**ঔজাৰী বীজ ফাৰ্মত নতুন আন্তঃগাঁথনি নিৰ্মাণৰ অগ্ৰগতি পৰ্যালোচনা**

## কৃষি উৎপাদন আয়ুক্ত অৰুণা ৰাজ'ৰিয়াৰ মৰিগাঁও জিলা পৰিদৰ্শন



**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ৫ আগষ্ট ঃ** অসম চৰকাৰৰ কৃষি উৎপাদন আয়ুক্ত শ্ৰীমতী অৰুণা ৰাজ'ৰিয়াই আজি মৰিগাঁও জিলা পৰিদৰ্শন কৰি জিলা কৃষি বিভাগৰ অধীনস্থ ঔজাৰীস্থিত বীজ ফাৰ্মৰ কাৰ্যালয়ত উপস্থিত হয়। পৰিদৰ্শনকালত তেখেতে বিভাগৰ অধীনত নতুনকৈ নিৰ্মাণ হ'বলগীয়া বিভিন্ন আন্তঃগাঁথনিৰ বাবে নিৰ্বাচিত ভূমি পৰিদৰ্শন কৰি প্ৰকল্পসমূহৰ অগ্ৰগতি আৰু পৰিকল্পনাৰ বুজ লয়। জিলা কৃষি বিষয়া দিলীপ কুমাৰ বৰাৰ উপস্থিতিত কৃষি উৎপাদন আয়ুক্তগৰাকীয়ে নতুনকৈ নিৰ্মাণ হ'বলগীয়া কাৰিকৰী প্ৰশিক্ষণ কেন্দ্ৰ, পুৰুষ আৰু মহিলাৰ বাবে আৱাসিক বাসগৃহ, কৃষি উন্নয়ন বিষয়াৰ কাৰ্যালয় আদি আন্তঃগাঁথনি নিৰ্মাণৰ বিভিন্ন দিশ বিশদভাৱে পৰ্যালোচনা কৰে। তেখেতে সংশ্লিষ্ট বিষয়া-কৰ্মচাৰীসকলক নিৰ্মাণ কাৰ্যসমূহ পৰ্যায়ক্ৰমে নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত গুণগত মান বজাই ৰাখি সম্পূৰ্ণ কৰাৰ বাবে প্ৰয়োজনীয় পৰামৰ্শ আগবঢ়ায়। ইয়াৰ উপৰিও তেখেতে সমগ্ৰ মৰিগাঁও জিলাত কৃষি বিভাগৰ দ্বাৰা ৰূপায়িত হৈ থকা বিভিন্ন কল্যাণমূলক আঁচনিৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰি ৰূপায়ণৰ খতিয়ান লয়। বিশেষকৈ কৃষক পঞ্জীয়ন প্ৰক্ৰিয়া, প্ৰধানমন্ত্ৰী ফচল বীমা যোজনা (PMFBY) আৰু ন্যূনতম সমৰ্থিত মূল্য (MSP)-ত ধান ক্ৰয় প্ৰক্ৰিয়াৰ অগ্ৰগতি সন্দৰ্ভত বিশদভাৱে আলোচনা কৰি সংশ্লিষ্ট বিষয়া-কৰ্মচাৰীসকলক অধিক ফলপ্ৰসূভাৱে আঁচনিসমূহ ৰূপায়ণৰ বাবে দিহা-পৰামৰ্শ প্ৰদান কৰে। এই পৰিদৰ্শন আৰু পৰ্যালোচনা সভাত জিলা উন্নয়ন আয়ুক্ত অৰ্পা বাগলাৰী, মহকুমা কৃষি তথ্য বিষয়া গৌতম নাথ, কৃষি পৰিদৰ্শক মোহন বৰা, কৃষি উপ-পৰিদৰ্শক দিব্যজ্যোতি হাজৰিকা, শংকৰ আনন্দ সৰকাৰ, মিডিয়া বিশেষজ্ঞ গৌতম কুমাৰ নাথৰ লগতে সংশি-ষ্ট কৃষি সম্প্ৰসাৰণ সহায়ক আৰু বিভাগীয় বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে।

**তিনি কুখ্যাত গভাইত চোৰ গ্ৰেপ্তাৰ, উদ্ধাৰ চুৰি সামগ্ৰী; এজন অভিযুক্ত পলাতক**

## মাজদিয়া আৰক্ষীৰ বৃহৎ সফলতা

**অসম বাৰ্তা, চেঙা, ৫ আগষ্ট ঃ** বৰপেটা জিলাৰ মাজদিয়া আৰক্ষী চকীয়ে চুৰি আৰু সম্পত্তি-সংক্ৰান্ত অপৰাধ দমনৰ ক্ষেত্ৰত এক উল্লেখযোগ্য সফলতা লাভ কৰিবলৈ সক্ষম হৈছে। মাজদিয়া আৰক্ষীৰ এক পৰিকল্পিত আৰু দ্ৰুত অভিযানত তিনিজন কুখ্যাত গভাইত চোৰ আৰক্ষীৰ জালত পৰাৰ লগতে তেওঁলোকৰ পৰা উদ্ধাৰ হৈছে বিভিন্ন চুৰি সামগ্ৰী। ঘটনাৰ সৈতে জড়িত আন এজন অভিযুক্ত বৰ্তমানেও পলাতক হৈ থকাৰ বিপৰীতে তেওঁক গ্ৰেপ্তাৰ কৰিবলৈ আৰক্ষীয়ে বিভিন্ন স্থানত তীব্ৰ অভিযান অব্যাহত ৰাখিছে। আৰক্ষীৰ সূত্ৰই জনোৱা অনুসৰি, ধৃত তিনিজন অভিযুক্ত হৈছে সৰ্থেবাৰী থানাৰ অন্তৰ্গত পুব এলাদী গাঁৱৰ কুখ্যাত চোৰ জাহাংগীৰ আলী, মাজদিয়া গাঁৱৰ ৰাইজুদ্দিন আলী আৰু বাঘবৰ থানাৰ অন্তৰ্গত মাণিকপুৰ গাঁৱৰ ৰহিম আলী। তিনিওজনৰ বিৰুদ্ধে পূৰ্বেও বিভিন্ন অপৰাধমূলক কাৰ্যকলাপৰ অভিযোগ উত্থাপিত হৈছিল বুলি জানিব পৰা গৈছে। ঘটনাৰ বিৱৰণী অনুসৰি, কুকাৰপাৰ গাঁৱৰ বাসিন্দা জাকিৰ হুছেইনৰ পৰিয়ালৰ লোকসকল কোনো বিশেষ কামত ঘৰৰ বাহিৰলৈ যোৱাৰ সুযোগ গ্ৰহণ কৰি নিশাৰ ভাগত চোৰৰ দলটোৱে বাসগৃহত প্ৰৱেশ কৰে। ঘৰৰ তলা ভাঙি নগদ ধন, মূল্যবান সামগ্ৰী আৰু আন বহু সা-সামগ্ৰী লৈ পলায়ন কৰে। পিছদিনা ঘৰৰ অৱস্থা দেখি পৰিয়ালৰ সদস্যসকল হতভম্ব হৈ পৰে। এই ঘটনাই সমগ্ৰ অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰে। চুৰি সংঘটিত হোৱাৰ পিছতে জাকিৰ হুছেইনৰ ভাতৃ ইকবাল হুছেইনে মাজদিয়া আৰক্ষী চকীত এখন লিখিত এজাহাৰ দাখিল কৰে। অভিযোগ লাভ কৰাৰ লগে লগে মাজদিয়া আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া লোকমান আলী আহমেদে ঘটনাটোক অতি গুৰুত্বসহকাৰে গ্ৰহণ কৰি তদন্ত আৰম্ভ কৰে। তদন্তৰ সময়ত বিভিন্ন গোপন তথ্য সংগ্ৰহ কৰাৰ লগতে স্থানীয় ৰাইজৰ সহযোগিতা লাভ কৰি সন্দেহযুক্ত কেইবাটাও স্থানত তল্লাচী চলোৱা হয়। মঙলবাৰে দিনৰ ভাগত লোকমান আলী আহমেদৰ নেতৃত্বত আৰক্ষীৰ এটা বিশেষ দলে কুকাৰপাৰ গাঁৱত অভিযান চলায়। অভিযানৰ সময়ত জাহিদুল ইছলাম ওৰফে 'বড়ো'ৰ বাসগৃহত আত্মগোপন কৰি থকা অৱস্থাত জাহাংগীৰ আলী আৰু ৰহিম আলীক আৰক্ষীয়ে আটক কৰিবলৈ সক্ষম হয়। পিছত তদন্তৰ ভিত্তিত মাজদিয়া গাঁৱৰ নিজ বাসগৃহৰ পৰা ৰাইজুদ্দিন আলীকো গ্ৰেপ্তাৰ কৰা হয়। আটক কৰা তিনিওজনক জেৰা চলোৱাৰ পিছত আৰক্ষীয়ে জাহিদুল ইছলাম ওৰফে বড়োৰ ঘৰৰ কাষৰ এটা পুখুৰীত লুকুৱাই ৰখা বিভিন্ন চুৰি সামগ্ৰী উদ্ধাৰ কৰে। উদ্ধাৰ হোৱা সামগ্ৰীসমূহ আৰক্ষীয়ে জব্দ কৰি অধিক তদন্ত আৰম্ভ কৰিছে। চুৰি হোৱা আন সামগ্ৰী উদ্ধাৰৰ বাবেও আৰক্ষীয়ে অভিযান অব্যাহত ৰাখিছে। উল্লেখযোগ্য যে, অভিযুক্ত জাহিদুল ইছলাম ওৰফে বড়ো আৰক্ষীৰ উপস্থিতিৰ উমান পাই ঘটনাস্থলীৰ পৰা পলায়ন কৰিবলৈ সক্ষম হয়। বৰ্তমান তেওঁ পলাতক হৈ আছে। আৰক্ষীয়ে তেওঁৰ সম্ভাব্য আত্মগোপনৰ স্থানসমূহত অভিযান চলোৱাৰ লগতে গ্ৰেপ্তাৰৰ বাবে অনুসন্ধান তীব্ৰতৰ কৰি তুলিছে। ইফালে, আৰক্ষীৰ তদন্তত ধৃত জাহাংগীৰ আলী আৰু ৰাইজুদ্দিন আলী পূৰ্বেও একাধিক চুৰি কাণ্ডত জড়িত থকাৰ তথ্য পোহৰলৈ আহিছে। দুয়োজনে ইতিপূৰ্বে চুৰিৰ অভিযোগত গ্ৰেপ্তাৰ হৈ জে'ল-হাজোত খাটিছিল। বিশেষকৈ যোৱা বছৰ কুকাৰপাৰ গাঁৱৰ বিশিষ্ট চিকিৎসক ডাঃ চুবুৰ উদ্দিন আহমেদৰ বাসগৃহৰ পৰা সংঘটিত প্ৰায় দুই কোটি টকাৰ চাঞ্চল্যকৰ চুৰি কাণ্ডৰ মূল অভিযুক্ত হিচাপে জাহাংগীৰ আলীৰ নাম সৰ্বাধিক চৰ্চিত হৈছিল। সেই ঘটনাই সমগ্ৰ অসমতে ব্যাপক চাঞ্চল্যৰ সৃষ্টি কৰিছিল। স্থানীয় ৰাইজে কয় যে, ধৃত চোৰকেইজনৰ উপদ্ৰৱত অঞ্চলবাসী দীৰ্ঘদিন ধৰি অতিষ্ঠ হৈ আছিল। নিশা হ'লেই বহু পৰিয়ালে আতংকৰ মাজেৰে সময় কটাবলগীয়া হৈছিল। মাজদিয়া আৰক্ষীৰ এই সফল অভিযানৰ পিছত অঞ্চলবাসীৰ মাজত স্বস্তিৰ পৰিৱেশ ঘূৰি আহিছে। ৰাইজে আৰক্ষীৰ তৎপৰতা আৰু দ্ৰুত পদক্ষেপক ভূয়সী প্ৰশংসা কৰাৰ লগতে পলাতক অভিযুক্তকো অতি সোনকালে গ্ৰেপ্তাৰ কৰাৰ দাবী জনাইছে। আৰক্ষীৰ ফালৰ পৰা জনোৱা হৈছে যে, এই চুৰি চক্ৰৰ সৈতে আন কোনো ব্যক্তি জড়িত আছে নেকি সেই বিষয়েও তদন্ত অব্যাহত আছে। উদ্ধাৰ হোৱা সামগ্ৰীৰ লগতে ধৃত অভিযুক্তসকলক আদালতত হাজিৰ কৰোৱাৰ প্ৰস্তুতি চলি আছে। তদন্তৰ অগ্ৰগতিৰ লগে লগে এই চুৰি চক্ৰ সম্পৰ্কে অধিক তথ্য পোহৰলৈ অহাৰ সম্ভাৱনা আছে বুলি আৰক্ষী সূত্ৰই প্ৰকাশ কৰিছে।

এক পৃষ্ঠাৰ পৰা

## ৰাজ্যসভাত গৃহীত উচ্চতম ন্যায়ালয়ত ন্যায়াধীশৰ সংখ্যা বৃদ্ধিৰ বিধেয়ক

লোকসভালৈ প্ৰেৰণ কৰা হয়। বিধেয়কখনৰ ওপৰত হোৱা চমু আলোচনাত কেন্দ্ৰীয় আইন আৰু ন্যায় মন্ত্ৰণালয়ৰ ৰাষ্ট্ৰমন্ত্ৰী অৰ্জুন ৰাম মেঘৱালে স্পষ্টভাৱে কয় যে ন্যায়িক ব্যৱস্থাৰ সংস্কাৰৰ অংশ হিচাপে উচ্চতম ন্যায়ালয়ত ন্যায়াধীশৰ সংখ্যা বৃদ্ধি কৰা হৈছে, আৰু এই পদক্ষেপে আদালতৰ কাৰ্যক্ষমতা বৃদ্ধি কৰাৰ লগতে দীৰ্ঘদিন ধৰি জমা হৈ থকা গোচৰসমূহৰ নিষ্পত্তি ত্বৰান্বিত কৰাত গুৰুত্বপূৰ্ণ সহায় কৰিব। তেওঁ লগতে জনায় যে চৰকাৰে গোচৰৰ বকেয়া হ্ৰাস কৰাৰ লক্ষ্যৰে বিকল্প বিবাদ নিষ্পত্তি ব্যৱস্থা শচএডিআৰগ্ন অধিক শক্তিশালী কৰাৰ দিশত গুৰুত্ব আৰোপ কৰিছে, আৰু মধ্যস্থতা আৰু বুজাবুজিৰ জৰিয়তে বিবাদ নিষ্পত্তিৰ ব্যৱস্থা গ্ৰহণ কৰি গোচৰসমূহৰ সময় হ্ৰাস কৰাত সহায় কৰিব বুলি আশা কৰে। ইয়াৰ উপৰিও মেঘৱালে ন্যায়পালিকাৰ সৈতে সম্পূৰ্ণ সমন্বয় ৰাখি কাম কৰিবলৈ কেন্দ্ৰীয় চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ বুলি উল্লেখ কৰে।

## ডুমডুমাত জনকল্যাণ আঁচনিৰ ভূমিপৰ্যায়ৰ ৰূপায়ণ পৰীক্ষা

সৈতে পৰ্যালোচনা কৰাৰ লগতে ডুমডুমা পৌৰসভাৰ অধীনত ৰূপায়ণ হৈ থকা বিভিন্ন সৌন্দৰ্যবৰ্ধন প্ৰকল্প, জাবৰ নিষ্কাশন প্ৰক্ৰিয়া, স্বচ্ছ ভাৰত মিছনৰ বিভিন্ন কাৰ্যসূচীৰ অগ্ৰগতিৰ বুজ লয়। খাদ্য আৰু ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ অগ্ৰগতিৰ ওপৰতো বিস্তৃতভাৱে সভাত আলোচনা কৰা হয়। মন্ত্ৰীগৰাকীয়ে বিভাগীয় কাম-কাজসমূহৰ সফল ৰূপায়ণৰ জৰিয়তে ৰাইজক সেৱা আগবঢ়াবলৈ বিষয়াসকলক নিৰ্দেশ প্ৰদান কৰাৰ লগতে লগতে বিভিন্ন ক্ষেত্ৰত থকা সমস্যা আৰু এই সমস্যাসমূহৰ সমাধানৰ বাবে প্ৰয়োজনীয় দিশ-নিৰ্দেশনা আগবঢ়ায়। আজিৰ সভাত ডুমডুমা বিধানসভা সমষ্টিৰ বিধায়ক ৰূপেশ গোৱালা, ডিব্ৰুগড় বিধান সভা সমষ্টিৰ বিধায়ক প্ৰশান্ত ফুকন, গৃহ নিৰ্মাণ আৰু নগৰ উন্নয়ন বিভাগৰ আয়ুক্ত সচিব কবিতা পদ্মনাভন, পৌৰ প্ৰশাসনৰ সঞ্চালক টংকেশ্বৰ দাস, ডুমডুমা পৌৰসভাৰ পৌৰপতি কান্তা ভট্টাচাৰ্য, উপ-পৌৰপতি মণি দত্ত, কাৰ্যবাহী বিষয়া বিদ্যুৎ বিকাশ চাংমাইৰ লগতে অন্যান্য বিভাগীয় বিষয়াসকল উপস্থিত থাকে। সভাৰ অন্তত মন্ত্ৰী কৌশিক ৰায়ে তিনিচুকীয়া জিলাৰ কেইবাখনো সুলভ মূল্যৰ দোকান, গাঁও পঞ্চায়ত সমবায় সমিতি আৰু ধান ক্ৰয় কেন্দ্ৰ পৰিদৰ্শন কৰে। পৰিদৰ্শনৰ কালছোৱাত চৰকাৰী আঁচনিৰ বাস্তৱায়ন, খাদ্য সামগ্ৰী বিতৰণ ব্যৱস্থা, ধান ক্ৰয় প্ৰক্ৰিয়া আৰু জনসাধাৰণক আগবঢ়োৱা সেৱাৰ মানদণ্ডৰ বুজ লোৱাৰ লগতে সংশ্লিষ্ট বিষয়াসকলক প্ৰয়োজনীয় পৰামৰ্শ আগবঢ়ায়। মন্ত্ৰীগৰাকীৰ এই পৰিদৰ্শনে সেৱাসমূহ অধিক স্বচ্ছ, দায়বদ্ধ আৰু জনমুখী কৰি তোলাৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব লাভ কৰিব বুলি আশা কৰা হৈছে।

**শতাধিক কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা, শিক্ষাৰ মান উন্নয়নত অধিক গুৰুত্ব আৰোপ**

## মেৰাপানীত শুভ বৰুৱা শৈক্ষিক প্ৰতিভা বঁটা আৰু 'জ্ঞান বিকাশ যোজনা-২০২৬'ৰ শৈক্ষিক জলপানি বিতৰণ

**অসম বাৰ্তা, মেৰাপানী, ৫ আগষ্ট ঃ** গোলাঘাট জিলাৰ মেৰাপানীস্থিত দৈয়াং চিনিয়ৰ চেকেগুৱাৰী স্কুলৰ প্ৰাংগণত সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ দৈয়াং আৰু গোলাঘাট পৰিষদীয় সমষ্টিৰ উদ্যোগত 'শুভ বৰুৱা শৈক্ষিক প্ৰতিভা বঁটা' আৰু 'জ্ঞান বিকাশ যোজনা-২০২৬'ৰ অধীনত শৈক্ষিক জলপানি বিতৰণ অনুষ্ঠান গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত অনুষ্ঠিত হয়। অনুষ্ঠানত পৰিষদীয় সমষ্টিদ্বয়ৰ অন্তৰ্গত মেট্ৰিক আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা শতাধিক ছাত্ৰ-ছাত্ৰীক শৈক্ষিক জলপানি আৰু সম্বৰ্ধনা প্ৰদান কৰা হয়। অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ সোণোৱাল। বিশেষ অতিথি হিচাপে উপস্থিত থাকে সমাজকৰ্মী পোনা বৰা, দৈয়াং চিনিয়ৰ চেকেগুৱাৰী স্কুলৰ অধ্যক্ষ ড° বিদুৰ কুমাৰ বৰুৱা, গোলাঘাট জিলা সাহিত্য সভাৰ সম্পাদক দুলাল চন্দ্ৰ দাস, গোলাঘাট জিলা সাংবাদিক সন্থাৰ সভাপতি নগেন বৰাকে ধৰি সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ বিষয়ববীয়া আৰু কেওতা সংগঠনৰ প্ৰতিনিধিসকল। অনুষ্ঠানত ভাষণ প্ৰদান কৰি অতিথিসকলে কয় যে, শিক্ষাই এখন সমাজক আগুৱাই নিয়াৰ মূল শক্তি। শিক্ষাৰ ক্ষেত্ৰত কৃতিত্ব অৰ্জন কৰা ছাত্ৰ-ছাত্ৰীসকলক সময়মতে উৎসাহ আৰু স্বীকৃতি প্ৰদান কৰিলে তেওঁলোক ভৱিষ্যতেও অধিক উৎসাহেৰে আগবাঢ়িবলৈ অনুপ্ৰাণিত হয়। সেয়েহে সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদে গ্ৰহণ কৰা এই পদক্ষেপ বিশেষভাৱে প্ৰশংসনীয় বুলি তেওঁলোকে উল্লেখ কৰে। মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ সোণোৱালে নিজৰ ভাষণত শিক্ষাৰ মান উন্নয়ন, মেধাৱী শিক্ষাৰ্থীক উৎসাহিত কৰা আৰু উচ্চ শিক্ষাৰ ক্ষেত্ৰত আগবঢ়াই নিয়াৰ বাবে পৰিষদে আগন্তুক দিনতো বিভিন্ন কল্যাণমূলক আঁচনি ৰূপায়ণ অব্যাহত ৰাখিব বুলি আশ্বাস দিয়ে। লগতে কৃতী ছাত্ৰ-ছাত্ৰীসকলক অধ্যৱসায়, শৃংখলা আৰু কঠোৰ পৰিশ্ৰমৰ জৰিয়তে সমাজ আৰু জাতিৰ উন্নয়নত অৰিহণা যোগাবলৈ আহ্বান জনায়। অনুষ্ঠানৰ অন্তত দৈয়াং আৰু গোলাঘাট পৰিষদীয় সমষ্টিৰ অন্তৰ্গত শতাধিক মেট্ৰিক আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীৰ হাতত 'শুভ বৰুৱা শৈক্ষিক প্ৰতিভা বঁটা' আৰু 'জ্ঞান বিকাশ যোজনা-২০২৬'ৰ অধীনত শৈক্ষিক জলপানি আনুষ্ঠানিকভাৱে বিতৰণ কৰা হয়। অনুষ্ঠানটোত শিক্ষক-শিক্ষয়িত্ৰী, অভিভাৱক, সমাজৰ বিশিষ্ট ব্যক্তি আৰু বহু সংখ্যক ৰাইজৰ উপস্থিতিয়ে এক উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি কৰে।

## শংকৰদেৱ মহাবিদ্যালয়ৰ শৈক্ষিক ভৱনৰ শুভ উদ্বোধনী অনুষ্ঠানত উপস্থিত বিধায়ক ভূপেন কুমাৰ বৰা



**অসম বাৰ্তা, বান্দৰদেৱা, ৫ আগষ্ট ঃ** লখিমপুৰ জিলাৰ অসম অৰুণাচল সীমান্তৱতী বিহপুৰীয়া সমষ্টিৰ অন্তৰ্গত বৃহত্তৰ পথালিপাহাৰ অঞ্চলটোত অৱস্থিত একমাত্ৰ উচ্চ শিক্ষানুষ্ঠানটি হৈছে শংকৰদেৱ মহাবিদ্যালয়। উক্ত মহাবিদ্যালয়খনৰ উপাৰ্জন হোৱা পুঁজিৰে নিৰ্মাণ কৰা ১৫০ ফুট দীঘল, ২০ ফুট বহল আৰু ৬টা শ্ৰেণীকোঠা থকা দ্বিতীয় মহলাৰ পকী শৈক্ষিক ভৱনটি আজি বিহপুৰীয়া সমষ্টিৰ বিধায়ক ভূপেন কুমাৰ বৰাৰ উপস্থিতিত মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° সোণাৰাম কলিতাই ফিতা কাটি শুভ উদ্বোধন কৰে। ইয়াৰ পাছতে মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হোৱা এখন গাম্ভীৰ্যপূৰ্ণ সভাত বিধায়ক গৰাকীয়ে শৈক্ষিক দিশত অগ্ৰগতিৰ ক্ষেত্ৰত বিশেষ আলোকপাত কৰা পৰিলক্ষিত হয়। বিধায়ক পুঁজিৰ পৰা ৪০ লাখ টকা ব্যয়ৰে নিৰ্মাণ হৈ থকা ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা শংকৰদেৱ মহাবিদ্যালয়ৰ সংযোগী মূল পথছোৱাৰ নিৰ্মাণৰ কাম কিছুদিনৰ পাছতে সম্পূৰ্ণ হৈ উঠিব বুলি সংবাদ মাধ্যমক জানিবলৈ দিয়ে।

**পঞ্চায়ত সভানেত্ৰীৰ বিৰুদ্ধে আঁচনি ৰূপায়ণত দুৰ্নীতিৰ অভিযোগ**

## ৮৩ নং মাৰ্ঘেৰিটা বিধান সভা সমষ্টিৰ কুমচাই গাঁও পঞ্চায়তত ব্যাপক অনিয়ম

**অসম বাৰ্তা বিশেষ, জাগুন, ৫ আগষ্ট ঃ** ৮৩ নং মাৰ্ঘেৰিটা বিধানসভা সমষ্টিৰ অন্তৰ্গত বিভিন্ন পঞ্চায়ত সমূহত আঁচনি ৰূপায়ণৰ নামত বৰ্তমান আৰম্ভ হৈছে দুৰ্নীতিৰ প্ৰতিযোগিতা। এনে এক দুৰ্নীতিৰ অভিযোগ উত্থাপন হৈছে সমষ্টিটোৰ কুমচাই গাওঁ পঞ্চায়তৰ সভানেত্ৰী ক্ৰান্তি চাংৱালৰ বিৰুদ্ধে। সভানেত্ৰী গৰাকীয়ে পঞ্চদশ বিত্তীয় আয়োগৰ ২০২৫/২৬ বৰ্ষৰ কথা গাওঁ আয়ুস্মান আৰোগ্য মন্দিৰৰ তিনি লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ হব লগা শৌচালয়ৰ ক্ষেত্ৰত অনিয়ম সংঘটিত কৰাৰ অভিযোগ উত্থাপন হৈছে। অভিযোগ অনুসৰি অসম চৰকাৰৰ আৰ্হি প্ৰাককলন অনুযায়ী শৌচালয়টো নিৰ্মাণ কৰিব লাগে দীঘে-প্ৰস্থই ১২/১৩ ফুট, কিন্তু পঞ্চায়ত সভানেত্ৰী ক্ৰান্তি চাংৱালে শৌচালয়টো নিৰ্মাণ কৰিছে ৬/৭ ফুটৰ। ইয়াকে লৈ বৰ্তমানে সচেতন মহলৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হোৱা দেখা গৈছে। এই সমগ্ৰ বিষয়টো পোহৰলৈ আহে নতুনকৈ যোগদান কৰা পঞ্চায়ত সচিব সীমা গগৈৰ দ্বাৰা। সীমা গগৈৰ ভাষ্য অনুসৰি উক্ত কামটো আৰম্ভ কৰা হৈছিল পূৰ্বৰ সচিব গৰাকীৰ কাৰ্যকালত আৰু সেই সময়তে আৱণ্টিত ধনৰ দুটা কিস্তি মুকলি কৰি দিয়া হৈছিল। সীমা গগৈৰ যোগদানৰ পিছতে তৃতীয় কিস্তি মুকলি কৰি দিয়া হৈছিল যদিও শৌচালয়টো নিৰ্মাণত বিসংগতি দেখা পাই সচিব গৰাকীয়ে খণ্ড উন্নয়ন বিষয়া আৰু কাৰ্যবাহী অভিযন্তাক বিষয়টো অৱগত কৰে লগে লগেই খণ্ড উন্নয়ন বিষয়াই পঞ্চায়ত সচিব সীমা গগৈক পৰৱৰ্তী কিস্তি মুকলি কৰি নিদিবলৈ নিৰ্দেশ দিয়ে। দুৰ্ভাগ্য জনক বিষয়টো হৈছে যে ইতিমধ্যে সভানেত্ৰী ক্ৰান্তি চাংৱালে সচিব সীমা গগৈক আবণ্টিত সমুদায় ধন মোকলাই দিবৰ বাবে বাৰম্বাৰ হেঁচা প্ৰয়োগ কৰি আহিছে। সচিব সীমা গগৈ সভানেত্ৰী গৰাকীৰ দাবী মানি লবলৈ অস্বীকাৰ কৰাত সভানেত্ৰী গৰাকীয়ে আমাৰেই চৰকাৰ, আমাৰেই বিধায়ক বুলি দম্ভালি মাৰি মোৰ ওপৰত কেবিনেট মন্ত্ৰীৰ আশীৰ্বাদ আছে কেনেকৈ ধন মোকলাই নিদিয় চাই লম বুলি ভাবুকি প্ৰদান কৰাৰ অভিযোগ উত্থাপন হৈছে। এই সমগ্ৰ বিষয়টোৰ এক উচ্চ পৰ্যায়ৰ তদন্তৰ দাবী তুলিছে ছাত্ৰ মুক্তি সংগ্ৰাম সমিতি, চাহ জনজাতি ছাত্ৰ সন্থাকে ধৰি কেইবাটাও দল সংগঠন তথা স্থানীয় ৰাইজে।

## মৰিগাঁৱত ন্যূনতম সমৰ্থিত মূল্যত ধান ক্ৰয় প্ৰক্ৰিয়া তৰান্বিত কৰিবলৈ মিকিৰভেটা ধান ক্ৰয় কেন্দ্ৰ মুকলি

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ৫ আগষ্ট ঃ** চৰকাৰৰ ন্যূনতম সমৰ্থিত মূল্য (MSP)-ত ধান ক্ৰয় প্ৰক্ৰিয়া অধিক তৰান্বিত কৰাৰ উদ্দেশ্যে মৰিগাঁও জিলা কৃষি বিভাগে আজি মিকিৰভেটা ধান ক্ৰয় কেন্দ্ৰ আনুষ্ঠানিকভাৱে মুকলি কৰে। অনুষ্ঠানত মৰিগাঁও বিধানসভা সমষ্টিৰ বিধায়ক ৰমাকান্ত দেউৰী মুখ্য অতিথি হিচাপে উপস্থিত থাকি ধান উৎপাদনকাৰী কৃষকসকলক চৰকাৰৰ ন্যূনতম সমৰ্থিত মূল্যত ধান বিক্ৰী কৰি এই সুবিধাৰ পূৰ্ণ সদ্ব্যৱহাৰ কৰিবলৈ আহ্বান জনায়। তেখেতে কয় যে চৰকাৰে কৃষকৰ স্বাৰ্থ সুৰক্ষিত কৰাৰ উদ্দেশ্যে স্বচ্ছ আৰু সহজ পদ্ধতিৰে ধান ক্ৰয়ৰ ব্যৱস্থা কৰিছে। সেয়েহে কৃষকসকলে কোনো মধ্যভোগী বা দালালক প্ৰশ্ৰয় নিদি চৰকাৰক পোনপটীয়াকৈ ধান বিক্ৰী কৰি উচিত মূল্য লাভ কৰা উচিত। উল্লেখ্য যে অসম চৰকাৰে সংশ্লিষ্ট বিভাগসমূহৰ সহযোগত এইবাৰ প্ৰতি কুইণ্টল ধান ২, ৫৬৯ টকা দৰত ক্ৰয় কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছে। এই পদক্ষেপে কৃষকসকলৰ আয় বৃদ্ধি আৰু কৃষি খণ্ডক অধিক শক্তিশালী কৰাত বিশেষ ভূমিকা পালন কৰিব বুলি আশা প্ৰকাশ কৰা হয়। মৰিগাঁও জিলা কৃষি বিভাগে জিলাখনৰ বিভিন্ন ধান ক্ৰয় কেন্দ্ৰৰ জৰিয়তে কৃষকৰ পৰা ধান ক্ৰয় প্ৰক্ৰিয়া তৰান্বিত কৰি আহিছে। এই উদ্দেশ্যে সংশ্লিষ্ট কৃষি উন্নয়ন বিষয়াসকলৰ জৰিয়তে ধান বিক্ৰীৰ বাবে প্ৰয়োজনীয় প্ৰমাণ-পত্ৰ প্ৰদানৰ ব্যৱস্থাও কৰা হৈছে, যাতে কৃষকসকলে কোনো অসুবিধা নোহোৱাকৈ ধান বিক্ৰী কৰিব পাৰে। অনুষ্ঠানত সহকাৰী কৃষি সঞ্চালক অসীম কুমাৰ নাথ, মহকুমা কৃষি বিষয়া মেহেদী আৰিফ হুচেইন, মুছাহীদ ফাৰুকী, কৃষি উন্নয়ন বিষয়া অনিন্দিতা শইকীয়া, সংশ্লিষ্ট কৃষি সম্প্ৰসাৰণ সহায়কসকলৰ লগতে বৃহৎ সংখ্যক কৃষক উপস্থিত থাকে।

## প্ৰধানমন্ত্ৰী মোদীৰ ফেচবুক ভিডিঅ'

জুকাৰবাৰ্গে ব্যক্তিগতভাৱে এই ঘটনাৰ বাবে ক্ষমা বিচাৰিব লাগে, কাৰণ এই কাৰ্য্যই প্ৰধানমন্ত্ৰীৰ সন্মানৰ লগতে দেশৰ ইমেজতো প্ৰশ্ন চিন সৃষ্টি কৰিছে। ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰে ছ'চিয়েল মিডিয়া প্লেটফৰ্মসমূহৰ উত্তৰদায়িত্বৰ প্ৰতি এক অত্যন্ত কঠোৰ স্থিতি গ্ৰহণ কৰিছে আৰু এই ঘটনাৰ পাছতে চৰকাৰে প্ৰধান টেক কোম্পানীসমূহক কঠোৰ সকীয়নি প্ৰদান কৰিছে, লগতে স্পষ্ট কৰি দিছে যে যদি নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত সন্তোষজনক উত্তৰ আৰু প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰা নহয়, তেন্তে সেই কোম্পানীসমূহৰ বিৰুদ্ধে কঠোৰ আইনী পদক্ষেপ গ্ৰহণ কৰা হ'ব পাৰে। চৰকাৰে তথ্য প্ৰযুক্তি আইনৰ অধীনত ছ'চিয়েল মিডিয়া প্লেটফৰ্মবোৰে লাভ কৰা 'ছেফ হাৰ্বাৰ' (Safe Harbour) সুৰক্ষা প্ৰত্যাহাৰ কৰাৰ সম্ভাৱনাও বিবেচনা কৰি থকা বুলি জানিবলৈ দিয়া হৈছে, যাৰ অৰ্থ হ'ল নিজৰ প্লেটফৰ্মত থকা তৃতীয় পক্ষৰ সমলৰ বাবে কোম্পানীবোৰক আইনীভাৱে দায়ী কৰিব পৰা যাব। জানিব পৰা মতে, চৰকাৰে ফেচবুকৰ প্ৰতিষ্ঠাপক মাৰ্ক জুকাৰবাৰ্গক তিনি দিনৰ ভিতৰত স্পষ্টীকৰণ দিবলৈ, ক্ষমা বিচাৰিবলৈ আৰু প্ৰয়োজনীয় ব্যৱস্থা ল'বলৈ সময়সীমা দিছে, আৰু এই সময়ছোৱাত কোম্পানীটোৰ ফালৰ পৰা কোনো সন্তোষজনক সঁহাৰি নাহিলে চৰকাৰে আৰু অধিক কঠোৰ হ'ব পাৰে। ইফালে চৰকাৰে গুগল, ইউটিউব, এক্স (টুইটাৰ), ফেচবুক, হোৱাটছএপ, ইনষ্টাগ্ৰাম আৰু স্নেপচেটকে ধৰি সকলো মুখ্য ছ'চিয়েল মিডিয়া প্লেটফৰ্মক নিৰ্দেশ দিছে যে শিশুৰ যৌন নিৰ্যাতন (CSEAM) আৰু মহিলা সম্পৰ্কীয় আপত্তিজনক যৌন সমল তিনি দিনৰ ভিতৰত আঁতৰোৱাটো নিশ্চিত কৰিব লাগে, অন্যথা সংশ্লিষ্ট প্লেটফৰ্মসমূহৰ বিৰুদ্ধে কঠোৰ আইনী ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি জনাইছে। উল্লেখ্য যে সংসদৰ তথ্য প্ৰযুক্তি বিষয়ক স্থায়ী সমিতিৰ, আগষ্টত অনুষ্ঠিত তিনি ঘণ্টাতকৈও অধিক সময় ধৰি চলা বৈঠকৰ পাছত সমিতিৰ সভাপতি নিশিকান্ত ডুবেই সংবাদ মাধ্যমৰ আগত কৈছিল যে মেটাই নিজেই স্বীকাৰ কৰিছে যে প্ৰধানমন্ত্ৰীৰ ভিডিঅ'টো ৰাতি ৰচ ৩০ বজাৰ পৰা ৰাতিপুৱা ৫ বজালৈ, অৰ্থাৎ প্ৰায় পাঁচ ঘণ্টা ধৰি প্লেটফৰ্মত উপলব্ধ নাছিল, যিটো অতি গুৰুতৰ বিষয় বুলি তেওঁ অভিহিত কৰে। তেওঁ লগতে কয় যে যদি জুকাৰবাৰ্গে ব্যক্তিগতভাৱে ক্ষমা নিবিচাৰে, তেন্তে তথ্য প্ৰযুক্তি আইনৰ ৭৯ নং ধাৰাৰ অধীনত মেটাই লাভ কৰা 'ছেফ হাৰ্বাৰ' সুৰক্ষা ঘূৰাই লোৱাৰ বিষয়ে চৰকাৰে গম্ভীৰভাৱে বিবেচনা কৰিব লাগে, কাৰণ এই সুৰক্ষা ব্যৱস্থাটোৱে ছ'চিয়েল মিডিয়া নেটৱৰ্ক আৰু ইণ্টাৰনেট সেৱা প্ৰদানকাৰীসকলক নিজৰ প্লেটফৰ্মত থকা তৃতীয় পক্ষৰ সমলৰ বাবে আইনীভাৱে দায়বদ্ধ হ'ব নলগা সুবিধা প্ৰদান কৰে। এই ঘটনাই ডিজিটেল জগতত মুখ্যমণ্ডলীৰ সন্মান আৰু অনলাইন বিষয়বস্তুৰ নৈতিকতা সম্পৰ্কে এক গুৰুত্বপূৰ্ণ প্ৰশ্ন উত্থাপন কৰিছে।

## ডিচেম্বৰত বাংলাদেশলৈ উভতিব

অৱস্থাৰ কথা উল্লেখ কৰিবলৈ গৈ প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকী এনে আৱেগিক হৈ পৰে যে তেওঁ নিজৰ চকুৰ পানী ৰাখিব নোৱাৰিলে, আৰু কান্দি কান্দি কয় যে বৰ্তমানৰ বাংলাদেশখন সেই বাংলাদেশ নহয়, যাৰ স্বাধীনতাৰ বাবে লাখ লাখ লোকেই নিজৰ জীৱন আহুতি দিছিল। বাংলাদেশৰ স্বাধীনতা সংগ্ৰাম আৰু সেই সময়ত দেশবাসীয়ে দিয়া আত্মবলিদানৰ কথা মনত পেলাই তেওঁ ক্ষোভ আৰু গভীৰ দুখেৰে কয় যে বৰ্তমানৰ হিংসাত্মক আৰু বিশৃংখল পৰিৱেশে সেই মহান ত্যাগক সম্পূৰ্ণৰূপে অপমানিত কৰিছে, যাৰ ফলত তেওঁৰ হৃদয়খন সম্পূৰ্ণৰূপে ভাঙি পেলাইছে। সংবাদমেলত হাছিনাই স্পষ্টভাৱে কয় যে তেওঁ নিজৰ দেশলৈ উভতি যাব বিচাৰে আৰু সকলোবোৰ দিশ পৰ্যালোচনা কৰি চলিত বৰ্ষৰ ডিচেম্বৰ মাহত তেওঁ বাংলাদেশলৈ ঘূৰি আহিব বুলি ঘোষণা কৰে। তেওঁ লগতে কয় যে ২০২৪ চনৰ জুলাই আৰু আগষ্ট মাহত সংঘটিত হিংসাত্মক পৰিস্থিতি কোনো শান্তিপূৰ্ণ ছাত্ৰ আন্দোলন নাছিল, বৰঞ্চ তেওঁৰ চৰকাৰে আৰম্ভণিৰে পৰা আলোচনা, আইনী প্ৰক্ৰিয়া আৰু ধৈৰ্য্যৰ জৰিয়তে সমস্যাটো শান্তিপূৰ্ণভাৱে সমাধান কৰিবলৈ চেষ্টা কৰিছিল, কিন্তু সংস্কাৰৰ ভাষাৰ আঁৰত লুকাই থকা সংগঠিত গোটসমূহে ছাত্ৰ-ছাত্ৰীসকলৰ দাবীক হিংসাত্মক ৰাজনৈতিক অস্ত্ৰলৈ ৰূপান্তৰিত কৰিছিল। ইফালে ৫ আগষ্টৰ পিছত এই হিংসা এক পূৰ্ণাংগ ৰাজনৈতিক অত্যাচাৰৰ অভিযানত পৰিণত হয় বুলি অভিযোগ উত্থাপন কৰি হাছিনাই কয় যে ১৬ জুলাইত ঢাকা কলেজৰ ছাত্ৰ তথা ছাত্ৰ লীগৰ কৰ্মী ছাবুজ আলীৰ হত্যাকাণ্ডৰ পৰা আৰম্ভ হোৱা এই হত্যাকাণ্ডৰ ধাৰাবাহিকতা এতিয়াও বন্ধ হোৱা নাই, আৰু আৱামি লীগৰ নেতা-কৰ্মী আৰু শ্ৰমিকসকলক হত্যা, অপহৰণ, গ্ৰেপ্তাৰ, ঘৰৰ পৰা উচ্ছেদ আৰু ভুৱা গোচৰৰ সন্মুখীন কৰোৱা হৈছে। হাছিনাই দাবী কৰে যে এই অস্থিৰ পৰিস্থিতিত কমেও ১০ হাজাৰ লোকৰ মৃত্যু হৈছে বা নিৰুদ্দেশ হৈছে, আৰু যোৱা দুবছৰত প্ৰায় ৬ লাখ ৫০ হাজাৰ লোকক গ্ৰেপ্তাৰ কৰা হৈছে, ৩৫০০ গোচৰ ৰুজু হৈছে, যাৰ অৰ্থ প্ৰায় ৪ লাখ ৫০ হাজাৰ নেতা, শ্ৰমিক আৰু সমৰ্থকে অভিযোগৰ সন্মুখীন হৈছে, লগতে ১০ লাখতকৈ অধিক লোকক নাম প্ৰকাশ নকৰা অভিযুক্ত হিচাপে তালিকাভুক্ত কৰা হৈছে। দেশ এৰিবলগীয়া হোৱাৰ পাছত বাংলাদেশৰ আইনী ব্যৱস্থা, শান্তি আৰু স্থিৰতাৰ যে চৰম অৱনতি ঘটিছে, তাৰ বাবে তেওঁ তীব্ৰ উদ্বেগ প্ৰকাশ কৰে আৰু এই বক্তব্যই বৰ্তমান বাংলাদেশৰ ৰাজনৈতিক আৰু সামাজিক অস্থিৰতাক পুনৰবাৰ আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত চৰ্চাৰ বিষয়বস্তু কৰি তুলিছে। উল্লেখযোগ্য যে ২০২৪ চনৰ ৫ আগষ্টত গণ আন্দোলন আৰু ৰাজনৈতিক অস্থিৰতাৰ মাজতে প্ৰধানমন্ত্ৰীৰ পদ এৰি দেশ ত্যাগ কৰা শ্বেইখ হাছিনাই সেই ঘটনাৰ দুবছৰ পূৰ্ণ হোৱা দিনটোতেই এই ভাৰ্চুৱেল সংবাদমেলখন অনুষ্ঠিত কৰে, যাৰ জৰিয়তে তেওঁ নিজৰ পক্ষৰ যুক্তি আৰু বৰ্তমান বাংলাদেশৰ পৰিস্থিতিৰ বিষয়ে বিশ্ববাসীৰ সন্মুখত স্পষ্ট বক্তব্য আগবঢ়ায়।

## বান বিধ্বস্ত এলেকা পৰিদৰ্শন কেন্দ্ৰীয় মন্ত্ৰী জেপি নাড্ডাৰ

নেপালীখুঁটিত থকা আশ্ৰয়শিবিৰত শাৰী শাৰী কাতৰ মানুহৰ সৈতে মুখামুখি হৈ নাড্ডাই তেওঁলোকৰ হেৰুওৱা ঘৰ-বাৰী, জীৱ-জন্তু আৰু খেতি-পথাৰৰ ক্ষতিৰ কথা আন্তৰিকতাৰে শুনে আৰু তেওঁলোকক সান্ত্বনা দিয়ে। পাছত সংবাদ মাধ্যমৰ আগত মন্ত্ৰী নাড্ডাই স্পষ্টকৈ কয় যে এই বানৰ ক্ষতিটো অতি ব্যাপক, মানুহৰ প্ৰাণহানিৰ লগতে বহু পশুধন আৰু গৃহস্থালি নষ্ট হৈছে, আৰু স্বাভাৱিক জীৱনলৈ ঘূৰাই আনিবলৈ যথেষ্ট সময় লগাৰ সম্ভাৱনা আছে। তেওঁ উল্লেখ কৰে যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উজনি অসমৰ বানৰ অৱস্থা নিয়মীয়াকৈ পৰ্যবেক্ষণ কৰি আছে আৰু তেওঁ নিজেই প্ৰধানমন্ত্ৰীৰ নিৰ্দেশত অসমলৈ আহি পৰিস্থিতিৰ বুজ লৈছে। কেন্দ্ৰীয় চৰকাৰৰ তৰফৰ পৰা ত্ৰাণ, উদ্ধাৰ আৰু পুনৰ্বাসনৰ বাবে প্ৰয়োজনীয় সকলো ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি নাড্ডাই দৃঢ়তাৰে ঘোষণা কৰে। ইতিমধ্যে মঙলবাৰে অসমত উপস্থিত হোৱা নাড্ডাই বুধবাৰে শিৱসাগৰৰ উপৰিও চৰাইদেউ জিলাও ভ্ৰমণ কৰি বানৰ প্ৰভাৱ দৰ্শন কৰে। তেওঁৰ পৰৱৰ্তী ভ্ৰমণসূচী অনুসৰি ৬ আগষ্টত তেওঁ ডিব্ৰুগড়ৰ পৰা অৰুণাচল প্ৰদেশলৈ যাব আৰু তাৰ পিছত নাগালেণ্ডৰ মন জিলালৈ গৈ অসমলৈ অকালতে নামি অহা পাহাৰীয়া পানীৰ উৎস আৰু ইয়াৰ কাৰণসমূহ অনুসন্ধান কৰিব। উল্লেখ্য যে ১৯ জুলাইৰ বানপানীৰ পাছতো যোৰহাট, শিৱসাগৰ আৰু চৰাইদেউ জিলাত পানী কিছু পৰিমাণে নুই গ'লেও বন্যাৰ্তসকলৰ মনৰ পৰা আতংক আৰু অশ্ৰু মচি যোৱা নাই, বহু পৰিয়াল এতিয়াও শিবিৰত আশ্ৰয় লৈ আছে। লগতে নাজিৰাত বানৰ পৰৱৰ্তী সময়ত ৰোগৰ প্ৰাদুৰ্ভাৱ ঘটিছে, য'ত একেটা পৰিয়ালৰ দুজন লোকৰ জ্বৰত মৃত্যু হোৱা বুলি খবৰ পোৱা গৈছে, যাৰ বাবে চিকিৎসা বিভাগ সতৰ্ক হৈ উঠিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই নাড্ডাৰ পৰিদৰ্শনৰ সময়ত ৰাজ্য চৰকাৰে চলোৱা উদ্ধাৰ কাৰ্য্যৰ বিৱৰণ দাঙি ধৰে আৰু কেন্দ্ৰৰ সৈতে হাত মিলাই দ্ৰুত পুনৰ্বাসনৰ প্ৰতিশ্ৰুতি দিয়ে। এই পৰিদৰ্শনে বানপীড়িত লোকসকলৰ মাজত কিছু আশাৰ সঞ্চাৰ কৰিছে যদিও প্ৰকৃত পুনৰুদ্ধাৰৰ বাবে দীৰ্ঘম্যাদী পৰিকল্পনা আৰু আৰ্থিক সহায়ৰ প্ৰয়োজন বুলি বিশেষজ্ঞসকলে মত প্ৰকাশ কৰিছে। ইটিভি ভাৰত অসমৰ সূত্ৰই জনোৱা মতে, কেন্দ্ৰীয় চৰকাৰৰ এই সক্ৰিয়তাই অসমৰ বান দুৰ্যোগ মোকাবিলাত গুৰুত্বপূৰ্ণ ভূমিকা ল'ব বুলি আশা কৰা হৈছে।

## অসমৰ ঐতিহ্যবাহী চাহ উদ্যোগৰ বাবে

কেইবাটাও জৰুৰী দাবী উত্থাপন কৰে। সভাপতি বৰাইকে কয় যে উজনি অসমৰ চাৰিখন জিলাত সংঘটিত ভয়ংকৰ বানে চাহ উদ্যোগটোৰ লগতে সমগ্ৰ চাহ বাগান অঞ্চলৰ শ্ৰমিক পৰিয়ালসমূহক একপ্ৰকাৰ সম্পূৰ্ণৰূপে বিধ্বস্ত কৰি পেলাইছে, কাৰণ যদিও সাধাৰণতে চাহবাগানসমূহ ওখ ঠাইত অৱস্থিত, তথাপি এই প্ৰলয়ংকাৰী বানে সেই বাগানসমূহকো ধ্বংস কৰি দিছে, আৰু অন্যান্য অঞ্চলৰ দৰে চাহ বাগানৰ দৈনিক হাজিৰা কৰা শ্ৰমিকসকলৰ ঘৰ-বাৰী, কাপোৰ-কানি আৰু সৰ্বস্ব বানে কঢ়িয়াই নিয়া বাবে তেওঁলোকৰ জীৱন-যাপন অত্যন্ত কঠিন হৈ পৰিছে। তেওঁ উল্লেখ কৰে যে এই শ্ৰমিকসকলে বিগত ২০ দিন ধৰি কোনো ধৰণৰ কৰ্মত নিয়োজিত হ'ব পৰা নাই, যাৰ বাবে তেওঁলোকে নিৰ্বাহৰ বাবে প্ৰয়োজনীয় মজুৰিও লাভ কৰা নাই, গতিকে চৰকাৰ আৰু বাগান কৰ্তৃপক্ষই দৈনিক হাজিৰা কৰা এই শ্ৰমিকসকলক উপযুক্ত মজুৰি প্ৰদান কৰাৰ বাবে এক সু-ব্যৱস্থা সোনকালে গ্ৰহণ কৰিব লাগে। ইফালে চিকিৎসা সেৱাৰ বিষয়েও সভাপতি বৰাইকে গুৰুত্ব আৰোপ কৰি কয় যে অন্যান্য অঞ্চলৰ দৰে চাহ বাগানসমূহতো বহু সময়ত শ্ৰমিকসকলে পৰ্যাপ্ত চিকিৎসা সুবিধা নাপায়, আৰু বৰ্তমান সময়ত বানপানীৰ কবলত পৰা বহু শ্ৰমিক ৰোগগ্ৰস্ত হৈ পৰিছে, সেয়ে চিকিৎসা বিভাগে বাগান অঞ্চলসমূহত শ্ৰমিকসকলে সহজে লাভ কৰিব পৰাকৈ পৰ্যাপ্ত চিকিৎসা সেৱা প্ৰদান কৰিব লাগে, যাতে চিকিৎসাৰ অভাৱত কোনো বানাক্ৰান্তই প্ৰাণ হেৰুওৱাৰ দৰে কৰুণ পৰিস্থিতিৰ সৃষ্টি নহয়। অসমৰ গৌৰৱময় চাহ উদ্যোগৰ ভৱিষ্যত সুৰক্ষিত কৰাৰ বাবে সভাপতি বৰাইকে চৰকাৰৰ ওচৰত আবেদন জনাই যে এই বান সমস্যাৰ স্থায়ী সমাধানৰ বাবে জৰুৰীভাৱে ব্যৱস্থা গ্ৰহণ কৰিব লাগে, কাৰণ বৰ্তমান নদীবোৰৰ মথাউৰিসমূহৰ অৱস্থা অতি শোচনীয়, আৰু পানী নিষ্কাশনৰ কোনো সু-পৰিকল্পিত ব্যৱস্থা নাই, গতিকে চৰকাৰী বিভাগসমূহে এই বিষয়বোৰলৈ গুৰুত্ব প্ৰদান কৰি বান সমস্যা সম্পূৰ্ণৰূপে নিৰ্মূল কৰিবলৈ আটছাই দাবী জনাইছে। টীয়ক চাহ বাগিচাৰ এই পৰিদৰ্শন আৰু দাবীসমূহে বানপীড়িত চাহ উদ্যোগ আৰু শ্ৰমিকসকলৰ প্ৰতি ৰাজ্য চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব বুলি আশা কৰা হৈছে।

## ভূটানে এৰিলে কুৰিশ্বু বান্ধৰ পানী,

কৰিছে আৰু ৰাইজক সজাগ থাকিবলৈ আহ্বান জনাইছে। ভূটানৰ কুৰিশ্বু জলবিদ্যুৎ প্ৰকল্পৰ পৰা পানী এৰি দিয়া উপৰিও বঙাইগাঁও জিলাত অতি বৰষুণ হোৱাৰ সম্ভাৱনা থকাৰ বাবে মানস আৰু আই-মানস নামৰ নৈ দুখনৰ জলস্তৰ আশংকাজনকভাৱে বৃদ্ধি পাইছে আৰু ইতিমধ্যে বিপদসীমাৰ ওপৰলৈ গৈছে। ফলস্বৰূপে নৈ দুখনত প্ৰবল সোঁত আৰু হঠাৎ বানপানীৰ সৃষ্টি হোৱাৰ আশংকা কৰি জিলা প্ৰশাসনে জনসাধাৰণক সতৰ্ক থকাৰ নিৰ্দেশনা দিছে। বুধবাৰে জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ অধ্যক্ষ লক্ষ্মীনন্দন চহৰীয়াই এখন বিশেষ সতৰ্কবাণী জাৰি কৰি ৰাইজক কেতবোৰ নিৰ্দেশনা মানি চলিবলৈ আহ্বান জনায়। প্ৰশাসনে পৰৱৰ্তী নিৰ্দেশ নোপোৱালৈকে মানস আৰু আই-মানস নদীৰ পাৰলৈ যোৱাৰ পৰা বিৰত থাকিবলৈ কয়, লগতে নৈত বা নৈৰ আশে-পাশে মাছ ধৰা, সাঁতোৰা, গা-ধোৱা, নাও চলোৱা অথবা আন যিকোনো ধৰণৰ কাৰ্যকলাপ সম্পূৰ্ণৰূপে বন্ধ ৰাখিবলৈ পৰামৰ্শ দিয়ে। ইফালে পানীত বুৰ গৈ থকা পথ, দলং অথবা নলা পাৰ হ'বলৈ কোনো ধৰণৰ চেষ্টা নকৰিবলৈ আৰু শিশু আৰু পশুবোৰক নদীৰ পাৰ আৰু পানীত প্লাৱিত অঞ্চলৰ পৰা আঁতৰত ৰাখিবলৈ বিশেষভাৱে আহ্বান জনায়। বানপ্ৰৱণ এলেকাত বসবাস কৰা লোকসকলক সজাগ হৈ থাকিবলৈ আৰু প্ৰয়োজন হ'লে সুৰক্ষিত স্থানলৈ স্থানান্তৰিত হোৱাৰ বাবে সাজু থাকিবলৈও জিলা প্ৰশাসনে অনুৰোধ জনাইছে। প্ৰশাসনে সকলো নাগৰিকক এই জৰুৰী পৰিস্থিতিত যাতে কোনেও আতংকিত নহয় আৰু কোনো অতিৰিক্ত সিদ্ধান্ত ল'বলৈ নাযায়, তাৰ বাবে সতৰ্কতা অৱলম্বন কৰি প্ৰশাসনৰ নিৰ্দেশনা মানি চলিবলৈ বিশেষভাৱে আহ্বান জনাইছে। উল্লেখ্য যে উজনি অসমৰ পাছত নামনি অসমৰ এই সম্ভাব্য বান পৰিস্থিতিয়ে ৰাজ্য চৰকাৰ আৰু জিলা প্ৰশাসনক সতৰ্ক হৈ থাকিবলৈ বাধ্য কৰিছে, আৰু আগন্তুক কেইঘণ্টাত পৰিস্থিতি কেনেদৰে গতি লয় তাৰ ওপৰতেই নিৰ্ভৰ কৰিব পিছৰ পদক্ষেপবোৰ।

## লখিমপুৰত উদ্বোধন ৰাজ্যৰ প্ৰথম

কোনো চৰকাৰী অনুদান বা আঁচনি নোলোৱাকৈ সমাজৰ একাংশ শুভাকাংক্ষী আৰু স্থানীয় জনপ্ৰতিনিধিসকলৰ ব্যক্তিগত বৰঙণিতে এই ভৱনটো নিৰ্মাণ কৰা হৈছে, আৰু উদ্বোধনী অনুষ্ঠানটো সম্পন্ন কৰে লখিমপুৰ সমষ্টিৰ বিধায়ক মানৱ ডেকা আৰু নাওবৈচাৰ কংগ্ৰেছ বিধায়ক ড° জয় প্ৰকাশ দাসে। উদ্বোধনী অনুষ্ঠানৰ লগত সংগতি ৰাখি আয়োজিত এখন বিশেষ সভাত নাগৰিক সমিতিৰ সভাপতি গণেশ ভূঞাই আঁতধৰে আৰু কেইবাগৰাকী বিশিষ্ট ব্যক্তিয়ে আৰক্ষী, নাগৰিক সমিতি আৰু সমাজৰ পাৰস্পৰিক ভূমিকা সম্পৰ্কে গুৰুত্বপূৰ্ণ মতামত ব্যক্ত কৰে। এই নতুন ভৱনটোৰ বিষয়ে বিধায়ক মানৱ ডেকাই কয় যে মুখ্যমন্ত্ৰীয়ে নাগৰিক সমিতি আৰু থানা সমিতিসমূহ গঠনত গুৰুত্ব দিয়া এক ভাল পদক্ষেপ লোৱাৰ লগতে এই সমিতিসমূহক মাননীয় কৰি তোলা হৈছে, আৰু তেওঁ নিজেও কোনো চৰকাৰী অনুদান নোলোৱাকৈ সমাজৰ একাংশ সমল ব্যক্তি আগবাঢ়ি অহাত ৫ লাখ টকা আগবঢ়াই এই ভৱন নিৰ্মাণত সহযোগ কৰে। বিভিন্ন কামত থানালৈ অহা বহু লোক ৰ'দ-বৰষুণ বা পানীৰ বাবে থানাৰ আগত ৰৈ থাকিবলগীয়া হোৱা পৰিপ্ৰেক্ষিতত এই ভৱনটোৱে তেওঁলোকক আশ্ৰয় আৰু বিশ্ৰামৰ সুবিধা প্ৰদান কৰিব বুলি উল্লেখ কৰি ডেকাই কয় যে অসমৰ ভিতৰত এইটোৱেই প্ৰথম নাগৰিক সমিতি ভৱন, আৰু এই উদ্যোগে আন জিলাসমূহতো সমান ধৰণৰ প্ৰৱণতাৰ সৃষ্টি কৰিলে অধিক ফলপ্ৰসূ হ'ব। অনুষ্ঠানটোত জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক লৱ কুমাৰ ডেকা, সদৰ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া তথা নাগৰিক সমিতিৰ সম্পাদক টুলুমণি দুৱৰা, পৌৰপতি কৃষ্ণা ধৰ সেন, জিলা বিজেপিৰ প্ৰাক্তন সভাপতি ফণীধৰ বৰুৱাকে ধৰি কেইবাগৰাকী আৰক্ষী বিষয়া আৰু বিশিষ্ট নাগৰিক উপস্থিত থাকি এই ঐতিহাসিক মুহূৰ্তৰ সাক্ষী হয়। নাগৰিক সমিতিৰ এই ভৱনটোৱে আৰক্ষী আৰু জনসাধাৰণৰ মাজৰ সমন্বয় আৰু শৃংখলিত সমাজ গঠনত এক নতুন দিশ দিয়াৰ লগতে লখিমপুৰৰ উন্নয়নৰ কাহিনীতো এটি উজ্জ্বল অধ্যায় সংযোজন কৰিছে।

## বানপীড়িত শিক্ষাৰ্থীৰ শ্ৰেণীকোঠাত

আনিছে, যাৰ বাবে চৰকাৰে তৎক্ষণাৎ কিছু বিশেষ সুবিধা প্ৰদান কৰা উচিত। দাবীপত্ৰখনত আছুৱে উত্থাপন কৰা প্ৰধান দাবীসমূহৰ ভিতৰত আছে যে চৰাইদেউ, শিৱসাগৰ আৰু যোৰহাট জিলাৰ বানপীড়িত ছাত্ৰ-ছাত্ৰীসকলৰ বৰ্তমান পঢ়ি থকা পাঠ্যক্ৰমৰ পৰৱৰ্তী ষাণ্মাসিকসমূহৰ মাচুল চৰকাৰে সম্পূৰ্ণৰূপে বহন কৰিব লাগে, আৰু যিসকল বানপীড়িত ছাত্ৰ-ছাত্ৰী বৰ্তমান Fee Waiver Scheme ৰ অন্তৰ্ভুক্ত নহয়, তেওঁলোককো এই আঁচনিৰ অধীনলৈ অনাৰ পদক্ষেপ লোৱা উচিত। ইয়াৰ লগতে বানপীড়িত অঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকল শিক্ষানুষ্ঠানলৈ যাব পৰা পৰিৱেশ নথকা বাবে পৰীক্ষাত অৱতীৰ্ণ হ'বলৈ প্ৰয়োজনীয় শ্ৰেণীকোঠাত ৭৫ শতাংশ উপস্থিতিৰ নিয়ম এইবাৰলৈ ৰেহাই দিব লাগে, আৰু প্ৰয়োজনত তেওঁলোকৰ বাবে পাছত অতিৰিক্ত পাঠদানৰ ব্যৱস্থা কৰি শৈক্ষিক লোকচান পূৰণ কৰিব লাগে। আনহাতে, শিক্ষানুষ্ঠানসমূহৰ আৱাস-নিবাসৰ নামভৰ্তি আৰম্ভ হৈছে যদিও বানপীড়িত ছাত্ৰ-ছাত্ৰীসকলৰ বাবে প্ৰয়োজনীয় প্ৰক্ৰিয়া সম্পূৰ্ণ কৰাটো এই মুহূৰ্তত সম্ভৱ নহয়, সেয়ে আৱাস-নিবাসৰ নামভৰ্তিৰ ক্ষেত্ৰত বানপীড়িত অঞ্চলৰ যোগ্য ছাত্ৰ-ছাত্ৰীসকলক অতিৰিক্ত সময় প্ৰদান কৰি তেওঁলোকৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিব লাগে বুলি দাবী উত্থাপন কৰা হয়। ছাত্ৰ সন্থাৰ নেতাদ্বয়ে লগতে কয় যে বানৰ সংহাৰে জনসাধাৰণক জুৰুলা কৰি থকাৰ সময়ত বানপীড়িত অঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকলে মাক-দেউতাকৰ সৈতে জীৱন-জীৱিকা আৰু বসতিৰ বাবে সংগ্ৰাম কৰি আছে, সেয়ে এই সংকটময় সময়ত চৰকাৰে ছাত্ৰ-ছাত্ৰীসকলক সকাহ আৰু সুৰক্ষা প্ৰদান কৰাটো তেওঁলোকৰ নৈতিক দায়িত্ব, আৰু সেই দায়িত্ব যথাযথভাৱে পালন কৰিবলৈ আছুৱে শিক্ষামন্ত্ৰীৰ কাষত দৃঢ়ভাৱে দাবী জনাইছে। উল্লেখযোগ্য যে শেহতীয়াকৈ ১৯ জুলাইৰ প্ৰলয়ংকাৰী বানে উজনি অসমৰ তিনিখন জিলাত যি ধ্বংসলীলা চলাইছিল, তাৰ পাছতো বহু ছাত্ৰ-ছাত্ৰী এতিয়াও আশ্ৰয় শিবিৰত থকাৰ বাবে তেওঁলোকৰ শিক্ষা অধিকাৰ সুনিশ্চিত কৰাটো এক গুৰুত্বপূৰ্ণ প্ৰত্যাহ্বান হিচাপে দেখা দিছে।

## ডিব্ৰুগড়ত বান পৰিস্থিতিৰ

বিষয়সমূহৰ ওপৰত ডিব্ৰুগড়ৰ মুখ্যমন্ত্ৰী সচিবালয়ত এক বিশেষ পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। কেন্দ্ৰীয় মন্ত্ৰী জেপি নাড্ডা আৰু অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত অনুষ্ঠিত এই গুৰুত্বপূৰ্ণ বৈঠকত বিভিন্ন বিভাগৰ জ্যেষ্ঠ বিষয়াসকলে অংশগ্ৰহণ কৰি বানত ক্ষতিগ্ৰস্ত অঞ্চলসমূহৰ শেহতীয়া পৰিস্থিতি আৰু চৰকাৰে গ্ৰহণ কৰা ব্যৱস্থাসমূহৰ বিষয়ে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক অৱগত কৰে। এই পৰ্যালোচনা বৈঠকত অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ লগতে মন্ত্ৰী কেশৱ মহন্ত আৰু মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব তৰংগ গগৈয়ো উপস্থিত থাকে, আৰু সভাত বানপীড়িত অঞ্চলসমূহৰ পুনৰ্বাসন, ত্ৰাণ সামগ্ৰী বিতৰণ আৰু দীৰ্ঘম্যাদী পুনৰুদ্ধাৰৰ কাৰ্যসূচী সম্পৰ্কে বিস্তাৰিত আলোচনা কৰা হয়। উল্লেখ্য যে কেন্দ্ৰীয় মন্ত্ৰী জেপি নাড্ডাই বৃহস্পতিবাৰে অৰুণাচল প্ৰদেশৰ ইটানগৰলৈ ৰাওনা হোৱাৰ সম্ভাৱনা আছে, আৰু এই পৰিদৰ্শনৰ সময়ছোৱাত তেওঁ অসমৰ বানপৰিস্থিতি সম্পৰ্কে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক প্ৰত্যক্ষভাৱে অৱগত কৰিব বুলি জানিবলৈ দিয়া হৈছে। ইপিনে কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী নাড্ডাই বুধবাৰে মুখ্যমন্ত্ৰী শৰ্মা আৰু ৰাজ্যৰ কেইবাগৰাকী মন্ত্ৰী-বিধায়কক লগত লৈ নাজিৰাৰ নেপালীখুঁটিত বান পৰিস্থিতিৰ বুজ লয়, আৰু বানত ক্ষতিগ্ৰস্ত পৰিৱেশ পৰিদৰ্শন কৰি ক্ষতিগ্ৰস্ত লোকসকলৰ অৱস্থা নিৰীক্ষণ কৰাৰ লগতে চলি থকা সাহায্য আৰু উদ্ধাৰ কাৰ্য্যৰ অগ্ৰগতি সম্পৰ্কে বাতৰি লয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নিৰ্দেশত উজনিৰ বান পৰিস্থিতি প্ৰত্যক্ষভাৱে বুজ ল'বলৈ মঙলবাৰে ডিব্ৰুগড়ত উপস্থিত হোৱা কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে নেপালীখুঁটি পৰিদৰ্শনৰ সময়ত বন্যাৰ্তসকলক সকলো প্ৰকাৰৰ সহায়ৰ আশ্বাস দিয়ে, আৰু ১৯ জুলাইত হোৱা প্ৰলয়ংকাৰী বানত যোৰহাট, শিৱসাগৰ আৰু চৰাইদেউ জিলাত ধন-জনৰ যে বিস্তৰ ক্ষতি হৈছিল, তাৰ মোকাবিলাত কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে সমন্বয় ৰাখি কাম কৰিব বুলি কয়। বানৰ পানী কিছু পৰিমাণে নুই যোৱাৰ পাছতো বন্যাৰ্তসকলৰ দুখ-যন্ত্ৰণা কিন্তু কমা নাই, আৰু এই পৰ্যালোচনা বৈঠকে পুনৰুদ্ধাৰৰ কাম-কাজ দ্ৰুতগতিত আগুৱাই নিবলৈ সহায় কৰিব বুলি আশা কৰা হৈছে।

## নাগালেণ্ডৰ দৈয়াং জলবিদ্যুৎ

যেতিয়া জলাধাৰৰ পানীৰ স্তৰ আছিল ৩২২.৪ মিটাৰ, আৰু প্ৰতিখন গে'ট ১.২৫ মিটাৰকৈ খোলা ৰখা হয়। এই পদক্ষেপৰ জৰিয়তে এতিয়ালৈকে মুঠ ২১৩ কিউমেকছ পানী এৰি দিয়া হৈছে, যিয়ে নামনি অসমৰ বিভিন্ন নদীপৰীয়া অঞ্চলত পানীৰ প্ৰবাহ উল্লেখযোগ্যভাৱে বৃদ্ধি কৰিছে। এই পৰিস্থিতিত ধনশিৰি আৰু দৈয়াং নদীৰ কাষৰীয়া অঞ্চলসমূহত পানীৰ স্তৰ আকস্মিকভাৱে বৃদ্ধি পাই বানপানীৰ সৃষ্টি কৰিব পাৰে বুলি প্ৰশাসনে সতৰ্কবাণী জাৰি কৰিছে, আৰু সেয়ে নদীৰ পাৰত বসবাস কৰা লোকসকলক যিকোনো পৰিস্থিতিৰ বাবে সাজু থাকিবলৈ আৰু আৱশ্যক হ'লে নিৰাপদ স্থানলৈ স্থানান্তৰিত হ'বলৈ আহ্বান জনাইছে। ইফালে জলবিদ্যুৎ প্ৰকল্প কৰ্তৃপক্ষই জানিবলৈ দিছে যে অতি বৰষুণ আৰু জলাধাৰৰ পানীৰ চাপ বৃদ্ধি পোৱাৰ বাবেই গে'টবোৰ খুলিবলৈ বাধ্য হৈছে, আৰু পৰিস্থিতি স্বাভাৱিক হ'লেই গে'ট বন্ধ কৰি দিয়া হ'ব। কিন্তু ইতিমধ্যে এৰি দিয়া পানীৰ পৰিমাণ যথেষ্ট বেছি হোৱাৰ বাবে নামনি অঞ্চলৰ নদীবোৰৰ পানীৰ স্তৰ উল্লেখযোগ্যভাৱে বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে, যাৰ ফলত বহু গাঁও আৰু কৃষিভূমি প্লাৱিত হোৱাৰ আশংকা কৰা হৈছে। প্ৰশাসনে সকলো জৰুৰীকালীন বিভাগক সতৰ্ক থকাৰ নিৰ্দেশ দিছে আৰু ৰাইজকো প্ৰশাসনৰ নিৰ্দেশনা মানি চলিবলৈ অনুৰোধ জনাইছে, যাতে কোনো ধৰণৰ অনাকাংক্ষিত ঘটনা সংঘটিত হ'বলৈ নাপায়। ইটিভি ভাৰত অসমৰ সূত্ৰই জনোৱা মতে, প্ৰকল্পটোৰ পৰা পানী এৰি দিয়া কাৰ্য্য নিশা পৰ্যন্ত চলি থাকিব পাৰে, আৰু সেই অনুসৰি নামনি অঞ্চলবোৰত নদীৰ পানীৰ স্তৰৰ ওপৰত নিৰীক্ষণ চলাই ৰখা হৈছে।

## ই-২০ পেট্ৰ'ল সম্পৰ্কীয় পোষ্টাৰৰ

বক্তব্য গুৰুত্ব সহকাৰে শুনাৰ পাছত উচ্চ ন্যায়ালয়ে কয় যে প্ৰথম দৃষ্টিত গাডকাৰীৰ দাবীৰ ক্ষেত্ৰত যুক্তিযুক্ততা আছে আৰু যিবোৰ কনটেণ্টৰ ওপৰত প্ৰশ্ন উত্থাপন কৰা হৈছে সেইবোৰ সঁচাকৈয়ে আপত্তিজনক, লগতে সংবাদ মাধ্যমত কোনো ব্যক্তিৰ ওপৰত এনেধৰণে মুকলিকৈ আলোচনা হোৱাটো সম্পূৰ্ণ ভুল বুলি মন্তব্য কৰে। এই শুনানিতে গুগল আৰু মেটাই আপত্তিজনক কনটেণ্ট নিজ ইচ্ছা অনুসৰি আঁতৰোৱাৰ ইচ্ছা প্ৰকাশ কৰে, আৰু তাৰ পিছত ন্যায়ালয়ে সকলো সামাজিক মাধ্যম প্লেটফৰ্মৰ পৰা এনেধৰণৰ সকলো কনটেণ্ট শীঘ্ৰে আঁতৰাবলৈ কঠোৰ নিৰ্দেশ প্ৰদান কৰে। লগতে উচ্চন্যায়ালয়ে স্পষ্ট কৰি দিয়ে যে যদি ভৱিষ্যতে পুনৰ এনেধৰণৰ কনটেণ্ট প্ৰচাৰ হয়, তেন্তে আবেদনকাৰীয়ে প্ৰত্যক্ষভাৱে ইয়াৰ লগত জড়িত সংশ্লিষ্ট কোম্পানীৰ সৈতে যোগাযোগ কৰি ইয়াক আঁতৰাবলৈ অনুৰোধ কৰিব পাৰিব আৰু কোম্পানীসমূহ এনে অনুৰোধৰ ওপৰত কাৰ্যব্যৱস্থা গ্ৰহণ কৰিবলৈ বাধ্য থাকিব। সমালোচনা এক উচিত সীমাৰ ভিতৰত হ'ব লাগে আৰু এই সীমা অতিক্ৰম কৰিবলৈ কাকো দিয়া নহ'ব বুলি উল্লেখ কৰি ন্যায়ালয়ে এইটোও কয় যে যদি এআইৰ দ্বাৰা সৃষ্ট ভুৱা কনটেণ্ট আঁতৰাবলৈ অনুৰোধ কৰাৰ পাছতো তাৰ কোনো সন্তোষজনক সমাধান নহয়, তেন্তে আবেদনকাৰীয়ে পুনৰ ন্যায়ালয়লৈ যোৱাৰ সম্পূৰ্ণ স্বাধীনতা লাভ কৰিব। ইফালে গুগল আৰু মেটাৰ দৰে বৃহৎ কোম্পানীবোৰে এনেধৰণৰ অভিযোগ চম্ভালিবলৈ আৰু শীঘ্ৰে সমাধান কৰিবৰ বাবে এনে এক ব্যৱস্থা সৃষ্টি কৰিব লাগে যাৰ দ্বাৰা প্ৰভাৱিত ব্যক্তিসকল বাৰম্বাৰ ন্যায়ালয়লৈ যোৱাৰ প্ৰয়োজন নাথাকে বুলিও আদালতে গুৰুত্ব আৰোপ কৰে। নিজৰ ৮৬ পৃষ্ঠাৰ আবেদনত কেন্দ্ৰীয় মন্ত্ৰী গাডকাৰীয়ে স্পষ্টভাৱে উল্লেখ কৰিছে যে কেন্দ্ৰীয় চৰকাৰৰ ই-২০ আঁচনিৰ সৈতে তেওঁৰ কোনো সম্পৰ্ক নাই, কিন্তু সামাজিক মাধ্যমত এক কু-অভিপ্ৰায়েৰে তেওঁক এই ইন্ধনৰ ফলত হোৱা গাড়ীৰ ক্ষতিৰ বাবে দোষী সাব্যস্ত কৰি অহা অভিযান চলাই থকা হৈছে, যাৰ বাবে তেওঁ মেটা, এক্স, গুগল, ইউটিউবৰ লগতে কিছু অজ্ঞাত সামাজিক মাধ্যম ইউজাৰৰ বিৰুদ্ধে উচ্চ ন্যায়ালয়ত গোচৰ ৰুজু কৰি সামাজিক মাধ্যমত প্ৰচাৰ হৈ থকা এআই ডীপফেক ভিডিঅ', সম্পাদনা কৰা ফটো আৰু মিমছসমূহ শীঘ্ৰে আঁতৰোৱাৰ নিৰ্দেশ আৰু ১১ কোটি টকাৰ মানহানিৰ ক্ষতিপূৰণ দাবী কৰে। অধিবক্তা সন্দীপ লাড্ডাৰ জৰিয়তে দাখিল কৰা অভিযোগত গাডকাৰীয়ে পুনৰ স্পষ্ট কৰি দিয়ে যে ই-২০ আঁচনি পেট্ৰ'লিয়াম মন্ত্ৰণালয়ৰ অধীনস্থ আৰু ইয়াৰ পথ পৰিবহণ মন্ত্ৰণালয়ৰ সৈতে কোনো সম্পৰ্ক নাই। এই বিষয়টো সন্দৰ্ভত পৰৱৰ্তী শুনানিৰ বাবে ন্যায়ালয়ে চাৰি সপ্তাহৰ সময়সীমা নিৰ্ধাৰণ কৰিছে।

## যোৰহাটৰ বানপীড়িত

দিয়াৰ লগতে ক্ষতিগ্ৰস্ত বিদ্যালয়সমূহ দ্ৰুতগতিত মেৰামতি কৰি পাঠদান আৰম্ভ কৰিবলৈ বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। তাৰ পৰিপ্ৰেক্ষিতে মঙলবাৰে যোৰহাটত উপস্থিত হয় ৰাজ্যৰ শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগু আৰু তেওঁ জিলাখনৰ বানপীড়িত বিদ্যালয় আৰু মহাবিদ্যালয়সমূহৰ পৰিস্থিতি প্ৰত্যক্ষভাৱে পৰ্যালোচনা কৰে। যোৰহাটৰ আৱৰ্ত ভৱনত অনুষ্ঠিত এক গুৰুত্বপূৰ্ণ সভাত মন্ত্ৰীগৰাকীয়ে জিলাখনৰ বিধায়ক, জিলা আয়ুক্ত আৰু শিক্ষা বিভাগৰ বিভিন্ন বিষয়াসকলক একত্ৰিত কৰি বানৰ ফলত হোৱা ক্ষয়-ক্ষতিৰ সম্পূৰ্ণ তথ্য-উপাত্ত সংগ্ৰহ কৰে। এই সভাত জিলা প্ৰশাসনে সাম্প্ৰতিক বানপানীত যোৰহাট জিলাৰ মুঠ ৩৭৬খন বিদ্যালয় আৰু এখন মহাবিদ্যালয় ক্ষতিগ্ৰস্ত হোৱাৰ বিৱৰণী আগবঢ়ায়, যিয়ে শিক্ষা জগতৰ বাবে এক গভীৰ চিন্তাৰ কাৰণ হৈ পৰে। সভা শেষ হোৱাৰ লগে লগে শিক্ষা মন্ত্ৰীগৰাকীয়ে সংবাদ মাধ্যমৰ আগত মুখ খুলি জনায় যে ক্ষতিগ্ৰস্ত শিক্ষাৰ্থীসকললৈ পুনৰ পাঠ্যপুথি আৰু পোছাক যোগান ধৰাৰ ব্যৱস্থা ইতিমধ্যে আৰম্ভ কৰা হৈছে, লগতে তেওঁলোকক এককালীন সাহায্য প্ৰদানৰ বিষয়টোও চৰকাৰে গভীৰভাৱে বিবেচনা কৰি আছে। তেওঁ বিশেষভাৱে উল্লেখ কৰে যে যিসকল শিক্ষাৰ্থীৰ শৈক্ষিক জীৱনৰ গুৰুত্বপূৰ্ণ নথিপত্ৰ বানত নষ্ট হৈ গৈছে, তেওঁলোকক সেই নথিপত্ৰসমূহ বিনামূলীয়াকৈ পুনৰ প্ৰদান কৰাৰ ব্যৱস্থা কৰা হ'ব, যাৰ ফলত বহু শিক্ষাৰ্থীয়ে পঢ়া-শুনা অব্যাহত ৰাখিবলৈ সহায় পাব। ইফালে বানত ক্ষতিগ্ৰস্ত হোৱা শিক্ষানুষ্ঠানসমূহৰ মেৰামতিৰ বাবে চৰকাৰে সঠিক অনুদান আগবঢ়োৱাৰ লগতে প্ৰয়োজনীয় ক্ষেত্ৰত ডিজিটেল মাধ্যমৰ সহায় লৈ পাঠদান অব্যাহত ৰাখিবলৈও ব্যৱস্থা কৰা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে দৃঢ়তাৰে কয়। অহা ৯ আগষ্টৰ পৰা বিদ্যালয়সমূহ খোলা দিয়া সন্দৰ্ভত সুধি থকা প্ৰশ্নৰ উত্তৰত শিক্ষা মন্ত্ৰীয়ে কয় যে যোৰহাট জিলাৰ বহু বিদ্যালয়ত এতিয়াও ত্ৰাণ শিবিৰ চলি থকা বাবে সকলোতে একেলগে পাঠদান আৰম্ভ কৰাটো সম্ভৱ নহয়, কিন্তু চৰকাৰে শৈক্ষিক কাৰ্যসূচীত যাতে কোনো ধৰণৰ নেতিবাচক প্ৰভাৱ নপৰে তাৰ বাবে বিকল্প ব্যৱস্থা গ্ৰহণ কৰিব। সভাৰ শেষত মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে জিলা প্ৰশাসনক এক সঠিক আৰু সম্পূৰ্ণ তথ্যভিত্তিক প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিয়ে, যাতে পুনৰুদ্ধাৰৰ কাম-কাজ দ্ৰুততাৰে আৰম্ভ কৰিব পৰা যায় আৰু কোনো বিদ্যালয় বা মহাবিদ্যালয় এই প্ৰক্ৰিয়াৰ পৰা বাদ নপৰে। ইটিভি ভাৰত অসমৰ সূত্ৰই জনোৱা মতে, শিক্ষা মন্ত্ৰীৰ এই পৰিদৰ্শন আৰু পৰ্যালোচনা সভাই বানপীড়িত অঞ্চলৰ শিক্ষাৰ্থী আৰু অভিভাৱকসকলৰ মাজত নতুন আশাৰ সঞ্চাৰ কৰিছে, যদিও সম্পূৰ্ণ পুনৰুদ্ধাৰলৈ সময় লাগিব বুলি সংশ্লিষ্ট মহলে মত প্ৰকাশ কৰিছে।

## গুৱাহাটী প্ৰেছ ক্লাবত সংবাদমেল

ইয়াৰ মূল উদ্দেশ্য আৰু অন্তৰ্নিহিত পৰিকল্পনা অত্যন্ত দুশ্চিন্তাজনক। তেওঁ স্পষ্টভাৱে কয় যে অসমৰ মানুহক নিজৰ ঠাইতে এই বিধেয়ক দুখনে সম্পূৰ্ণৰূপে ভগনীয়া কৰাটো নিশ্চিত, কাৰণ যোৱা সময়ছোৱাত ৰাজ্যখনৰ খিলঞ্জীয়া লোকসকলৰ ভূমিৰ অধিকাৰ প্ৰশ্নটো অতি গুৰুত্বপূৰ্ণ হিচাপে থিয় হৈ আছে, কিন্তু চৰকাৰখনে তথাকথিত উন্নয়নৰ নামত যি প্ৰকল্পসমূহ হাতত লৈছে, সেইবোৰ সাধাৰণ মানুহৰ উন্নয়নৰ সৈতে কোনো সম্পৰ্ক নাই বৰঞ্চ চহকী আৰু ধনী মানুহৰ স্বাৰ্থ সাধনৰ বাবেহে এই প্ৰকল্পবোৰ পৰিকল্পনা কৰা হৈছে। বৰঠাকুৰে লগতে উল্লেখ কৰে যে এই প্ৰকল্পবোৰ লওঁতে উপগ্ৰহীয় চহৰকে ধৰি বিভিন্ন নতুন নতুন নামকৰণেৰে উন্নয়নমূলক প্ৰকল্প বুলি চিনাক্ত কৰি থকা হৈছে, যদিও সেইবোৰ অঞ্চল মূলতঃ খিলঞ্জীয়া মানুহে বাস কৰা অঞ্চল, আৰু সেই লক্ষ্য পূৰণৰ বাবেই চৰকাৰে আইনসমূহ সংশোধন কৰি নতুন আইনো আনিবলৈ আৰম্ভ কৰিছে। গুৱাহাটী উপগ্ৰহীয় চহৰ উন্নয়ন প্ৰাধিকৰণ বিধেয়ক ২০২৬ৰ সন্দৰ্ভত বৰঠাকুৰে অভিযোগ কৰে যে এই বিধেয়কৰ জৰিয়তে এখন অসীম ক্ষমতাসম্পন্ন ব'ৰ্ড গঠন কৰিব বিচৰা হৈছে, য'ত জনসাধাৰণৰ কোনো প্ৰতিনিধি নাথাকিব, বিধায়ক আৰু পঞ্চায়ত বিষয়াসকলো প্ৰতিনিধি হ'ব নোৱাৰিব, আৰু পঞ্চায়ত, পৌৰসভা, গুৱাহাটী পৌৰ নিগমৰ দৰে প্ৰতিষ্ঠানসমূহৰ ক্ষমতা কাঢ়ি লোৱা হৈছে, যাৰ ফলত ৰাইজৰ কথা ক'বলৈ কোনো মানুহ নাথাকিব। তেওঁ লগতে কয় যে এতিয়াও বহু খিলঞ্জীয়া মানুহৰ হাতত ভূমিৰ অধিকাৰ নিশ্চিত হোৱা নাই, আৰু সেই অধিকাৰ নিশ্চিত নকৰাকৈ এনেকুৱা আইন আনি তেওঁলোকক মাটিৰ পৰা বঞ্চিত কৰাৰ প্ৰক্ৰিয়া চলাই থকা হৈছে, যাৰ বাবে তেওঁলোকে সম্পূৰ্ণ বিৰোধিতা কৰে। অসমীয়া মানুহৰ ভৱিষ্যতৰ প্ৰতি শংকা প্ৰকাশ কৰি বৰঠাকুৰে সতৰ্কবাণী দিয়ে যে যাৰ হাতত ভূমিৰ অধিকাৰ নাথাকে সেই জাতি জীয়াই থাকিব নোৱাৰে, গতিকে অসমৰ অসমীয়া মানুহ আৰু অসমক ভাল পোৱা সংগঠনবোৰে খিলঞ্জীয়াৰ হকে মাত মাতি এই বিধেয়কৰ বিৰুদ্ধে সোচ্চাৰ হ'ব লাগে। ইফালে প্ৰণৱ দলেক গ্ৰেপ্তাৰ কৰা সন্দৰ্ভত তেওঁ কয় যে খিলঞ্জীয়া মানুহক ভূমিৰ পৰা উচ্ছেদ কৰা প্ৰক্ৰিয়াৰ অংশ হিচাপেই প্ৰণৱ দলে আৰু তেওঁৰ সতীৰ্থসকলক ৰাষ্ট্ৰীয় নিৰাপত্তা আইনৰ অধীনত গ্ৰেপ্তাৰ কৰা হৈছে, যিটো অত্যন্ত আক্ৰোশমূলক আৰু এই আইন প্ৰয়োগৰ উপযুক্ত বিষয় নহয়, কাৰণ ঘটিৰাম-বাটিৰাম যাকে মন যায় তাকেই এন এছ এ লগোৱা হৈছে যি প্ৰৱণতা আগৰ সময়ছোৱাতো দেখা গৈছে। সমিতিৰ আহ্বায়ক সুব্ৰত তালুকদাৰে সংবাদমেলত ঘোষণা কৰে যে তেওঁলোকে এই বিধেয়ক দুখনৰ বিষয়ে প্ৰায় এক লাখ লিফলেট ৰাইজৰ মাজত বিতৰণ কৰিব আৰু ভৱিষ্যতে বিধেয়ক দুখন বাতিলৰ বাবে গণতান্ত্ৰিক আন্দোলন অব্যাহত ৰাখিব, লগতে আইনী প্ৰক্ৰিয়াৰ মাধ্যমতো যুঁজ চলাই যাব কাৰণ এই বিধেয়ক দুখন বাতিল নহ'লে খিলঞ্জীয়া মানুহৰ হাতত ভূমিৰ অধিকাৰ সুৰক্ষিত হৈ নাথাকিব।

## দুৰ্বল শিক্ষা ব্যৱস্থাৰ অভিযোগ

অপৰাধ নহয়, বৰঞ্চ এয়া গণতান্ত্ৰিক অধিকাৰৰ অংশ। শেহতীয়াকৈ ক'কৰোচ্ছ জনতা পাৰ্টীয়ে কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ পদত্যাগৰ দাবীত যন্তৰ মন্তৰত চলোৱা প্ৰতিবাদত অংশগ্ৰহণ কৰা বিভিন্ন ৰাজ্যৰ যুৱক-যুৱতীৰ এটা প্ৰতিনিধি দলক সাক্ষাৎ কৰি তেওঁ এই গুৰুত্বপূৰ্ণ মন্তব্য কৰে। যোৱা মাহত যন্তৰ মন্তৰত অনুষ্ঠিত হোৱা প্ৰতিবাদৰ সময়ত ছাত্ৰ-ছাত্ৰীৰ ওপৰত কথিত অত্যাচাৰ সংঘটিত হোৱা সন্দৰ্ভত ৰাহুল গান্ধীয়ে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ পৰা সংসদত স্পষ্ট বিবৃতি দাবী কৰি আহিছে, আৰু এই প্ৰসংগত তেওঁ যুৱ প্ৰতিবাদকাৰীসকলৰ সৈতে মতবিনিময় কৰে। প্ৰতিবাদকাৰী যুৱক-যুৱতীসকলৰ সৈতে মিলিত হৈ ৰাহুল গান্ধীয়ে কয় যে আজি তেওঁ তেওঁলোকৰ একাংশৰ সৈতে কথা-বতৰা পাতিলে আৰু তেওঁলোকে কেনেকৈ আক্ৰমণ, প্ৰহাৰ আৰু ভাবুকিৰ সন্মুখীন হৈছিল সেই বিষয়ে অৱগত কৰিলে, আৰু তেওঁলোকৰ এই সাহসী কাৰ্য্যৰ বাবে তেওঁ অত্যন্ত গৌৰৱান্বিত, কাৰণ তেওঁলোকে সংবিধান ৰক্ষা কৰাৰ লগতে ভাৰত আৰু ভাৰতৰ ভৱিষ্যতৰ ধাৰণাকো সুৰক্ষিত কৰিছে। বিজেপি শাসনৰ অধীনত থকা শিক্ষা ব্যৱস্থাৰ তীব্ৰ সমালোচনা কৰি তেওঁ কয় যে যদি শিক্ষা ব্যৱস্থাত কোনো ত্ৰুটি থাকে, তেন্তে তাৰ সংশোধন আৰু পৰিৱৰ্তন কৰাৰ প্ৰয়োজন আছে, কিন্তু ছাত্ৰ-ছাত্ৰীৰ ঘৰলৈ গুণ্ডা পঠিয়াই তেওঁলোকৰ ক্ষমাপ্ৰাৰ্থনা গ্ৰহণ কৰাটো সম্পূৰ্ণ ভুল আৰু অসাংবিধানিক কাৰ্য্য। ইফালে পৰীক্ষাৰ কাকত ফাদিল বন্ধ কৰা আৰু দেশৰ যুৱক-যুৱতীসকলৰ সুৰক্ষিত ভৱিষ্যতৰ বাবে উন্নত শিক্ষা ব্যৱস্থা প্ৰৱৰ্তনৰ বাবে ৰাহুল গান্ধীয়ে পুনৰ জোৰদাৰ দাবী জনায়, আৰু কয় যে আমি এনেকুৱা এখন শিক্ষা ব্যৱস্থা বিচাৰো যিয়ে প্ৰকৃততে কাম কৰে আৰু পৰীক্ষাৰ কাকত ফাদিলৰ দৰে অনাচাৰ সম্পূৰ্ণৰূপে বন্ধ হয়। উল্লেখ্য যে উচ্চতম ন্যায়ালয়ৰ তত্ত্বাৱধানত এখন উচ্চ ক্ষমতাসম্পন্ন সমিতিৰ দ্বাৰা শেহতীয়াকৈ ছাত্ৰ-ছাত্ৰীৰ ওপৰত সংঘটিত হোৱা বৰ্বৰতাৰ অভিযোগৰ নিৰপেক্ষ তদন্তৰ বাবেও ৰাহুল গান্ধীয়ে দাবী উত্থাপন কৰিছে, যাৰ ফলত আগন্তুক দিনবোৰত এই বিষয়টো সংসদ আৰু জনসাধাৰণৰ মাজত অধিক গুৰুত্ব লাভ কৰিব বুলি আশা কৰা হৈছে।

# কামৰূপত জিলা পৰ্যায়ত লোক কল্যাণ দিৱস পালন

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ৫ আগষ্ট ঃ** ভাৰতৰত্ন লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ মৃত্যু দিৱসৰ সৈতে সংগতি ৰাখি বুধবাৰে কামৰূপ জিলাৰ সংহত জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত জিলা পৰ্যায়ত লোক কল্যাণ দিৱস পালন কৰা হয়। অনুষ্ঠানটি কামৰূপ জিলা প্ৰশাসনৰ উদ্যোগত আয়োজন কৰা হয়। অনুষ্ঠানৰ আৰম্ভণিতে ভাৰতৰত্ন লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি অৰ্পণ কৰি মহান নেতাগৰাকীৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। অনুষ্ঠানত ভাষণ প্ৰদান কৰি কমলপুৰ সমষ্টিৰ বিধায়ক দিগন্ত কলিতাই অসমৰ প্ৰথমগৰাকী মুখ্যমন্ত্ৰী লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ ৰাজ্যৰ উন্নয়ন আৰু জনকল্যাণৰ ক্ষেত্ৰত আগবঢ়োৱা অতুলনীয় অৱদানৰ কথা সশ্ৰদ্ধে সোঁৱৰে। তেওঁ কয় যে বৰদলৈৰ সুদূৰপ্ৰসাৰী নেতৃত্ব আৰু বিশেষকৈ প্ৰশাসনিক সংস্কাৰৰ ক্ষেত্ৰত গ্ৰহণ কৰা পদক্ষেপসমূহে আজিও জনপ্ৰশাসনক প্ৰেৰণা যোগাই আহিছে। হাজো-শুৱালকুছি সমষ্টিৰ বিধায়ক প্ৰকাশ চন্দ্ৰ দাসে কয় যে দেশ আৰু জাতিৰ প্ৰতি লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ অতুলনীয় অৱদানৰ স্বীকৃতি স্বৰূপে তেওঁক মৰণোত্তৰভাৱে ভাৰতৰত্ন সন্মানেৰে বিভূষিত কৰা হৈছিল। তেওঁ লগতে উল্লেখ কৰে যে লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ জনসেৱাৰ আদৰ্শ আৰু অৱদানক স্মৰণ কৰি চৰকাৰে প্ৰতি বছৰে তেওঁৰ মৃত্যু দিৱসত লোক কল্যাণ দিৱস পালন কৰে। বকো-ছয়গাঁও সমষ্টিৰ বিধায়ক ৰাজু মেছে লোক সেৱা বঁটা লাভ কৰা কৰ্মচাৰীসকলক অভিনন্দন জ্ঞাপন কৰি জনসেৱাৰ ক্ষেত্ৰত তেওঁলোকৰ নিষ্ঠা, সততা আৰু কৰ্মনিষ্ঠাৰ শলাগ লয়। সভাত আদৰণি ভাষণ প্ৰদান কৰি কামৰূপৰ জিলা উন্নয়ন আয়ুক্ত সুসন্ত কুমাৰ দত্তই বিষয়া-কৰ্মচাৰীসকলক জনসাধাৰণৰ কল্যাণৰ বাবে নিষ্ঠা, সততা আৰু দায়বদ্ধতাৰে কাম কৰি যাবলৈ আহ্বান জনায়। তেওঁ বিশেষকৈ অ-ৰাজপত্ৰিত কৰ্মচাৰীসকলক নিষ্ঠা আৰু দায়িত্ববোধেৰে জনসেৱা অব্যাহত ৰাখিবলৈ উৎসাহিত কৰে। জিলা পৰ্যায়ৰ লোক কল্যাণ দিৱস উদযাপনৰ অংশ হিচাপে জনসেৱাৰ ক্ষেত্ৰত আগবঢ়োৱা উৎকৃষ্ট অৱদানৰ বাবে সংহত জিলা আয়ুক্ত কাৰ্যালয়ৰ ডাটা এণ্ট্ৰী অপাৰেটৰ (DASA) নিৰঞ্জন বড়ো আৰু কামৰূপ জিলা মেলেৰিয়া বিষয়াৰ কাৰ্যালয়ৰ জ্যেষ্ঠ সহায়ক ভূপেন দাসক লোক সেৱা বঁটা প্ৰদান কৰি সন্মানিত কৰা হয়। অনুষ্ঠানত কামৰূপ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া সিদ্ধাৰ্থ গোঁস্বামী, অতিৰিক্ত জিলা আয়ুক্ত বিক্ৰম ছেত্ৰী, বিশ্বজিৎ শইকীয়া আৰু মনিকা বৰগোহাঁই, নিৰ্বাচন বিষয়া ড° ভূপালী কাশ্যপ, বিভিন্ন বিভাগৰ মুৰব্বী বিষয়া, জিলা প্ৰশাসনৰ বিষয়া-কৰ্মচাৰী তথা অন্যান্য বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

## ছাত্ৰ-ছাত্ৰীৰ বিভিন্ন সমস্যাক লৈ বিস্তৃত আলোচনা; দাবী পূৰণ নহ'লে গণ আন্দোলনৰ হুংকাৰ

# জনীয়াৰ কাদঙত এছএফআইৰ সাধাৰণ সভা

**অসম বাৰ্তা, মন্দিয়া, ৫ আগষ্ট ঃ** ভাৰতৰ ছাত্ৰ ফেডাৰেচন (এছ এফ আই)ৰ কাদং শাখাৰ উদ্যোগত জনীয়াৰ কাদংত এখন সাধাৰণ সভা অনুষ্ঠিত হয়। বৃহত্তৰ কাদং অঞ্চলৰ শিক্ষা ব্যৱস্থা, যোগাযোগ ব্যৱস্থাৰ দুৰৱস্থা আৰু ছাত্ৰ-ছাত্ৰীসকলে সন্মুখীন হোৱা বিভিন্ন সমস্যাক কেন্দ্ৰ কৰি অনুষ্ঠিত সভাখনত অঞ্চলটোৰ কেইবাখনো বিদ্যালয় আৰু মহাবিদ্যালয়ৰ বহু ছাত্ৰ-ছাত্ৰীয়ে উৎসাহেৰে অংশগ্ৰহণ কৰে। সভাখনত সমস্যাসমূহৰ ওপৰত বিস্তৃত আলোচনা অনুষ্ঠিত হোৱাৰ লগতে চৰকাৰ আৰু সংশ্লিষ্ট বিভাগক শীঘ্ৰে ব্যৱস্থা গ্ৰহণ নকৰিলে তীব্ৰ গণ আন্দোলন গঢ়ি তোলাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। সভাখনত সভাপতিত্ব কৰে এছএফআই, কাদং শাখাৰ সভাপতি আখিৰুল ইছলামে। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে শাখাৰ সদস্য মনিৰুল ইছলামে। উদ্দেশ্য ব্যাখ্যাৰ পিছতে অনুষ্ঠিত মুক্ত আলোচনাত বিভিন্ন বিদ্যালয় আৰু মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে একাধিক সমস্যা দাঙি ধৰে। তেওঁলোকে কয় যে কাদং বজাৰৰ দক্ষিণফালে চাউলখোৱা নদীৰ ওপৰত স্থায়ী দলং নথকাৰ ফলত বৃহত্তৰ কাদং অঞ্চলৰ বহু ছাত্ৰ-ছাত্ৰীক প্ৰতিদিনে কেইবাটাও কিলোমিটাৰ ঘূৰি বিদ্যালয়লৈ যাবলগীয়া হয়। নদীৰ দক্ষিণ পাৰৰ ছয়খন গাঁৱৰ ছাত্ৰ-ছাত্ৰী এই অঞ্চলত অধ্যয়ন কৰিবলৈ আহে। বৰষুণৰ সময়ত এই সমস্যাই অধিক জটিল ৰূপ ধাৰণ কৰে। ইয়াৰ লগতে ৰূপাকুছি-মহম্মদপুৰ পথৰ জৰাজীৰ্ণ অৱস্থাৰ বাবে নিয়মীয়াকৈ বিদ্যালয়লৈ অহা-যোৱা কৰাটোও দুৰূহ হৈ পৰে। আলোচনাত অংশগ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীসকলে কাদং উচ্চ মাধ্যমিক বিদ্যালয়ৰ বিভিন্ন সমস্যাও দাঙি ধৰে। তেওঁলোকে অভিযোগ কৰে যে বিদ্যালয়খনত বিশুদ্ধ খোৱা পানীৰ পৰ্যাপ্ত ব্যৱস্থা নাই, ব্যৱহাৰযোগ্য বাথৰুমৰ অভাৱত বিশেষকৈ ছাত্ৰীসকলে অসুবিধাৰ সন্মুখীন হয়। বিদ্যালয়খনত কেইবাটাও শিক্ষকপদ দীৰ্ঘদিন ধৰি খালী হৈ থকাৰ ফলত নিয়মীয়া পাঠদান ব্যাহত হৈছে। ইয়াৰ উপৰিও চলিত শিক্ষাবৰ্ষ আৰম্ভ হোৱাৰ বহুদিন পাৰ হৈ যোৱাৰ পিছতো অষ্টম শ্ৰেণীৰ বিজ্ঞান বিষয়ৰ পাঠ্যপুথি এতিয়াও যোগান ধৰা হোৱা নাই বুলি তেওঁলোকে ক্ষোভ প্ৰকাশ কৰে। এই সকলো সমস্যা অতি শীঘ্ৰে সমাধান কৰাৰ দাবীও তেওঁলোকে উত্থাপন কৰে। ইয়াৰ পিছত অনুষ্ঠিত বক্তব্য পৰ্বত এছএফআইৰ অসম ৰাজ্যিক সভাপতি কমৰেড দেৱান ইফতিকাৰ হুছেইন, ৰাজ্যিক সদস্য কমৰেড নৌশাদ ৰাশিদ আৰু কমৰেড দেৱীকা শইকীয়াই বক্তব্য ৰাখি কয় যে গ্ৰামাঞ্চলৰ শিক্ষাৰ্থীসকলৰ সমস্যাৰ প্ৰতি চৰকাৰৰ দায়িত্বশীল মনোভাৱ থকাটো অতি প্ৰয়োজন। শিক্ষা আৰু যোগাযোগ ব্যৱস্থাৰ উন্নয়ন অবিহনে অঞ্চলটোৰ সামগ্ৰিক বিকাশ সম্ভৱ নহয়। তেওঁলোকে চাউলখোৱা নদীৰ ওপৰত স্থায়ী দলং নিৰ্মাণ, ৰূপাকুছি-মহম্মদপুৰ পথৰ পুনৰ নিৰ্মাণ আৰু শিক্ষানুষ্ঠানসমূহৰ মৌলিক আন্তঃগাঁথনি উন্নয়নৰ দাবীত সৰৱ হয়। সভাত এছ এফ আই বৰপেটা জিলা কমিটিৰ যুটীয়া সম্পাদক কমৰেড আফতাদ বাঁহমূৰীয়াই বক্তব্য ৰাখি কয় যে চৰকাৰী শিক্ষাব্যৱস্থাক শক্তিশালী কৰাৰ পৰিৱৰ্তে ক্ৰমাগতভাৱে অৱহেলা কৰা হৈছে। শিক্ষা, স্বাস্থ্য আৰু যোগাযোগৰ দৰে মৌলিক ক্ষেত্ৰত চৰকাৰৰ দায়বদ্ধতা নিশ্চিত কৰাটো সময়ৰ দাবী। তেওঁ কয় যে ছাত্ৰ-ছাত্ৰীসকলৰ ন্যায্য দাবী আদায়ৰ সংগ্ৰামত এছ এফ আই সদায় আগভাগত থাকিব আৰু দাবীসমূহ উপেক্ষা কৰা হ'লে বৃহত্তৰ ছাত্ৰ সমাজক লগত লৈ শক্তিশালী গণতান্ত্ৰিক আন্দোলন গঢ়ি তোলা হ'ব। তেওঁ কয় যে শিক্ষা কেৱল অধিকাৰ নহয়, সমাজ পৰিৱৰ্তনৰ অন্যতম শক্তিশালী হাতিয়াৰ। কিন্তু চৰকাৰৰ অৱহেলাৰ ফলত গ্ৰামাঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকলে আজিও ন্যূনতম শিক্ষাৰ সুবিধাৰ পৰা বঞ্চিত হৈ আছে। সেয়ে নিজৰ অধিকাৰ আদায়ৰ বাবে ছাত্ৰ সমাজক ঐক্যবদ্ধ আৰু সংগঠিত হোৱাৰ আহ্বান জনায়। সভাৰ অন্তত ছাত্ৰ-ছাত্ৰীসকলৰ দাবীসমূহ শীঘ্ৰে পূৰণ কৰাৰ বাবে চৰকাৰ আৰু সংশ্লিষ্ট বিভাগসমূহে সমস্যাসমূহৰ আশু সমাধান নহ'লে এছএফআইয়ে বৃহত্তৰ কাদং অঞ্চলত পৰ্যায়ক্ৰমে প্ৰতিবাদী কাৰ্যসূচী আৰু গণ আন্দোলন গঢ়ি তুলিব। সভাত অঞ্চলটোৰ কেইবাখনো বিদ্যালয় আৰু মহাবিদ্যালয়ৰ বহু ছাত্ৰ-ছাত্ৰী, স্থানীয় যুৱক-যুৱতী আৰু সংগঠনৰ কৰ্মীসকলে উপস্থিত থাকি সভাখন সফল কৰি তোলে।

## চৰকাৰে আবণ্টন দিয়া আঁচনিৰ ধন সোঁৱে-বাঁৱে লুটিছে এচাম ঠিকাদাৰে

# মাজুলীৰ পঞ্চায়তসমূহত ব্যাপক দুৰ্নীতিৰ অভিযোগ

**অসম বাৰ্তা, মাজুলী, ৫ আগষ্ট ঃ** কংগ্ৰেছ চৰকাৰৰ দিনৰে পৰা মাজুলীৰ পঞ্চায়ত সমূহত এচাম ঠিকাদাৰ ৰূপী নেতাই আবণ্টিত চৰকাৰী ধন গো গ্ৰাসে গিলি মাজুলীৰ উন্নয়নত বিৰূপ প্ৰভাৱ পেলাইছে। বৰ্তমান সময়ৰ চৰকাৰৰ দিনতো তাৰ নিৰাময় হোৱাৰ কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা নাই বুলি চৌদিশে অভিযোগ উত্থাপন হৈছে। তেনে এগৰাকী গুৰু গোসাঁই নমনা মাজুলীৰ পঞ্চায়ত সভানেত্ৰীৰ নমুনা সম্প্ৰতি পোহৰলৈ আহিছে। ১২ লাখ টকাৰ বজাৰ গৃহ বনোৱাৰ নামত ব্যাপক দুৰ্নীতি কৰাৰ অভিযোগ উত্থাপন কৰিছে স্থানীয় ৰাইজে। অভিযোগ অনুসৰি পঞ্চায়ত সভানেত্ৰীৰ স্বামীয়ে ঠিকাদাৰ ৰূপে দুৰ্নীতিযুক্ত বজাৰগৃহটো বনোৱা বুলি স্থানীয় ৰাইজৰ পৰা জানিব পৰা গৈছে। দীঘলীয়া সময় পাইয়ো অসম্পূৰ্ণ অৱস্থাত ৰাখি থৈছে কাম, ব্যৱসায়িক গটাই দিয়াৰ নামত আভুৱা ভাৰি আছে গৰমুৰ পঞ্চায়তৰ সভানেত্ৰী গৰাকীয়ে। আনহাতে প্ৰাক্ কলনৰ মতে কাম কৰা নাই বুলি ব্যৱসায়ী সকলেত অভিযোগ তুলিছে। মাজুলীৰ সদৰ গড়মুৰৰ গুৰুত্ব পূৰ্ণ বজাৰ গৃহত নিৰ্মাণৰ দুৰ্নীতি ফাদিলৰ পিছতো নিৰ্বাক সভানেত্ৰী গৰাকীয়ে কোনো ধৰণৰ গুৰুত্ব প্ৰদান কৰা নাই। চৰকাৰে আবণ্টন দিয়া ধনৰ সদব্যৱহাৰ হোৱা হ'লে মাজুলীৰ উন্নয়নৰ ক্ষেত্ৰত অগ্ৰগতি লাভ কৰিলে হেতেন। এচাম ঠিকাদাৰে মাজুলীত লুণ্ঠন চলোৱাৰ পিছতো কাৰ আশিস ধন্য হৈ মইমতালি কৰিছে সেয়াহে ৰহস্যজনক বিষয়। এনে ধৰণৰ সমস্যা উদঘাটন কৰিবলৈ যোৱা সাংবাদিকক হে ভীতি প্ৰদৰ্শন কৰা বুলি জানিব পৰা গৈছে। চৰকাৰে এক নিৰপেক্ষ তদন্ত কৰিলেই মাজুলীৰ পঞ্চায়ত সমূহত চলি থকা উন্নয়নৰ ফোঁপোলা স্বৰূপটো ওলাই পৰিব।

# কোকৰাঝাৰৰ তিনটিলা আনন্দনগৰত আনুষ্ঠানিকভাৱে মুকলি এখন নতুন গৰু বজাৰ



**অসম বাৰ্তা, কোকৰাঝাৰ, ৫ আগষ্ট ঃ** কোকৰাঝাৰ জিলাৰ তিনটিলা আনন্দনগৰত আনুষ্ঠানিকভাৱে মুকলি কৰে এখন নতুন গৰু বজাৰ। এই গৰু বজাৰখন প্ৰতিটো বুধবাৰে নিয়মীয়াকৈ অনুষ্ঠিত হ'ব বুলি বজাৰ সমিতয়ে জানিবলৈ দিয়ে। বিটিচিৰ পাৰিষদ ধনেশ্বৰ গয়াৰীয়ে ফিতা কাটি বজাৰখন উদ্বোধন কৰে। এতিয়াৰ পৰা অঞ্চলটোৰ কৃষক, পশুপালক আৰু ব্যৱসায়ীসকলে সহজে গৰু কিনা-বেচা কৰাৰ সুবিধা লাভ কৰিব। আজিৰে পৰা আৰম্ভ হোৱা এই গৰু বজাৰখন প্ৰতিটো বুধবাৰে নিয়মীয়াকৈ অনুষ্ঠিত হ'ব। উদ্বোধনৰ প্ৰথম দিনাই বহু সংখ্যক বিক্ৰেতাই নিজৰ গৰু বজাৰলৈ বিক্ৰী কৰিবলৈ আনে আৰু আৰম্ভণিৰ দিনাই গৰু বিক্ৰী কৰিব পাৰি সন্তুষ্টি প্ৰকাশ কৰে বিক্ৰেতাই। বজাৰখনত দুখীয়া আৰু সাধাৰণ লোকসকলে নিজৰ গৰু ন্যায্য মূল্যত বিক্ৰী কৰাৰ সুবিধা লাভ কৰিব বুলি বজাৰ সমিতয়ে জানিবলৈ দিয়ে। তিনটিলা আনন্দনগৰ, শিলগাৰা তথা ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলসমূহৰ ৰাইজৰ আৰ্থ-সামাজিক উন্নয়নত এই গৰু বজাৰখনে এক উল্লেখযোগ্য ভূমিকা পালন কৰিব বুলি আশা প্ৰকাশ কৰে অনুষ্ঠানখনত উপস্থিত থকা ৰাইজে। অনুষ্ঠানখনত বাওঁখুংগ্ৰী সমষ্টিৰ পাৰিষদ ধনেশ্বৰ গয়াৰীৰ লগতে টি, ছি, এল, ছি, ছি অধ্যক্ষ কমলেশ্বৰ বড়ো, দুখন ভিচিডিচি ৰ অধ্যক্ষ আব্দুল্লা হুছেইন আৰু হাছান আলীৰ লগতে কৰ্মকৰ্তাসকল, যুৱনেতা সহিদুল ইছলাম, স্থানীয় গণ্যমান্য ব্যক্তি আৰু অঞ্চলবাসী ৰাইজ উপস্থিত থাকে।

## দেশত ২৬ৰ পৰা ১০১লৈ বৃদ্ধি ৰামছাৰ নেটৱৰ্ক

# লোহিত জিলাৰ গ্ল' হ্ৰদ অৰুণাচলৰ প্ৰথম ৰামছাৰ স্থানৰূপে ঘোষণা কেন্দ্ৰীয় বন, পৰিৱেশ আৰু জলবায়ু পৰিৱৰ্তন বিভাগৰ

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ৫ আগষ্ট ঃ** জৈৱ বৈচিত্ৰ্য সংৰক্ষণ, জল আৰু জলবায়ু সুৰক্ষা, আৰু বহনক্ষম জীৱিকাৰ বাবে এক ডাঙৰ মাইলৰ খুঁটি হিচাপে অৰুণাচল প্ৰদেশৰ গ্ল' হ্ৰদক ৰাজ্যখনৰ প্ৰথমটো ৰামছাৰ স্থান হিচাপে নিৰ্ধাৰণ কৰা হৈছে। পূব হিমালয়ৰ কামলাং ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চল আৰু বন্যপ্ৰাণী অভয়াৰণ্যৰ ভিতৰত অৱস্থিত গ্ল' হ্ৰদ হৈছে এক অতীতৰ মিঠা পানীৰ পৰিৱেশ তন্ত্ৰ আৰু জৈৱ বৈচিত্ৰ্যৰ হটস্পট। এই হ্ৰদটোক বহুবৰ্ষজীৱী পাহাৰীয়া নৈৰ দ্বাৰা খাদ্য যোগান ধৰা হয় আৰু ইয়াৰ চাৰিওফালে চহকী গছ-গছনি, ঠাইখনৰ ভিতৰত আৰু ইয়াৰ জলাশয়ৰ ভিতৰত ১৫০টাতকৈও অধিক গছৰ প্ৰজাতি আৰু ৪৯টা অৰ্কিড প্ৰজাতিৰ তথ্য পোৱা গৈছে। জলাশয় সংৰক্ষণৰ ক্ষেত্ৰত ভাৰতৰ অগ্ৰগতিৰ ওপৰত আলোকপাত কৰি কেন্দ্ৰীয় বন পৰিৱেশ আৰু জলবায়ু পৰিৱৰ্তন বিভাগৰ মন্ত্ৰী ভূপেন্দ্ৰ যাদৱে কয় যে দেশখনে ২০১৪ চনত ৰামছাৰ স্থানৰ নেটৱৰ্ক ২৬ৰ পৰা বৰ্তমান ১০১টালৈ সম্প্ৰসাৰিত কৰিছে, যিয়ে পৰিৱেশ সুৰক্ষা, জৈৱ বৈচিত্ৰ্য সংৰক্ষণ, আৰু বহনক্ষম উন্নয়নৰ প্ৰতি চৰকাৰৰ দায়বদ্ধতাক প্ৰতিফলিত কৰিছে। মন্ত্ৰীগৰাকীয়ে লগতে কয় যে প্ৰতিটো নতুন ৰামছাৰ স্থানে এই অমূল্য পৰিৱেশ তন্ত্ৰৰ ওপৰত নিৰ্ভৰশীল সম্প্ৰদায়সমূহৰ ভৱিষ্যত সুৰক্ষিত কৰাৰ সমান্তৰালভাৱে প্ৰকৃতিক সুৰক্ষাৰ আমাৰ সংকল্পক শক্তিশালী কৰে। অৰুণাচল প্ৰদেশৰ জলাশয় সংৰক্ষণৰ বাবে এক উল্লেখযোগ্য সাফল্যত লোহিত জিলাৰ গ্ল' হ্ৰদে ৰামছাৰ সন্ধিৰ অধীনত আন্তৰ্জাতিক স্বীকৃতি লাভ কৰা ৰাজ্যখনৰ প্ৰথমটো জলাশয় হিচাপে পৰিগণিত হৈছে। বিশেষকৈ উন্নয়নৰ চাপৰ দৰে ভাবুকিৰ উদ্বেগৰ মাজতে হ্ৰদটোৰ ৰামছাৰৰ স্বীকৃতিক অঞ্চলটোৰ সংৰক্ষণৰ প্ৰচেষ্টাত এক ডাঙৰ সহায় হিচাপে দেখা গৈছে। আন্তঃৰাষ্ট্ৰীয় মৰ্যাদাই হ্ৰদটোৰ ভংগুৰ পৰিৱেশ তন্ত্ৰ সংৰক্ষণ আৰু ইয়াক আগুৰি থকা পৰিৱেশগত কৰিড'ৰসমূহ বজাই ৰখাৰ প্ৰচেষ্টা শক্তিশালী কৰিব বুলি আশা কৰা হৈছে। এই স্বীকৃতিৰে গ্ল' হ্ৰদে অসমৰ দীপৰ বিল, মণিপুৰৰ লোকটক হ্ৰদ, ত্ৰিপুৰাৰ ৰুদ্ৰসাগৰ হ্ৰদ আৰু মিজোৰামৰ পালা জলাশয়কে ধৰি সমগ্ৰ উত্তৰ-পূব ভাৰতৰ ৰামছাৰ জলাশয়ৰ ক্ৰমবৰ্ধমান তালিকাত যোগদান কৰে। ৰামছাৰ ছাইট হৈছে ১৯৭১ চনত ইৰাণৰ ৰামছাৰত গ্ৰহণ কৰা আন্তঃচৰকাৰী চুক্তি ৰামছাৰ সন্ধিৰ অধীনত আন্তঃৰাষ্ট্ৰীয় গুৰুত্বপূৰ্ণ বুলি বিবেচিত জলাশয়। এনে স্বীকৃতিৰ লক্ষ্য হৈছে জৈৱ বৈচিত্ৰ্য, পানী নিয়ন্ত্ৰণ, বান নিয়ন্ত্ৰণ, কাৰ্বন সংৰক্ষণ আৰু স্থানীয় জীৱিকাৰ বাবে অতি গুৰুত্বপূৰ্ণ জলাশয়সমূহৰ সংৰক্ষণ আৰু বহনক্ষম ব্যৱহাৰক প্ৰসাৰিত কৰা। অৰুণাচল প্ৰদেশৰ লোহিত জিলাৰ ৱাক্ৰত আৰু পৰশুৰাম কুণ্ডৰ নাতি দূৰৈত অৱস্থিত এই দগ্ল' হ্ৰদৰ স্বীকৃতিয়ে ৰাজ্যখনৰ পৰিৱেশ সংৰক্ষণ যাত্ৰাৰ এক উল্লেখযোগ্য মাইলৰ খুঁটি হিচাপে পৰিগণিত হৈছে আৰু ইয়াৰ হিমালয়ৰ ভূ-প্ৰকৃতিৰ ব্যতিক্ৰমী পৰিৱেশ সম্পদক উজলাই তুলিছে। ইয়ে পৰৱৰ্তী সময়ত ৰাজ্যখনৰ পৰ্যটনৰ ক্ষেত্ৰলৈও উল্লেখযোগ্য পৰিৱৰ্তন আনিব বুলি আশা কৰা হৈছে।

## শুক্লাই নদীৰ বাঢ়নী পানীয়ে উটুৱাই নিছিল ডিমাকুছি শংকৰদেৱ শিশু নিকেতনৰ চাৰি শিক্ষাৰ্থীক

# ওদালগুৰিৰ শুক্লাই নদীত শিহৰণকাৰী ভয়াৱহ ঘটনা; কথমপি প্ৰাণ ৰক্ষা চাৰি গৰাকী শিক্ষাৰ্থীৰ

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ টংলা, ৫ আগষ্ট ঃ** ৰাজ্যৰ চৌদিশে বান বিভিষীকাৰ মাজতে ওদালগুৰি জিলাৰ ডিমাকুছি বাদলাপাৰা-ডিমাকুছি সংযোগী পথৰ শুক্লাই নদীত ভয়ানক পৰিস্থিতি। এক শিহৰণকাৰী ঘটনাই জোকাৰি গ'ল ওদালগুৰিৰ ডিমাকুছিৰ ভাৰত - ভূটান সীমান্তৰ বাদলাপাৰাৰ শুক্লাই নদীত। নৈৰ পাৰত থকা এজাক মানুহৰ চকুৰ সন্মুখতে শুক্লাই নৈৰ ঢলে উতুৱাই নিলে চাৰিগৰাকীকৈ দশম শ্ৰেণীৰ শিক্ষাৰ্থীক। বিদ্যালয় ছুটিৰ পাছতে ঘৰলৈ ওভতা শিক্ষাৰ্থী কেইগৰাকীয়ে শুক্লাই নৈৰ বুকুৰে আৰম্ভ কৰিছিল গৃহাভিমুখী যাত্ৰা। যিটো সময়ত শিক্ষাৰ্থী সকলে নদীত নামিছিল তেতিয়া শুক্লাই নদীত পানী নাছিল, নদীৰ মাজভাগ পোৱাৰ লগে-লগে হঠাৎ বাঢ়ি আহিল শুক্লাই নদীৰ বাঢ়নী পানী। ভূটান পাহাৰত হোৱা ধাৰাষাৰ বৰষুণৰ বাবে হঠাৎ নামি অহা শুক্লাই নদীৰ মাজত পানীৰ ঢলে চকুৰ পচাৰতে নিমিষতে চাইকেলসহ উটুৱাই নিয়ে চাৰিগৰাকী শিক্ষাৰ্থী। ডিমাকুছিৰ শংকৰদেৱ শিশু নিকেতনত অধ্যয়নৰত শিক্ষাৰ্থী তথা বাদলাপাৰা চাহ বাগিচাৰ বৰো লাইনৰ ক্ৰমে গোলাপী তাঁতী, অৱিনাশ বাৰ্লা, নিৰান্তি কাচুৱা আৰু ফাউদা কাচুৱাক চকুৰ সন্মুখতে নৈৰ ঢলে উটুৱাই নিয়াত হাহাঁকাৰ লাগে নৈৰ মাজত আবদ্ধ লোক সকলৰ মাজত। গোলাপী তাঁতীক উদ্ধাৰ কৰিবলৈ গৈ আঘাত প্ৰাপ্ত হয় অৱিনাশ বাৰ্লা নামৰ ছাত্ৰজন। ঘটনাৰ প্ৰত্যক্ষদৰ্শী আৰু সতীৰ্থ শিক্ষাৰ্থী একাংশই নৈত জাপ দি প্ৰায় চাৰি-পাঁচ শ মিটাৰ নিলগত আটাইকেইগৰাকী শিক্ষাৰ্থীকে উদ্ধাৰ কৰিবলৈ সক্ষম হ'য় যদিও ইতিমধ্যে আটাইকেইগৰাকী শিক্ষাৰ্থীৰে স্বাস্থ্যৰ অৱনতি ঘটাত লগে লগে ওদালগুৰি অসামৰিক চিকিৎসালয়ত ভৰ্ত্তি কৰোৱা হ'য়। স্থানীয় আদিবাসী ছাত্ৰ সন্থা, আদিবাসী আৰ্মীৰ নেতা স্থানীয় লোকে শিক্ষাৰ্থী কেইগৰাকীক উদ্ধাৰ কৰিবলৈ সক্ষম হ'য় যদিও তেওঁলোকৰ স্কুল বেগ আৰু ৩ খনকৈ চাইকেল নদীৰ সোঁতে উটুৱাই নিয়ে। আনহাতে শ-শ শিক্ষাৰ্থীক চাহ বাগিচাৰ টেক্টৰেৰে বিপদসংকুল ভাৱে নদী পাৰ কৰাই জীৱন ৰক্ষা কৰিছে স্থানীয় ৰাইজে। এই ঘটনাৰ পাছতে বাদলাপাৰাৰ শুক্লাই নৈত দলং নিৰ্মাণৰ দাবীয়ে পুনৰ তীব্ৰ ৰূপ ধাৰণ কৰিছে, বিভিন্ন দল সংগঠন আৰু স্থানীয় ৰাইজে দীৰ্ঘদিনে দলং নিৰ্মাণৰ দাবীত সংগ্ৰাম অব্যাহত ৰাখিছে যদিও কোনো এখন চৰকাৰে ৰাইজৰ দাবীক ইতিবাচক সঁহাৰি প্ৰদান কৰা নাই। যিটো সময়ত কুলশী নদীৰ সুতিত বাঁহৰ দলং নিৰ্মাণেৰে ৰঙা ফিতা কাটি ঘৰিয়ালৰ চকুপানী টোকা এমচিএলএ পল ট'প্পয় জনপ্ৰিয়তা অৰ্জন কৰি সংবাদ মাধ্যমৰ শিৰোনাম দখল কৰিছিল। তেনে সময়ত ননৈ চেৰফাং সমষ্টিৰ পাৰিষদ পল' টপ্পইয়ো সদাব্যস্ত বাদলাপাৰা পথৰ শুক্লাই নদীত দলং নিৰ্মাণৰ বিষয়টোক গুৰুত্ব নিদিয়াত সৰ্বত্ৰে ধিক্কাৰৰ সন্মুখীন হৈছে পাৰিষদ গৰাকী। প্ৰতিখন চৰকাৰে কেৱল মাথোঁ প্ৰতিশ্ৰুতিতে সীমাবদ্ধ থাকে, নিৰ্বাচন আহিলে ঘৰিয়ালৰ চকুপানী টুকি ভোট ভিক্ষা কৰি ভোটবেংক হিচাপে ব্যৱহাৰ কৰি আহিছে বাদলাপাৰা, টেংকিবস্তিকে ধৰি বহুকেইখন গাঁৱৰ ৰাইজক। ইয়াৰ পূৰ্বেও এই শুক্লাইনদীৰ বুকুত বহুতো লোক উটি যোৱাৰ উপৰিও যান-বাহন পশুধন নোহোৱা হৈছে। বিদ্যালয়ৰ কণ-কণ ছাত্ৰ-ছাত্ৰীকে ধৰি কেইবা সহস্ৰাধিক লোকে নিতৌ শুক্লাইৰ বুকুৰে বিপদসংকুল যাত্ৰা অব্যাহত ৰাখিছে। প্ৰতিবছৰে উক্ত স্থানত দুৰ্ঘটনা সংঘটিত হোৱাৰ পাছতো কোনো এখন চৰকাৰে বিষয়টোত গুৰুত্ব আৰোপ নকৰাত এতিয়া চৰকাৰৰ বিৰুদ্ধে তীব্ৰ বিষোদগাৰ আদিবাসী ছাত্ৰ সন্থা আৰু আদিবাসী আৰ্মীৰ। ওদালগুৰি জিলা আদিবাসী ছাত্ৰ সন্থাৰ সভাপতি শিৱদত তাঁতী আৰু আদিবাসী আৰ্মীৰ কেন্দ্ৰীয় সভাপতি সুমিত নায়কে ৰাইজৰ সমস্যাক লৈ হেতালি খেলা বাদ দি শীঘ্ৰে বাদলাপাৰাৰ শুক্লাই নৈত পকী দলং নিৰ্মাণৰ দাবী জনাই অন্যথা তীব্ৰ চৰকাৰ বিৰোধী আন্দোলন গঢ়ি তোলাৰ হুংকাৰ দিছে। ইফালে কণ-কণ ছাত্ৰ-ছাত্ৰীয়ে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক কাতৰ আহ্বান জনায়ছে অতি শীঘ্ৰে শুক্লাই নদীত এখন পকী দলং নিৰ্মাণ কৰি দিবলৈ। গুৱাহাটী মহানগৰীৰ মাজমজিয়াত যধে-মধে উৰণীয়া সেতু নিৰ্মাণ কৰি অহা চৰকাৰে শুক্লাই নদীৰ দলং নিৰ্মাণ কৰাৰ ক্ষেত্ৰত কেনে ধৰণৰ সঁহাৰি জনাই সেইটোহে লক্ষণীয় হ'ব।

## নতুন মুখ, নতুন সংগ্ৰামেৰে সুস্থ সমাজ গঢ়াৰ আহ্বান

# নতুন বজাৰত সুখ্যাতিৰে সম্পন্ন 'ষ্টুডেণ্ট মিট'




**অসম বাৰ্তা, উজনী মাজুলী, ৫ আগষ্ট ঃ** মাজুলীৰ নতুন বজাৰস্থিত উজনি মাজুলী খেৰকটীয়া মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত ৩০ নং চাংগা সমষ্টিৰ অন্তৰ্গত টি.এম.পি.কেৰ ৰতনপুৰ মিৰি, জেংৰাইমুখ, লুইতপৰীয়া, চেৰপাই আৰু গেজেৰা আঞ্চলিক সমিতিৰ যৌথ উদ্যোগত আজি 'STUDENT'S MEET (New face, new struggle)' শীৰ্ষক বিশেষ অনুষ্ঠানটি অত্যন্ত সুন্দৰ আৰু শৃংখলাবদ্ধভাৱে অনুষ্ঠিত হৈ যায়। সাম্প্ৰতিক সময়ত যুৱ সমাজ আৰু ইয়াৰ গতি-প্ৰকৃতিৰ প্ৰতি লক্ষ্য ৰাখি এই 'নতুন মুখ, নতুন সংগ্ৰাম' কাৰ্যসূচী গ্ৰহণ কৰা হয়। সভাত মিচিং অধ্যুষিত অঞ্চলবোৰত নৱ-প্ৰজন্মৰ মাজত দেখা দিয়া সামাজিক বিশৃংখলা ৰোধ কৰাৰ লগতে জাতীয় সংগঠন TMPKৰ সাংগঠনিক কাৰ্যকলাপ অধিক সক্ৰিয় আৰু বিস্তৃত কৰাৰ বিষয়ে গভীৰভাৱে আলোচনা কৰা হয়। বিশেষভাৱে সংগ্ৰামশীল গণতান্ত্ৰিক আন্দোলন, শৈক্ষিক, সামাজিক আৰু সাংস্কৃতিক ভেটি মজবুত কৰাৰ ক্ষেত্ৰত যুৱ সমাজৰ অৱদান আৰু দায়িত্বৰ বিষয়ে বিশ্লেষণ কৰা হয়। সভাত বক্তাসকলে উল্লেখ কৰে যে যুৱ প্ৰজন্মই হৈছে এখন সুস্থ, সবল আৰু আত্মমৰ্যাদাশীল জাতি গঢ়াৰ মূল শক্তি। নতুন চিন্তা, নতুন উদ্যম আৰু সমাজৰ প্ৰতি দায়বদ্ধতাৰে সজ্জিত যুৱক-যুৱতীসকলেই আগন্তুক দিনৰ সঠিক দিশ নিৰ্ধাৰণ কৰিব। গ্ৰাম্য পৰ্যায়ৰ পৰাই জাতীয় সংগঠনৰ ভেটি সুস্থিৰ কৰি এক সুস্থ সামাজিক বিবৰ্তন সূচনা কৰাৰ লক্ষ্যৰে এই কাৰ্যসূচী হাতত লোৱা হৈছে। নতুন নেতৃত্বৰ হাত ধৰি সংগঠনে অধিক গতিশীল ৰূপ লাভ কৰিব আৰু জাতি-সমাজৰ উন্নয়নত বিশেষ অৱদান আগবঢ়াব বুলি আশাপ্ৰকাশ কৰা হয়। অনুষ্ঠানৰ আৰম্ভণিতে আয়োজক সমিতিৰ তৰফৰ পৰা উপস্থিত সকলো নিমন্ত্ৰিত অতিথিক আদৰণি জনাই আদৰণি বক্তব্য প্ৰদান কৰা হয়। উক্ত সভাত টি.এম.পি.কে. কেন্দ্ৰীয় সমিতিৰ সম্পাদক চান দঞিও পাংগীঙে নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকি সাৰুৱা বক্তব্য আগবঢ়ায়। গাম্ভীৰ্যপূৰ্ণ সভাখনত সন্মানীয় অতিথি হিচাপে উপস্থিত থাকে টি.এম.পি.কে. কেন্দ্ৰীয় সমিতিৰ যুটীয়া সম্পাদক মহান কুলি, শিক্ষা কোষৰ সদস্য উত্তম আইনে নৰহ, সদস্য ৰামগোবিন দলে, আই.টি. চেলৰ সদস্য মনোৰঞ্জন নৰহ, মিগাং পেগু, ভাইকন নৰহ আৰু লৱেশ দলে। এম.এম.কে. কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি প্ৰেমাধৰ দলে আৰু সদস্য ৰাজীৱ দলে। টি.এম.এম.কে. কেন্দ্ৰীয় সমিতিৰ উপ-সভানেত্ৰী ইলাজ্যোতি কুম্বাং। মাজুলী জিলা সমিতি টি.এম.পি.কে. জিলা সভাপতি প্ৰবিত্ৰ পাতিৰ, টি.এম.এম.কে. জিলা সভানেত্ৰী ববিতা দলে পেগু আৰু জিলা সমিতিৰ অন্যান্য বিষয়ববীয়াসকল। মিচিং স্বায়ত্তশাসিত পৰিষদৰ সদস্য নীলকান্ত দলে, প্ৰাক্তন জিলা পৰিষদৰ সদস্য দেৱজিত পাতিৰৰ লগতে উল্লিখিত পাঁচখন আঞ্চলিক সমিতিৰ সভাপতি আৰু সম্পাদকসকল।

# ডিব্ৰুগড়ৰ ড° ৰোহিণীকান্ত বৰুৱা আইন মহাবিদ্যালয়ত আৰ্থিকভাৱে দুৰ্বল মেধাৱী শিক্ষাৰ্থীৰ বৃত্তি প্ৰদানৰ ব্যৱস্থা

## আবেদনৰ বাবে আহ্বান

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ৫ আগষ্ট ঃ** ডিব্ৰুগড়স্থিত অগ্ৰণী আইন শিক্ষা অনুষ্ঠান ড° ৰোহিণী কান্ত বৰুৱা আইন মহাবিদ্যালয়ে চলিত শিক্ষাবৰ্ষৰ বাবে মেধাৱী আৰু আৰ্থিকভাৱে পিছপৰা শিক্ষাৰ্থীসকলৰ সুবিধাৰ্থে দুটা বিশেষ শিক্ষাবৃত্তি- "শ্যামজীৰ আশীৰ্বাদ" আৰু "সহযোগ" প্ৰদানৰ ঘোষণা কৰিছে। এই বৃত্তি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ কেট-২০২৬ উত্তীৰ্ণ হৈ মহাবিদ্যালয়খনৰ পাঁচবছৰীয়া বি বি এ. এল এল বি পাঠ্যক্ৰমত অধ্যয়ন কৰিবলৈ ইচ্ছুক ছাত্ৰ-ছাত্ৰীৰ বাবে উপলব্ধ। মহাবিদ্যালয় কৰ্তৃপক্ষই জনোৱা অনুসৰি, এই শিক্ষাবৃত্তি গ্ৰহণৰ সুবিধা প্ৰথমে আবেদন কৰা যোগ্য ছাত্ৰ-ছাত্ৰীৰ বাবে প্ৰযোজ্য হ'ব। গতিকে আবেদনকাৰীক অতি শীঘ্ৰে আবেদন দাখিল কৰিবলৈ আহ্বান জনোৱা হৈছে। বৃত্তিৰ বাবে আবেদন দাখিল কৰাৰ অন্তিম তাৰিখ ১০ আগষ্ট, ২০২৬। আবেদনকাৰীয়ে আবেদন পত্ৰ তথা প্ৰয়োজনীয় সকলো নথি-পত্ৰ মহাবিদ্যালয়ৰ অধ্যক্ষৰ কাৰ্যালয়ত পুৱা ১০: ০০ বজাৰ পৰা দুপৰীয়া ২: ৪০ বজাৰ ভিতৰত দাখিল কৰিব লাগিব। মহাবিদ্যালয় কৰ্তৃপক্ষই স্পষ্ট কৰি দিছে যে অসম্পূৰ্ণ অথবা বিলম্বিত আবেদন পত্ৰ গ্ৰহণ কৰা নহ'ব। বৃত্তি প্ৰদান সন্দৰ্ভত মহাবিদ্যালয়ৰ নামভৰ্তি সমিতিৰ সিদ্ধান্তই চূড়ান্ত হ'ব। সবিশেষ তথ্যৰ বাবে যোগাযোগৰ নম্বৰ সমূহ হ'ল- ০৩৭৩-২৩২২০২৯, ৯৪৩৫৭৬১৬১১।



◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • Facebook : \asombarta • Instagram : \asom_barta •

● সম্পাদক ঃ তনয় বৰা | ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন